Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, JUNE 3, 2025 ■ মঙলবাৰ, ১৯ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৫৬ Guwahati, Assam ।। মূল্যঃ এটকা

## দুৰ্দিনত দল এৰি যোৱাসকলক ঘূৰি আহিলে দলত স্থান দিয়াৰ পক্ষপাতী নহয়, জনালে গৌৰৱে

## নগাঁও-জাগীৰোড হৈ গুৱাহাটীত গৌৰৱ, আজি ল'ব সভাপতিৰ দায়িত্ব



ই-সংবাদ, গুৱাহাটী-জাগীৰোড, ২ জুন : ৰাজ্যিক সভাপতি নিযুক্তিৰ পিছতে যোৰহাটত উপস্থিত হোৱা গৌৰৱ গগৈক যোৰহাটৰ পৰা আদৰণি যাত্ৰা ৫ নং পৃষ্ঠাত



গোভা ৰজাৰ দৰবাৰত আশিস লৈ ৰাইজৰ হকে কাম কৰাৰ ল'লে সংকল্প

## ফালি পেলালে গৌৰৱৰ ফটো

## নগাঁও-গুৱাহাটীত আঁতৰালে কংগ্ৰেছৰ বেনাৰ, পতাকা

ই-সংবাদ, ২ জুন : ৩১ মে'ত যোৰহাটত উপস্থিত হোৱা গৌৰৱ গগৈয়ে দুটা দিন ধৰি উজনি অসম ভ্ৰমি কালি বোকাখাত, ৩ নং পৃষ্ঠাত



ৰঙানদীত বান পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

## অকৰ্মণ্য দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, উদ্ধাৰ অভিযানত স্থানীয় যুৱক

# 'নীপকো'ৰে সমন্বয় গঢ়াত ব্যৰ্থ চৰকাৰ-প্ৰশাসন



■ হোৱাটছএপ গ্ৰুপত এটা মেছেজ দিয়েই এৰিছিল পানী, লখিমপুৰত বানত বিধ্বস্ত অঞ্চল পৰিদৰ্শন হিমন্ত বিশ্বৰ

ই-সংবাদ, ২ জুন : অসম আৰু অসমীয়া মানুহৰ প্ৰতি মুঠেই দায়বদ্ধ নহয় ৰাষ্ট্ৰীয় জলবিদ্যুৎ শক্তি নিগম চমুকৈ এনএইচপিচি, নীপকো আদি সংস্থা। কেন্দ্ৰীয় চৰকাৰৰ ৪ পৃষ্ঠাত

## ছিকিমত ভয়াৱহ ভূমিস্খলন

## সেনা শিবিৰত পাহাৰ খহি ৩ জনৰ মৃত্যু, ৬ সন্ধানহীন

গেংটক, ২ জুন: প্ৰবল বৃষ্টিপাতে উত্তৰ-পূৱত নমাই আনিছে ভয়ংকৰ বিভীষিকা। বান, ভূমিস্খলনৰ দৰে বৰ্ষামুখৰ পৰিস্থিতিৰ পিছৰ ২ পৃষ্ঠাত

## কইনাধৰাত হিমন্ত-কনৰাডৰ বৈঠক সম্পন্ন

### সীমা-বিবাদ, বানপানী

ই-সংবাদ, ২ জুন : পূৰ্বনিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি আজি মহানগৰীৰ কইনাধৰাত ৩ পৃষ্ঠাত

## বৰাকত অপৰিৱৰ্তিত বান পৰিস্থিতি, কামপুৰতো হাহাকাৰ

### বিপদসীমাৰ ওপৰেৰে বৈ আছে বৰাক, কপিলী, নিশাৰী নৈ

ই-সংবাদ, শিলচৰ-কামপুৰ, ২ জুন : উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহত অবিৰত বৰষুণৰ ফলত বান পৰিস্থিতিয়ে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। ব্ৰহ্মপুত্ৰ আৰু বৰাককে ধৰি ডাঙৰ ডাঙৰ নদীসমূহ এতিয়াও বৈ ২ নং পৃষ্ঠাত

আজি শিলচৰলৈ যাব মুখ্যমন্ত্ৰী, নগাঁৱৰ ৰহা-কামপুৰৰ বহু ঠাইত পথ যোগাযোগ একপ্ৰকাৰ বিচ্ছিন্ন



## মহানগৰীত দুগুণলৈ বৃদ্ধি হ'ব আৰক্ষী থানা

ই-সংবাদ, ২ জুন : দিনক দিনে মহানগৰীত অপৰাধমূলক কাৰ্যকলাপৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। এই পৰিস্থিতিৰ ৬ পৃষ্ঠাত

### চৰকাৰৰ পুশ্বেবেক নীতি

## হাই ক'ৰ্টলৈ যোৱাৰ নিৰ্দেশ ছুপ্ৰিম ক'ৰ্টৰ

ই-সংবাদ, ২ জুন : বাংলাদেশৰ পৰা অনুপ্ৰৱেশ ৰোধৰ বাবে অসম চৰকাৰৰ 'পুছ- ৬ পৃষ্ঠাত

## উত্তৰ-পূবৰ বান সমস্যা সমাধানত অসমৰ্থ মোদী!

### মল্লিকাৰ্জুন খাৰ্গেৰ সমালোচনা

নতুন দিল্লী, ২ জুন : উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ ভয়াৱহ বান পৰিস্থিতিক লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰিল ৬ পৃষ্ঠাত

## শ্ৰমিক-কৰ্মচাৰীৰ প্ৰতিবাদ, স্মাৰক পত্ৰ প্ৰেৰণ

## নামৰূপ তাপবিদ্যুৎ প্ৰকল্পৰ টাৰবাইন বন্ধৰ নিৰ্দেশ

ই-সংবাদ, নামৰূপ, ২ জুন : উৎপাদনক্ষম অৱস্থাত নামৰূপ তাপবিদ্যুৎ প্ৰকল্পৰ টাৰবাইন জেনেৰেটৰসমূহ বন্ধ কৰিবলৈ উৰ্ধ্বতন কৰ্তৃপক্ষই নিৰ্দেশ দিয়ে। ৫ নং পৃষ্ঠাত



একেটা মাহতে দুবাৰ কৈ উৎপাদন বন্ধ কৰিবলৈ নিৰ্দেশনা, শংকিত শ্ৰমিক-কৰ্মচাৰী

## উদ্ধাৰ হ'ল স্বামীৰ মৃতদেহ, নিখোজ পত্নী

### শ্বিলঙত আজিও ৰহস্য

ই-সংবাদ, ২ জুন : মেঘালয়ৰ ৰাজধানী শ্বিলঙলৈ এহাল দম্পতীয়ে মধুচন্দ্ৰিকাৰ বাবে আহি নিৰুদ্দেশ হৈ ৩ পৃষ্ঠাত

## স্বগৃহলৈ আহিল বিদেশীৰ সন্দেহত বাংলাদেশলৈ পঠিওৱা গুলজাৰ



ই-সংবাদ, লাহৰীঘাট, ২ জুন : বাংলাদেশীৰ নামত দেশৰ পৰা বিতাড়িত লাহৰীঘাট ৰবৰবীৰ গুলজাৰ হুছেইন আজি স্বগৃহত আহি উপস্থিত হয়। উল্লেখ্য যে ২৩ মে'ৰ মাজনিশা আৰক্ষীয়ে শোৱাপাটীৰ পৰা ধৰি লৈ গৈছিল এইজন গুলজাৰ হুছেইনক। বিদেশীৰ সন্দেহত গ্ৰেপ্তাৰ হোৱা গুলজাৰ হুছেইনক প্ৰথমে মৰিগাঁও আৰু পৰৱৰ্তী সময়ত গোৱালপাৰা ডিটেনচন কেম্পত ৰাখি নিশা আন্ধাৰৰ সুযোগ লৈ ভাৰত- ৪ নং পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰাকত অপৰিৱৰ্তিত বান পৰিস্থিতি

আছে বিপদ চিহ্নৰ ওপৰেৰে। বান আৰু ভূমিস্খলনে অব্যাহত থকা ধ্বংসলীলাৰ মাজতে সোমবাৰেও অত্যন্ত সংকটজনক হৈ থাকে কাছাৰ জিলাৰ বান পৰিস্থিতি। দেওবাৰে নিশা জলপৃষ্ঠ কিছু হ্ৰাস পালেও বৰাক নদী পুনৰ ওফন্দি উঠাৰ ফলত নিম্নভূমি পুনৰ বানৰ কবলত পৰে, যাৰ ফলত যোগাযোগ আৰু বিদ্যুৎ যোগানত ব্যাঘাত জন্মে। জলসম্পদ বিভাগৰ তথ্য অনুসৰি সোমবাৰে পুৱা ১১ বজাত বিপদসীমাৰ পৰা (১৯.৮৩ মিটাৰ) ২১.৩১ মিটাৰ উচ্চতাত বৰাক নদী বৈ আছে। বতৰৰ পূৰ্বাভাসত জলপৃষ্ঠ আৰু অধিক বৃদ্ধিৰ আশংকা কৰা হৈছে। বিষয়াসকলে জনোৱা মতে, ২০২২ চনৰ ভয়াৱহ বানপানীৰ সময়ত বৰাক নদীৰ উচ্চতা ২১.৫৯ মিটাৰলৈ বৃদ্ধি পাইছিল। ইফালে, কাটিগৰাত বৰাক নদীৰ জলপৃষ্ঠ বৃদ্ধিৰ বাবে ফেৰী সেৱা বন্ধ হৈ পৰাত যাত্ৰীসকলৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। ২১ মে'ৰ পৰা গামন দলঙৰ মেৰামতিৰ কাম চলি থকাৰ বাবে ৰে'লপথ ব্যৱহাৰ কৰি অহা-যোৱা কৰিবলগীয়া হৈছে স্থানীয় ৰাইজে। একে সময়তে মধুৰা নদীৰ পানীয়ে বহু কেইখন গাঁও বুৰাই পেলোৱাত শংকিত হৈ পৰিছে উদাৰবন্দ বিধানসভা সমষ্টিৰ অন্তৰ্গত গোঁসাইপুৰ আৰু দাঁতিকাষৰীয়া অঞ্চলৰ বাসিন্দাসকল। শিলচৰক বিমানবন্দৰৰ সৈতে সংযোগ কৰা ভিআইপি পথৰ এটা অংশও মধুৰাৰ প্ৰচণ্ড সোঁতৰ বাবে ভাগি পৰাৰ আশংকা কৰা হৈছে। এই পৰিস্থিতিত কাছাৰ জিলা প্ৰশাসনে অঞ্চলটোক হাই এলাৰ্টত ৰাখি সাহায্য আৰু আশ্ৰয় কেন্দ্ৰ শিবিৰ স্থাপন কৰিছে। উদাৰবন্দত পাঁচটা মহিলাকেন্দ্ৰিক সাহায্য শিবিৰ, সোণাইত তিনিটা আৰু শিলচৰত সোতৰটা সাহায্য শিবিৰ স্থাপন কৰা হৈছে। বৰখোলালৈও আগতীয়াকৈ সাহায্য সামগ্ৰী প্ৰেৰণ কৰা হৈছে। শিলচৰৰ নগৰ অঞ্চলৰ পানীক অন্য দিশলৈ ঠেলি দিয়াৰ কাম চলি আছে, যাৰ বাবে ৰোজকান্দি, হাতীছাৰা আৰু অ' এন জি চিৰ পৰা উচ্চ শক্তিৰ পাম্প অনা হৈছে। বাংলাঘাটত জমা হোৱা পানী আঁতৰাই পৰিস্থিতি স্বাভাৱিক কৰাৰ প্ৰচেষ্টা অব্যাহত আছে। শিলচৰৰ বিধায়ক দিপায়ন চক্ৰৱৰ্তীয়ে ছ'চিয়েল মিডিয়াযোগে ঘোষণা কৰে যে মঙলবাৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বৰাক উপত্যকা ভ্ৰমণ কৰি বান পৰিস্থিতিৰ পৰ্যালোচনা কৰিব। ইফালে, খাদ্য, ৰাজহুৱা বিতৰণ, গ্ৰাহক পৰিক্ৰমা আৰু বৰাক উপত্যকা উন্নয়ন মন্ত্ৰী কৌশিক ৰায়ে সোমবাৰে দ্বিতীয় দিনৰ বাবে বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰে। শিলচৰৰ কেইবাটাও সাহায্য শিবিৰৰ লগতে বৰখোলা বিধানসভা সমষ্টিৰ ৰাজা গোবিন্দ চন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু বিজয়পুৰ বৰ ৰামপুৰ প্ৰাথমিক বিদ্যালয়কে ধৰি ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। আনহাতে এই বান পৰিস্থিতিত ৰোগৰ সংক্ৰমণ ৰোধৰ বাবে মন্ত্ৰী ৰায়ে সকলো সাহায্য শিবিৰলৈ শীঘ্ৰে চিকিৎসা দল প্ৰেৰণৰ নিৰ্দেশ দিয়ে। বানপানীৰ বাবে ১৫৪টা ট্ৰেন্সফৰ্মাৰ বিচ্ছিন্ন হৈ পৰাত বানত প্ৰভাৱিত নোহোৱা অঞ্চলত বিদ্যুৎ পুনৰ ঘূৰাই অনাৰ কাম আৰম্ভ কৰিছে অসম শক্তি বিতৰণ কোম্পানী লিমিটেডে। যুদ্ধকালীন অভিযানৰ সময়ত ক্ষতিগ্ৰস্ত হোৱা মথাউৰি আৰু বান্ধ মেৰামতি কৰিবলৈ জলসম্পদ বিভাগক নিৰ্দেশ দিয়া হৈছে। সকলো সাহায্য শিবিৰতে নিৰাপত্তা সুদৃঢ় কৰা হৈছে। পশুধনৰ ক্ষতি ৰোধ কৰিবলৈ কৃষি বিভাগে পশু খাদ্য বিতৰণ আৰম্ভ কৰিছে। ইফালে, **কামপুৰৰ সংবাদদাতাই** জনোৱামতে নগাঁও জিলাৰ কামপুৰত বিগত কেইবাদিনো ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ পিছত মধ্য অসমত ত্ৰাসৰ সৃষ্টি কৰিছে পাহাৰীয়া নৈ বৰপানী আৰু কপিলী নৈয়ে। দুয়োখন নৈয়ে কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কামপুৰ, কঠীয়াতলী, গৰুবাট আৰু জৰবাৰী মৌজাৰ অধিকাংশ গাঁৱতে সংহাৰ সৃষ্টি কৰে। আনফালে আজিৰে পৰা কপিলীৰ আন এখন উপনৈ নিশাৰীও ফেনেফোটোকাৰে বাঢ়ি আহাত তেঁতেলীসৰা, কঠীয়াতলী, জুমৰমুৰ পঞ্চায়তৰ বহু গাঁৱৰ কৃষিভূমিকে ধৰি ঘৰ-পথ আদিৰ ব্যাপক ক্ষতিসাধন হোৱাৰ সম্ভৱনাই দেখা দিছে। বছৰৰ প্ৰথমটো বানত মধ্য অসমৰ শতাধিক ৰাজহ গাঁও বানৰ কবলত পৰিছে। উল্লেখ্য যে বছৰৰ প্ৰথমটো বানত কামপুৰ ৰাজহ চক্ৰৰ ৭৬ খন আৰু ৰহা ৰাজহ চক্ৰৰ ২০ ৰাজহ গাওঁ বৰ্তমান বানৰ কবলত পৰা বুলি জনা গৈছে। এই গাঁওবোৰৰ বানাক্ৰান্তই ওখ ঠাই, বিদ্যালয় ৰাজহুৱা স্থানত আশ্ৰয়ৰ লৈছে। বান শিবিৰত উপস্থিত হৈ সকলো সুবিধা কৰাৰ আশ্বাস প্ৰদান কৰিছে ৰহা ৰাজহ চক্ৰ বিষয়া সুপ্ৰভা ৰায়ৰ লগতে ৰহাৰ বিধায়ক শশীকান্ত দাসে। নগাঁও জিলাৰ কামপুৰত কপিলীৰ জলপৃষ্ঠ কমিবলৈ ধৰাৰ বিপৰীতে বৰ্তমানেও কামপুৰৰ বহু ঠাইত বান পৰিস্থিতি অপৰিবৰ্তিত হৈ আছে। কপিলীৰ বাঢ়নী পানীয়ে নামনিৰ ন ন অঞ্চল প্লাৱিত কৰি ৰাইজৰ মাজত হাহাকাৰৰ সৃষ্টি কৰিছে। কামপুৰ বকুলগুৰি, পদুমণি, কুন্তিৰ ডুবি, ধেমাজি গাঁও, বাহাকাবাৰী, কুঁৰৰীআটী, আদৰ্শ গাঁৱকে ধৰি বহুকেইখন গাঁও বৰ্তমান পানীৰ তলত। কামপুৰৰ ৰহা ৰাজহ চক্ৰৰ অন্তৰ্গত বাহাকাবাৰী আদৰ্শ গাঁৱৰ একাংশ লোকে মথাউৰিৰ ওপৰতে আশ্ৰয় শিবিৰ পাতি দিন কটাবলগীয়া হৈছে। এই বানাক্ৰান্ত অঞ্চলকেইটাত খাদ্য আৰু খোৱাপানীৰ অভাৱ হোৱা বুলি জানিব পৰা গৈছে। বৰ্তমানলৈকে কামপুৰ ৰাজহ চক্ৰৰ ৭৬ খন ৰাজহ গাঁও বানৰ কবলত পৰিছে। ইফালে আজিও কামপুৰ-যমুনামুখ আৰু কামপুৰ-চাংচকী-তুমপ্ৰং গড়কাপ্তানী পথৰ যোগাযোগ ব্যৱস্থা ব্যাহত হৈ আছে। আনহাতে আজি ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে কেইবাটাও বানাক্ৰান্ত অঞ্চল আৰু শিবিৰ পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ লগতে জিলা প্ৰশাসনৰ তৰফৰ পৰা সকলো সাহায্য প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সেনা শিবিৰত পাহাৰ খহি ৩ জনৰ মৃত্যু

দুৰ্যোগত ইতিমধ্যে প্ৰাণহানি হৈছে ডজনৰো অধিক লোকৰ। অবিৰত বৰষুণৰ ফলত হোৱা ভূমিস্খলনে এইবাৰ প্ৰাণ ল'লে সেনা জোৱানৰ। ছিকিমৰ এটা সেনা শিবিৰত সংঘটিত ভূমিস্খলনত ৩ সেনা জোৱানৰ মৃত্যু হোৱাৰ বিপৰীতে ৬ জন এতিয়াও সন্ধানহীন হৈ আছে। প্ৰতিৰক্ষা বিষয়াই জনোৱা মতে, দেওবাৰে সন্ধিয়া ৭ বজাত মংগন জিলাৰ লাচেন চহৰৰ সমীপৰ চাটান অঞ্চলৰ এটা সামৰিক শিবিৰত সংঘটিত হয় ভূমিস্খলনৰ ঘটনা। প্ৰচণ্ড আৰু অবিৰত বৰষুণৰ ফলত এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। প্ৰতিৰক্ষা বিভাগে এক বিবৃতিত নিহত জোৱান কেইজনৰ পৰিচয় নিশ্চিত কৰে। নিহতসকল হ'ল হাবিলদাৰ লখৱিন্দৰ সিং, লেন্স নায়ক মুনিছ ঠাকুৰ আৰু প'ৰ্টাৰ অভিষেক লখাদা। ইতিমধ্যে উদ্ধাৰ কৰা হৈছে তিনিওজন সেনা জোৱানৰ মৃতদেহ। তদুপৰি সমান্য আঘাতপ্ৰাপ্ত আন চাৰিজন জোৱানকো উদ্ধাৰ কৰা হৈছে। ঘটনাৰ পিছত সন্ধানহীন হৈ থকা এগৰাকী লেফটেনেণ্ট কৰ্নেল, তেওঁৰ পত্নী, সন্তান আৰু আনসকলৰ উদ্ধাৰৰ বাবে অভিযান অব্যাহত ৰখা হৈছে। বিষয়াসকলে জানিবলৈ দিয়া মতে, প্ৰতিকূল পৰিস্থিতি আৰু নতুন নতুন ভূমিস্খলনৰ বাবে উদ্ধাৰ অভিযানত ব্যাঘাত জন্মিছে। ভাৰতীয় সেনাই মৃত জোৱানসকলৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে সকলো ধৰণৰ সহায়ৰ আশ্বাস দিয়ে। মন কৰিবলগীয়া যে যোৱা কেইদিনমানৰ পৰা উত্তৰ-পূব ভাৰতত ধাৰাসাৰ বৰষুণ সংঘটিত হৈ আহিছে। ফলত অসম, মণিপুৰ, অৰুণাচল প্ৰদেশ, মেঘালয়কে ধৰি বিভিন্ন ৰাজ্যত বান আৰু ভূমিস্খলনত কমেও ৩৪ জন লোকৰ মৃত্যু হৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
UniqueBorah.Com
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
88764 90887
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নগাঁও-গুৱাহাটীত আঁতৰালে কংগ্ৰেছৰ

কলিয়াবৰ হৈ নগাঁৱত প্ৰৱেশ কৰিছে। আজি নগাঁৱৰ পৰা গৌৰৱ গগৈয়ে জাগীৰোড হৈ গুৱাহাটীত প্ৰৱেশ কৰিছে। কাইলৈ অৰ্থাৎ ৩ জুনত গৌৰৱ গগৈয়ে দিছপুৰ লাষ্টগেটস্থিত মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সত সভাপতি হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিব। কংগ্ৰেছ নেতা-কৰ্মীসকলে গৌৰৱ গগৈয়ে ভ্ৰমণ কৰিবলগীয়া পথছোৱাত গৌৰৱ গগৈক আদৰিবলৈ হ'ৰ্ডিং, বেনাৰ, পোষ্টাৰ আদি লগাইছিল। ব্যতিক্ৰম নাছিল নগাঁও চহৰ আৰু গুৱাহাটী চহৰ। আজি গৌৰৱ গগৈয়ে যাত্ৰা প্ৰথমে আৰম্ভ কৰিছিল নগাঁৱৰ পৰা। যাৰ বাবে দুদিন পূৰ্বৰে পৰা নগাঁৱৰ কংগ্ৰেছ নেতা-কৰ্মীয়ে বেনাৰ-হ'ৰ্ডিং আদি লগাইছিল। কিন্তু সকলোকে আচৰিত কৰি নগাঁও জিলাত একাংশ বেনাৰ-পোষ্টাৰ ফালি পেলোৱা হয়। নগাঁও তিনিআলি, চাৰিআলি আদিত কংগ্ৰেছ কৰ্মীয়ে আঁৰি দিছিল গৌৰৱ গগৈ ছবিসম্বলিত বেনাৰ। কিন্তু আজি পুৱা নগাঁও পৌৰসভাৰ কৰ্মচাৰীয়ে সকলো বেনাৰ ফালি লৈ যায়। আনহাতে বাকী বেনাৰ-পোষ্টাৰ আঁতৰাই নিয়ে নগাঁও পৌৰসভাই। কালি নিশাৰে পৰা নগাঁও পৌৰসভাৰ কৰ্মচাৰীয়ে পথৰ দাঁতিত লগোৱা বেনাৰ-পোষ্টাৰ খুলি গাড়ীত বোজাই কৰি লৈ যায়। যাক লৈ নগাঁও চহৰত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। নগাঁও জিলাৰ কেইবাজনো কংগ্ৰেছ কৰ্মীয়ে বিজেপিৰ এনে কাণ্ডক তীব্ৰ সমালোচনা কৰে। বিজেপিয়ে গৌৰৱ গগৈৰ আগমনক ভয় কৰি এনেদৰে বেনাৰ আঁতৰাই নিয়াৰ অভিযোগ আনিছে। সমান্তৰালভাৱে গুৱাহাটী মহানগৰীত গৌৰৱ গগৈক আদৰিবলৈ কংগ্ৰেছৰ সমৰ্থকসকলে বেনাৰ-পোষ্টাৰ আঁৰিছিল। গুৱাহাটীতো পৌৰ নিগমে বেনাৰ-পোষ্টাৰ আঁতৰায়। গুৱাহাটী পৌৰ নিগমে বেনাৰসমূহ খুলি সেইসমূহ গাড়ীত তুলি নিয়ে। আজিৰ পূৰ্বে কেতিয়াও গুৱাহাটীত এনেদৰে ৰাজনৈতিক দলৰ বেনাৰ-পোষ্টাৰ আঁতৰোৱা হোৱা নাছিল। কিন্তু প্ৰথমবাৰ গৌৰৱ গগৈক আদৰিবলৈ গুৱাহাটীত লগোৱা বেনাৰ-হ'ৰ্ডিং আঁতৰাই পেলোৱা হয়। পৌৰ নিগমৰ এনে সিদ্ধান্তত কংগ্ৰেছে তীব্ৰ ক্ষোভ ব্যক্ত কৰিছে। গৌৰৱ গগৈৰ জনপ্ৰিয়তা দেখি শংকিত বিজেপিয়ে এতিয়া গৌৰৱ গগৈৰ বেনাৰ-পোষ্টাৰখনো চাব খোজা নাই বুলি বিভিন্নজনে সমালোচনা কৰিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সাংগঠনিক সম্পাদক বিপুল গগৈৰ পৰা জানিব পৰা মতে, এনে হ'ৰ্ডিং-বেনাৰ-পোষ্টাৰ আঁৰিবলৈ অনুমতি বিচৰা হৈছিল। ২৯ মে'ত গুৱাহাটী পৌৰ নিগমৰ আয়ুক্তলৈ পত্ৰ প্ৰেৰণ কৰিছিল। পত্ৰখনত স্পষ্টকৈ কোৱা হৈছে যে গুৱাহাটীৰ মুঠ ৮ টা স্থানত কংগ্ৰেছৰ ফ্লেগ, হ'ৰ্ডিং আৰু বেনাৰ আঁৰিবলৈ অনুমতি বিচৰা হৈছিল। খানাপাৰা-ছয়মাইল, ছয়মাইল সেতু, ডাউন-টাউন, অজন্তা পথৰ পৰা মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সলৈ, লাষ্টগেট সেতু, গণেশগুৰি সেতু, গণেশগুৰিৰ পৰা ৰাজীৱ ভৱনলৈ বেনাৰ-পোষ্টাৰ লগাবলৈ অনুমতি বিচৰা হৈছিল। কংগ্ৰেছে বেনাৰ-পোষ্টাৰ লগোৱাৰ নামত দিবলগীয়া ৰাজহ দিম বুলিও কৈছিল। তাৰ পিছতো লগোৱা বেনাৰ-পোষ্টাৰ খুলি পেলোৱা হৈছে। বেনাৰ-হ'ৰ্ডিং খুলি নিয়াত কংগ্ৰেছ নেতা মৃণাল হাজৰিকাই সামাজিক মাধ্যমত এটা ভিডিঅ' শ্বেয়াৰ কৰি তীব্ৰ গৰিহণা দিছে। গৌৰৱ গগৈৰ বেনাৰ খুলি নিয়া সন্দৰ্ভত নগাঁও পৌৰসভাই অজ্ঞতা প্ৰকাশ কৰিলেও এয়া ওপৰৱালাৰ নিৰ্দেশত সংঘটিত হৈছে। পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই বিষয়টোক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাত স্পষ্টীকৰণ দিবলৈ বাধ্য হৈছে। তেওঁ কয় যে বেনাৰ-পোষ্টাৰসমূহ অনুমতি লৈ লগোৱা নাছিল। সেয়ে খুলি দিয়া হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কইনাধৰাত হিমন্ত-কনৰাডৰ বৈঠক সম্পন্ন

অসম আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী পৰ্যায়ত গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। মুখ্যতঃ এই বৈঠকত অসম-মেঘালয়ৰ সীমা বিবাদক লৈ অনুষ্ঠিত হৈছিল গুৱাহাটীৰ বান সমস্যাক লৈও আলোচনা কৰা হয়। বৈঠকত দুয়োখন সীমামূৰীয়া ৰাজ্যৰ সীমান্তৱৰ্তী যি কেইটা ঠাইক লৈ সীমা বিবাদ হৈ আহিছে তাৰ নিস্পত্তিৰ বাবে আলোচনা কৰা হয়। দুয়ো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু কনৰাড চাংমাৰ লগতে দুয়ো ৰাজ্যৰ উচ্চপদস্থ বিষয়াৰ উপস্থিতিত হোৱা আলোচনাৰ অন্তত দুয়ো ৰাজ্যৰ বিবাদিত ৬ টা স্থানৰ বিবাদ পূৰ্বে নিস্পত্তি হোৱা বুলি সিদ্ধান্ত লোৱা বুলি জানিব পৰা যায়। বশিষ্ঠৰ পৰা কিছু নিলগৰ পিলিংকাটা এলেকাটোত বুজাবুজিত সমস্যাৰ সৃষ্টি হোৱাত এই সীমা পিছত ঠিক কৰা হ'ব বুলি জানিব পৰা গৈছে। কুলশ্ৰীত জলবিদ্যুৎ প্ৰকল্প, কামৰূপ আৰু গোৱালপাৰাত জলসিঞ্চনৰ ব্যৱস্থা কৰাৰ বিষয়ে আলোচনা কৰে। মেঘালয়ৰ পাহাৰৰ পানীয়ে অসমত সৃষ্টি কৰা কৃত্ৰিম বানৰ বিষয়টোক গুৰুত্ব দিয়া বুলি জানিব পৰা যায়। খানাপাৰা, বৰাগাঁও, পাঞ্জাবাৰী, ছয়মাইলত মেঘালয়ৰ পানীয়ে কৃত্ৰিম বানৰ সৃষ্টি কৰাৰ তথ্য মেঘালয়ৰ মুখ্যমন্ত্ৰীক অসমৰ মুখ্যমন্ত্ৰী আৰু বিষয়াসকলে অৱগত কৰে। আলোচনাত অসমৰ পক্ষই মেঘালয় পাহাৰসমূহৰ পৰা পানী গুৱাহাটী অভিমুখে যাতে বৈ আহিব নোৱাৰে তাৰ ব্যৱস্থা কৰিব পাৰি নেকি তাক লৈ আলোচনা কৰে। প্ৰয়োজনত ছেটেলাইটৰ জৰিয়তে নিৰীক্ষণ আৰু আইআইটিৰ বিশেষজ্ঞৰ পৰামৰ্শ ল'বলৈ সন্মত হয় দুয়োপক্ষ। গুৱাহাটীত শেহতীয়াকৈ কৃত্ৰিম বানৰ ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হৈ আহিছে। গুৱাহাটীৰ কৃত্ৰিম বানৰ বাবে অসম চৰকাৰৰ মুৰব্বী খোদ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মেঘালয়ক দোষাৰোপ কৰি আহিছে। লগতে গুৱাহাটী মহানগৰ উন্নয়ন দপ্তৰৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই বাৰে বাৰে মেঘালয়ৰ পানীৰ বাবে গুৱাহাটীত বানপানী হোৱা বুলি দাবী কৰি আহিছে। ইয়াৰ পূৰ্বেও গুৱাহাটী তথা যোৰাবাটৰ কৃত্ৰিম বানৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ইউএছটিএম নামৰ শিক্ষা প্ৰতিষ্ঠানখনক জগৰীয়া কৰিছিল। মুখ্যমন্ত্ৰীয়ে প্ৰায় ছমাহ ধৰি যেতিয়াই গুৱাহাটীত পানী হয় তেতিয়াই ইউএছটিএমৰ নাম লৈছিল। আনকি তেনে সময়তে ইএছটিএমৰ মালিক মহবুবুল হকে এক গোচৰত জে'ল যাবলগীয়া হৈছিল। কিন্তু আজিৰ এই বৈঠকত মুখ্যমন্ত্ৰীয়ে ইউএছটিএমৰ কথা আলোচনা কৰিছে নে নাই জানিব পৰা নাযায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উদ্ধাৰ হ'ল স্বামীৰ মৃতদেহ, নিখোজ পত্নী

থকাৰ কেইবাদিনৰ অন্তত স্বামীৰ মৃতদেহ উদ্ধাৰ হৈছে। বিবাহপাশত আবদ্ধ হৈ জীৱনৰ নতুন যাত্ৰা আৰম্ভ কৰিবলৈ পত্নীক লৈ শ্বিলঙলৈ অহা ৰাজা ৰঘুবংশীৰ মৃতদেহ উদ্ধাৰ হৈছে। শ্বিলঙৰ গভীৰ হ্ৰদৰ পৰা ৰাজা ৰঘুবংশীৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। তেওঁৰ পত্নী ছোনামৰ সন্ধানৰ বাবে অভিযান অব্যাহত আছে। এই ঘটনাই সমগ্ৰ শ্বিলঙক জোকাৰি গৈছে। ২০ মে'ত মনোমোহা পাহাৰৰ দেশ মেঘালয়লৈ মধুচন্দ্ৰিকাৰ উদ্দেশ্যে আহিছিল ইন্দোৰৰ দম্পতী ৰাজা ৰঘুবংশী আৰু পত্নী ছোনাম। মধুচন্দ্ৰিকাত থকাৰ সময়তে নৱবিবাহিত দম্পতীটো ২৩ মে'ত নিখোজ হয়। মেঘালয়ৰ পূব খাচী পাহাৰ জিলাত মধুচন্দ্ৰিকাৰ সময়তে নিখোজ হয়। ফলত মেঘালয় আৰক্ষীয়ে উদ্ধাৰ অভিযান আৰম্ভ কৰিছিল। কিন্তু আৰক্ষীয়ে কোনো শুংসূত্ৰ উদ্ধাৰ কৰিব নোৱাৰিলে। কিন্তু ৯ দিনৰ মূৰকত ৰাজা ৰঘুবংশীৰ মৃতদেহ উদ্ধাৰ হয়। জানিব পৰা মতে, পত্নী ছোনামৰ সৈতে ৰাজা ৰঘুবংশীয়ে শ্বিলঙৰ কেটিং ৰোডৰ পৰা স্কুটাৰ ভাৰাত লৈ চেৰাপুঞ্জীলৈ যাত্ৰা কৰিছিল। ৰাজধানী চহৰ শ্বিলঙৰ পৰা প্ৰায় ৬০ কিঃমিঃ দূৰৰ জনপ্ৰিয় পৰ্যটন স্থান চেৰাপুঞ্জীলৈ গৈ নিৰুদ্দেশ হয়। পিছদিনা ভাৰাত লোৱা স্কুটাৰখন সোচৰাৰিম গাঁৱত উদ্ধাৰ হয়। ৰাজা ৰঘুবংশী পেচাত পৰিবহণ ব্যৱসায়ী। ১১ মে'ত বিবাহবন্ধনত আবদ্ধ হৈ ২০ মে'ত মধুচন্দ্ৰিকাৰ বাবে শ্বিলঙলৈ আহিছিল। যাত্ৰাৰ আৰম্ভণিত তেওঁলোকে গুৱাহাটীৰ মা কামাখ্যা মন্দিৰ দৰ্শন কৰি শ্বিলঙলৈ গৈছিল। এই ঘটনাৰ কথা ৰাষ্ট্ৰীয় সংবাদ মাধমত প্ৰচাৰ হৈছে। এই ঘটনাৰ দ্বাৰা মেঘালয়তে নহয় উঃ-পূবত প্ৰভাৱ পৰিব পাৰে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘নীপকো’ৰে সমন্বয় গঢ়াত ব্যৰ্থ চৰকাৰ

অধীনত পৰিচালিত এইবোৰ সংস্থাই অসমৰ প্ৰাকৃতিক সম্পদৰ পৰা কেৱল লাভালাভ বিচাৰি কাম কৰিছিল। নদীসমূহত বান্ধ বান্ধি শক্তি উৎপাদন কৰি বৃহৎ ব্যৱসায় কৰিছে। ধন আৰ্জি দিল্লীক সুখী কৰা এনএইচপিচি, নীপকো আদি অসমীয়া মানুহৰ প্ৰতি কেতিয়াও দায়বদ্ধ নহয়। বাৰে বাৰে নীপকোৱে ৰঙানদী বান্ধৰ পানী এৰি বৃহৎ এলেকা ধ্বংস কৰি আহিছে। নিশাৰ ভিতৰতে হাজাৰ লোক গৃহহাৰা হোৱাই নহয় গোটেই জীৱনজুৰি অৰ্জন কৰা ধন-সম্পত্তি নদীত উটি যায়। এইবাৰো নীপকো ব্যতিক্ৰম নাছিল। অসমীয়া মানুহৰ জীৱন-সম্পত্তিৰ কথাক গৌণ কৰি পানী এৰি দিয়াত জলপ্ৰলয় হয়। তিনিদিন পূৰ্বে নীপকোৱে নিশা ৩ বজাত মানুহ শুই থকা অৱস্থাত ৰঙানদীৰ বান্ধৰ গেটেৰে পানী এৰাত জলপ্ৰলয়ৰ সৃষ্টি হয়। কেইবাশ পৰিয়ালৰ ঘৰ-দুৱাৰ হঠাতে এৰা পানীৰ ধলে উটুৱাই নিয়াত আজি মথাউৰিত তম্বুৰ তলত বসবাস কৰিবলগীয়া হৈছিল। অবৰ্ণনীয় পৰিৱেশৰ সৃষ্টি হোৱাত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। পূৰ্বে জৰুৰী অৱস্থা ঘোষণা নকৰাকৈ পানী এৰি দিয়াত ৰঙানদী আৰু নাওবৈচা বিধানসভা সমষ্টিৰ ২৪৩ খন গাঁও পানীত বুৰ যায়। ২৪ হাজাৰ ৩৩০ টা পৰিয়াল বানত ক্ষতিগ্ৰস্ত হোৱাৰ লগতে বানে উটুৱাই নিয়ে ঘৰৰ সা-সামগ্ৰী। নীপকোৰ এনে অমানৱীয় কাণ্ডৰ বিৰুদ্ধে ক্ষোভ উজাৰি বানপীড়িতই চকুলো টুকিছে। মানুহৰ আৰ্তনাদৰ মাজতে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই লখিমপুৰ জিলা ভ্ৰমণ কৰে। ভ্ৰমণকালত মুখ্যমন্ত্ৰীয়ে এনএইচপিচি তথা নীপকোৰ বিষয়ববীয়াক মুখামুখিকৈ বহুৱাই লৈ জবাবদিহি কৰে। মুখ্যমন্ত্ৰীয়ে জবাবদিহি কৰি থকাৰ সময়ত স্থানীয় বিধায়ক মানৱ ডেকাই চাহৰ কাপত মুখ লগাই চাহৰ সোৱাদ লৈ আছিল। কিন্তু বিষয়াৰে হোৱা এই আলোচনাকালত এটা কথা স্পষ্ট যে নীপকো আৰু এনএইচপিচিৰ সৈতে কোনো সমন্বয় নাই। পানীৰ এৰি দিয়াৰ সময়ত স্থানীয় প্ৰশাসনক অৱগত কৰা নাছিল। ইপিনে নীপকোৱে ৩০ মে’ৰ নিশা যেতিয়া পানী এৰিছিল ৩১ মে’ৰ পুৱা এটা ৰাজনৈতিক দলৰ প্ৰাৰ্থিত্বপ্ৰত্যাশীৰ ঘনিষ্ঠ যুৱকেহে উদ্ধাৰ অভিযান তথা মানুহক সহায় কৰিবলৈ আগবাঢ়ি আহিছিল। বিপৰীতে দিনৰ প্ৰায় ১১ বজালৈ লখিমপুৰ প্ৰশাসনৰ তৎপৰতা শূন্য আছিল। মুখ্যমন্ত্ৰীৰ সৈতে জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্ত, শিক্ষা মন্ত্ৰী ৰণোজ পেগু, স্থানীয় বিধায়ক মানৱ ডেকাৰ সৈতে মুখ্যমন্ত্ৰীয়ে পৰিস্থিতি নিৰীক্ষণ কৰে। বান প্ৰভাৱিত অঞ্চল পৰিদৰ্শনৰ অন্তত নীপকোৰ ভূমিকা সন্দৰ্ভত কঠোৰ প্ৰশ্ন তোলে। নীপকোৱে সমন্বয় আৰু প্ৰট’কল মানি চলাত ত্ৰুটি ধৰা পৰে। মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ সৈতে মুখামুখি হৈ বানত যিসকলৰ ক্ষতি হৈছে, সকলোকে ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা নিশ্চিতকৈ কৰিম বুলি কয় মুখ্যমন্ত্ৰীয়ে। খিলঞ্জীয়া থলুৱা মানুহৰ বেদনা আমি মৰ্মে মৰ্মে উপলব্ধি কৰিছোঁ বুলিও কয়। আজি মুখ্যমন্ত্ৰীয়ে মানুহৰ অৱস্থা প্ৰত্যক্ষ কৰি ৰাষ্ট্ৰীয় জলবিদ্যুৎ শক্তি নিগম চমুকৈ এনএইচপিচি কৰ্তৃপক্ষক মুখামুখিকৈ বহুৱাই লয়। মুখ্যমন্ত্ৰীয়ে এটাৰ পিছত আনটো প্ৰশ্ন কৰি থকা-সৰকা কৰে। মুখ্যমন্ত্ৰীয়ে পানী এৰি দিয়াৰ ৪-৫ ঘণ্টা পূৰ্বে জিলা আয়ুক্তক জনোৱা নাছিল বুলি মুখ্যমন্ত্ৰীয়ে প্ৰশ্ন কৰে? পানীৰ ধল অহাৰ উমান পোৱাত সতৰ্কবাণী দিব লাগিছিল, গ্ৰুপত এটা মেছেজ দিয়েই আপোনালোক ৰৈ থাকিলে আৰু দায়িত্ব সামৰিলে নহ’ব। ভৱিষ্যতে পানী এৰি দিয়াৰ পূৰ্বে সতৰ্ক কৰিবলৈ কৈ নীপকোক সকীয়নি দিয়ে মুখ্যমন্ত্ৰীয়ে। মুখামুখি বৈঠকত নীপকোৰ বিষয়াই জনোৱা অনুসৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ওলোটাই প্ৰশ্ন কৰি কয় যে আপোনালোকে ৩০ মে’ৰ ৰাতি ১.৪০ বজাত পানী মুকলি কৰিলে, কিন্তু ২৯ মে’ৰ সন্ধিয়া ৭.৩৮ বজাতেই বৰষুণক লৈ সতৰ্কতা জাৰি কৰা হৈছিল। তেতিয়া আগেয়ে ব্যৱস্থা কিয় গ্ৰহণ কৰা নহ’ল? বৰষুণ আহি থকাৰ কথা যদি অৱগত হৈ আছিল, তেন্তে নিয়ন্ত্ৰিত ৰূপত পানী মুকলি কৰাৰ প্ৰচেষ্টা কৰা নহ’ল কিয়? নীপকোৰ বিষয়াসকলে উত্তৰ দি কয় যে ৩০ মে’ৰ সন্ধিয়া ৬ বজাৰ পৰা পানী পৰ্যায়ক্ৰমে তীব্ৰ গতিত বৃদ্ধি হৈছিল। য’ত স্তৰ ১,৬৭২ মিটাৰ। কিন্তু মুখ্যমন্ত্ৰীয়ে এই উত্তৰ হজম কৰিব পৰা নাছিল। মুখ্যমন্ত্ৰীয়ে কৈছিল যে এইটো ত্ৰুটিপূৰ্ণ বিচাৰ। কিন্তু সমন্বয়ৰ অভাৱ স্পষ্ট আছিল। আপোনালোকৰ হাতত ৪-৫ ঘণ্টা সময় আছিল। অতি কমেও জিলা আয়ুক্তক সুধিবলৈ ফোন কৰিব লাগিছিল। কেৱল হোৱাটছএপ মেছেজে কাম নকৰে। মুখ্যমন্ত্ৰীয়ে এনএইচপিচিৰ বিষয়াক বুজনি দি কয় যে এই ধৰণৰ গম্ভীৰ অৱস্থাত ৰঙানদী জলবিদ্যুৎ প্ৰকল্পত থকা কোনো এজন বিষয়া, মেনেজাৰ, সহকাৰী মেনেজাৰ, এম ডি বা বিভাগৰ বিষয়াই জিলা আয়ুক্তক অৱগত কৰিব লাগিছিল। লগতে তেওঁ কয় যে বৰষুণৰ সৈতে তাল মিলাই পানী পূৰ্বৰে পৰা অলপ অলপকৈ মুকলি কৰিব লাগিছিল। আজি এনেদৰে নীপকোৰ বিষয়া-কৰ্মচাৰীক বুজনি দিয়ে মুখ্যমন্ত্ৰীয়ে। বৈঠকৰ অন্তত সংবাদ মাধ্যমক মুখ্যমন্ত্ৰীয়ে কয় যে আমি সমগ্ৰ ঘটনাৰ সঠিক তদন্ত কৰিম। নীপকোৰ দ্বাৰা দায়িত্বহীনতা দেখিলে সঠিক ৰূপত বুজাব লাগিব। ভৱিষ্যতে পানী মুকলি কৰাৰ ক্ষেত্ৰত নিৰ্ধাৰিত মানক প্ৰক্ৰিয়া কঠোৰভাৱে মানি চলিব লাগিব। নীপকোৱে ৰঙানদী জলবিদ্যুৎ প্ৰকল্পপৰ গেটেৰে ৩০ মে’ৰ নিশা ৩ বজাত পানী এৰাত জলপ্ৰলয়ৰ সৃষ্টি হয়। লখিমপুৰৰ দুজন লোকৰ প্ৰাণ যায় আৰু ২৪৩ খনতকৈও অধিক গাঁও প্ৰভাৱিত হয়। ৰাতি কেইবা শ লোকে নিজৰ ঘৰ আৰু সঞ্চিত খাদ্য-সামগ্ৰী এৰি প্ৰাণ লৈ পলায়ন কৰিছিল। কেইবাটাও মথাউৰি ভাঙি যায়। ক্ষতিগ্ৰস্ত অঞ্চল আমতোলাত বৃহৎ বান্ধ ছিঙি যায়। বান্ধসমূহ জৰুৰীভাৱে মেৰামতিৰ কাম আৰম্ভ হ’ব। বৰষুণৰ পিছত ছেপ্টেম্বৰ মাহত স্থায়ী নিৰ্মাণ কাৰ্য কৰা হ’ব। চৰকাৰ সম্পূৰ্ণ ৰূপত ক্ষতিগ্ৰস্ত ৰাইজৰ সৈতে আছে। সকলো প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ আশ্বাস দিয়ে মুখ্যমন্ত্ৰীয়ে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য মতে, ৰাজ্যৰ ১৭ জিলাৰ ৫৪টা ৰাজহ চক্ৰত ৭৫০ খন গাঁও বানৰ কবলত পৰিছে। প্ৰভাৱিত হৈছে ৩ লাখ ৬৫ হাজাৰ লোক। ৰাজ্য প্ৰশাসনে ৫২টা আশ্ৰয় শিবিৰ স্থাপন কৰিছে। ১০৩ টা বিতৰণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ১০ হাজাৰতকৈ অধিক গৃহহাৰাই আশ্ৰয় লোৱাৰ লগতে ভাত, দাইল, নিমখ, তেল আৰু গৰুৰ খাদ্য আদি অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰা হৈছে। বানৰ কবলত পৰিছে ৪ হাজাৰ হেক্টৰ শস্যভূমি। লখিমপুৰ জিলা বানত বেছিকৈ ক্ষতিগ্ৰস্ত হৈছে। ডিব্ৰুগড়, হাইলাকান্দি, হোজাই, কামৰূপ, ধেমাজি, নগাঁও, শ্ৰীভূমি, দৰং, কাৰ্বি আংলং, শোণিতপুৰ, ডিমা হাছাও, বিশ্বনাথ, কাছাৰ, শিৱসাগৰ, মাজুলী, গোলাঘাট, তিনিচুকীয়া আৰু পশ্চিম কাৰ্বিআংলং বানৰ প্ৰভাৱ পৰিছে। জিলা কেইখনৰ বহু লোকে খাদ্য-পানীৰ সমস্যাত ককবকাইছে। জিলাসমূহত কেইবা শ লোক আশ্ৰয় শিবিৰত আছে। শ্ৰীভূমি জিলাত সৰ্বাধিক ১৪৮ খন গাঁও বানৰ কবলত পৰিছে। কাছাৰ জিলাৰ ৮৯ খন গাঁও, নগাঁও জিলাৰ ৯৩ খন গাঁও আৰু লখিমপুৰ জিলাৰ ১০১ খন গাঁও বানৰ কবলত পৰিছে। বানৰ বাবে দুদিনৰ বাবে কাছাৰ জিলাৰ শিক্ষানুষ্ঠানসমূহ বন্ধ ঘোষণা কৰিছে। কাছাৰ জিলাত তিনিটা, হাইলাকান্দিত দুটা আৰু ডিমা হাছাও, শ্ৰীভূমিত ক্ৰমে এটাকৈ ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছে। ভূমিস্খলনত কাছাৰ জিলাত পাঁচখন, ডিমা হাচাওত দুখন, হাইলাকান্দিত দুখন আৰু শ্ৰীভূমিত পাঁচখন মুঠ ১৪ খন গাঁও ক্ষতিগ্ৰস্ত হৈছে। ভূমিস্খলনত ১২৭ পুৰুষ, ৯১ মহিলা আৰু ১০০ শিশুসহ মুঠ ৩১৮ লোক ক্ষতিগ্ৰস্ত হৈছে। ডিমা হাচাও আৰু শ্ৰীভূমি জিলাত ভূমিস্খলনে মানুহৰ জীৱন বিপৰ্যস্ত কৰিছে। শ্ৰীভূমি আৰু কাছাৰত বানত এজন এজনকৈ দুজনে প্ৰাণ হেৰুৱাইছে। এই বছৰৰ প্ৰথমটো বানত এতিয়ালৈ ৫গৰাকী লোকে প্ৰাণ হেৰুৱাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# স্বগৃহলৈ আহিল বিদেশীৰ সন্দেহত

বাংলাদেশ সীমান্তৰ ন' মেনছ লেণ্ডত এৰি থৈ আহিছিল ইণ্ডিয়ান বি এছ এফে। লাহৰীঘাটৰ গুলজাৰ হুছেইনৰ লগতে মুঠ ১৪ জনক ভাৰত-বাংলাদেশ সীমান্তৰ ন' মেনছ লেণ্ডত এৰি থৈ আহিছিল। পৰৱৰ্তী সময়ত অসম চৰকাৰৰ আৰক্ষী বিভাগে বিতাড়িতসকলক স্বদেশলৈ ওভতাই আনিবলৈ বাধ্য হৈছিল। তাৰে ভিতৰত লাহৰীঘাটৰ বৰবৰী গাঁৱৰ গুলজাৰ হুছেইনো আজি নিজ গৃহত উপস্থিত হয়। গুলজাৰ হুছেইন স্বগৃহত উপস্থিত হোৱাৰ খবৰ লাভ কৰি লগতে প্ৰকৃত ভাৰতীয় নাগৰিকক বিদেশীৰ নামত হাৰাশাস্তি নকৰিবলৈ চৰকাৰ, প্ৰশাসনক আহ্বান জনায়। বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়া গুলজাৰ হুছেইনৰ গৃহত উপস্থিত হৈ ঘটনাৰ বুজ লোৱাৰ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নগাঁও-জাগীৰোড হৈ গুৱাহাটীত গৌৰৱ,

আৰম্ভ হৈছিল। যোৰহাট, শিৱসাগৰ, গোলাঘাট, নগাঁও হৈ আজি গৌৰৱ গগৈ গুৱাহাটীত উপস্থিত হৈছে। গৌৰৱ গগৈয়ে আজি নিশা গুৱাহাটীৰ মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সত উপস্থিত হয়। ওৰে ৰাস্তাত গৌৰৱ গগৈক হাজাৰ হাজাৰ লোকে আদৰণি জনাইছে। যোৰহাটৰ পৰা মানুহৰ আশিস লৈ আৰম্ভ কৰা যাত্ৰাৰ অন্তত আজি গুৱাহাটীত পায়। আজি পুৱাৰ ভাগতে গৌৰৱক নেতা-কৰ্মী তথা ৰাইজে উম্ম আদৰণি জনায়। গুৰুজনাৰ ওপজাভূমি বটদ্ৰৱাৰ শ্ৰীশ্ৰী বটদ্ৰৱা থানত উপস্থিত হোৱাত গায়ন-বায়নেৰে প্ৰৱেশদ্বাৰত আদৰি জনায়। কীৰ্তনঘৰত সেৱা লয়। থানত আশিস লৈ গৌৰৱ গগৈয়ে কয় যে আমি অসমীয়া মানুহে সদায়েই আমাৰ গুৰুজনাই দেখুৱাই যোৱা সম্প্ৰীতি, সমন্বয় আৰু একতাৰ বাণীৰে আগুৱাই যাম। লগতে নগাঁৰৰ হনুমান মন্দিৰত সেৱা লয়। বটদ্ৰৱাৰ পৰা নগাঁও চহৰ অভিমুখে আহি থকাৰ সময়ত হয়বৰগাঁও পুৰণা এটি ৰোডৰ হনুমান মন্দিৰত সেৱা লয়। সেই সময়ত সহস্ৰাধিক কংগ্ৰেছ নেতা-কৰ্মী, ৰাইজে বিপুল আদৰণি জনায়। মৰিগাঁও জিলাত উপস্থিত হোৱাৰ সময়ত জাগীৰোডত ৰাইজে উম্ম আদৰণি জনায়। মৰিগাঁৰত গোভা ৰজাৰ দৰবাৰত উপস্থিত হৈ গোভা ৰজাক ফুলাম গামোচাৰে সম্বৰ্ধনা জনাই আশীৰ্বাদ লয় প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। জাগীৰোডৰ মাজমজিয়াত খোজকাঢ়ি ৰাইজৰ সম্বোধন গ্ৰহণ কৰে। গগৈক কেইবাহাজাৰ ৰাইজে উম্ম আদৰণি জনায়। এই যাত্ৰাৰ অংশ হিচাপে কংগ্ৰেছ সভাপতিগৰাকী উপস্থিত হয় গোভা ৰজা দ্বীপসিং দেউৰজাৰ ৰাজভৰনত। গোভা ৰজাক সাক্ষাৎ কৰাৰ লগতে উপস্থিত ৰাইজক সম্বোধন কৰে গৌৰৱ গগৈয়ে। আনহাতে গৌৰৱ গগৈৰ পৰৱৰ্তী ৰাজনৈতিক যাত্ৰা ধুবুৰীৰ পৰা আৰম্ভ কৰিবলৈ মন্ত্ৰী পীযুষ হাজৰিকাই সামাজিক মাধ্যমত দিয়া উপদেশ সন্দৰ্ভত তেওঁ কয় যে বানপানীৰ সময়ত ৰাজনৈতিক যাত্ৰাত পৰামৰ্শ দিয়াতকৈ ক'ত মথাউৰি ভাঙিছে, ক'ত শ্লুইছ গেট ভাঙিছে তাৰ ওপৰত জোৰ দিয়াটো বেছি গুৰুত্বপূৰ্ণ। ইফালে মুখ্যমন্ত্ৰীগৰাকীয়ে নৈতিকতাৰ ওপৰত কথা ক'লে হাঁহি উঠে বুলিও কয় গৌৰৱে। মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ সম্পত্তি সন্দৰ্ভত অসমৰ সকলো ৰাইজ অৱগত আৰু সেয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পৰা নৈতিকতাৰ চাৰ্টিফিকেট নালাগে বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে নৱনিযুক্ত কংগ্ৰেছ সভাপতিগৰাকীয়ে। গুৱাহাটীলৈ অহাৰ পথত চাওতাল সম্প্ৰদায়ৰ প্ৰথমগৰাকী এমবিবিএছ মাৰ্টিনা টুডুক অভিনন্দন জ্ঞাপন কৰে। মাৰ্টিনা টুডুক ফুলাম গামোচাৰে ওলগ জনাই গৌৰৱে কয় যে মাৰ্টিনাৰ এই কৃতিত্বই চাওতাল সম্প্ৰদায়ৰ শৈক্ষিক সফলতাৰ পথত এক উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈ থাকিব। সমগ্ৰ ৰাজ্যখনৰ যুৱ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰেৰণাৰ উৎস হিচাপে কাম কৰিব। মই মাৰ্টিনাক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। সফলতাৰ ধাৰা অবিৰত থাকক তাকেই কামনা কৰিলো। লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে অভিনন্দন জনাই প্ৰেৰণ কৰা এখন পত্ৰ মাৰ্টিনা টুডু তথা পৰিয়ালৰ হাতত অৰ্পণ কৰে গৌৰৱ গগৈয়ে। গুৱাহাটীত উপস্থিত হোৱাত মানৱেন্দ্ৰ শৰ্মা কম্পপ্লেক্সত উম্ম আদৰণি জনায়। বিভিন্ন শ্ল'গান দি আকাশ-বতাহ কঁপাই তোলে। গগৈয়ে মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সৰ পৰা চিধাই গুৱাহাটীৰ বানৰ সময়ত ভূমিস্খলনত প্ৰাণ হেৰোৱা লোকৰ ঘৰলৈ যায়। প্ৰদেশ কংগ্ৰেছৰ সঁজাতি দলৰ সৈতে চপাইডং পাহাৰত মাটি খহি নিহত হোৱা পৰিয়ালৰ ঘৰত উপস্থিত হয়। পুনম গোস্বামী আৰু তেওঁৰ ৪ বছৰীয়া কন্যা নীলাক্ষী গোস্বামীয়ে মৃত্যুক সাবটি লোৱা ঘটনাৰ বুজ লয়। পৰিয়ালৰ সৈতে বাৰ্তালাপ কৰে। দুৰ্ভগীয়া পৰিয়াটিৰ দুখৰ সমভাগী হয় গৌৰৱ গগৈ। অসম চৰকাৰক আহ্বান জনাই গৌৰৱ গগৈয়ে কয় যে ৰাজ্যৰ ভূমিস্খলন-প্ৰৱণ অঞ্চলসমূহত বিশেষ ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়। প্ৰাকৃতিক দুৰ্যোগ অহা দিনত সঘনাই সংঘটিত হৈ আহিছে। কিন্তু চৰকাৰে এতিয়াও প্ৰস্তুতি গ্ৰহণ কৰা নাই। এই মানৱীয় এই সময়ত ৰাজনৈতিক ব্যাঘাত পৰিলক্ষিত হৈছিল। বিজেপি সমৰ্থকে বিজেপি জিন্দাবাদ আৰু হিমন্ত বিশ্ব শৰ্মা জিন্দাবাদ ধ্বণৰ শ্ল'গান দি শোকৰ এই পৰিৱেশত অপ্ৰত্যাশিত ব্যাঘাতৰ সৃষ্টি কৰে। এই ঘটনাই ৰাজনৈতিক সংবেদনশীলতা আৰু শোকৰ সময়ত শিষ্টাচাৰক লৈ বিতৰ্কৰ সৃষ্টি কৰে। চৰকাৰক আৰু সমালোচনা কৰি কয় যে প্ৰতি বছৰে গুৱাহাটী কেনেকৈ আকস্মিক বানত ভাহি থাকে? মন্ত্ৰীসকলে নিজৰ বাসগৃহলৈ যোৱা ৰাস্তাসমূহত গুৰুত্ব আৰোপ কৰে। কিন্তু বানপ্ৰৱণ অঞ্চলসমূহক উপেক্ষা কৰে। তেওঁলোকে প্ৰধান স্থানত ভূমি ক্ৰয়ত ব্যস্ত থাকে। কিন্তু প্ৰকৃত সমস্যা যেনেদৰে বানৰ পানী নিষ্কাষণ কৰাত তৎপৰতা নেদেখুৱায়। আজি গৌৰৱ গগৈয়ে গুৱাহাটীলৈ অহাৰ পথত সংবাদ মাধ্যমৰ সৈতে বাৰ্তালাপ কৰি মন্তব্য প্ৰদান কৰিছে। গৌৰৱ গগৈয়ে দায়িত্ব লাভৰ পিছতে এআইইউডিএফ দলে গৌৰৱ গগৈৰ পৰা মিত্ৰতাৰ এবাৰ সুযোগ বিচাৰিছিল। কিন্তু আজি গৌৰৱ গগৈয়ে এআইইউডিএফৰ সৈতে মিত্ৰতা নকৰাৰ কথা স্পষ্ট কৰে। ২০২১ চনৰ বিধানসভা নিৰ্বাচনত এআইইউডিএফৰ সৈতে কংগ্ৰেছে মিত্ৰতা কৰিছিল। কিন্তু কংগ্ৰেছ সফল হ'ব নোৱাৰিলে। ভূপেন বৰাই এআইইউডিএফৰ সৈতে মিত্ৰতা ভংগ কৰিছিল। আজি ভূপেন বৰাৰ সিদ্ধান্তৰ সৈতে থিয় দিছে গৌৰৱ গগৈ। গৌৰৱ গগৈয়ে ভূপেন বৰাৰ নাম লৈ কয় যে ভূপেন বৰাৰ মই সফলতা দেখিছো। দলটোৰ অসমৰ দায়িত্ব লৈয়েই ভূপেন বৰাই ডাঙৰ সিদ্ধান্ত লৈছিল। প্ৰথমটো আছিল এআইইউডিএফৰ সৈতে মিত্ৰতা ভংগ। দ্বিতীয়টো ভাৰত জোড়ো যাত্ৰা ভূপেন বৰাৰ নেতৃত্বত অসমত সফল হৈছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নামৰূপ তাপবিদ্যুৎপ্ৰকল্পৰ টাৰবাইন বন্ধৰ

ইয়াৰ পিছত পুনৰ ৩১ মে'ত এনআৰপিপি আৰু এনটিপিএছৰ উৎপাদন বন্ধ কৰিবলৈ নিৰ্দেশনা অহাত দুয়োটা প্ৰকল্প বন্ধ কৰি দিয়া হয়। উল্লেখ্য যে নামৰূপৰ উপৰি কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্প আৰু লাকুৱা তাপবিদ্যুৎ প্ৰকল্পৰ উৎপাদনো সম্পূৰ্ণৰূপে বন্ধৰ নিৰ্দেশ দিছে কৰ্তৃপক্ষই। এনেদৰে একেটা মাহতে দুবাৰকৈ উৎপাদন বন্ধ কৰাৰ নিৰ্দেশনা অহাত শংকিত হৈ পৰিছে সদৌ অসম বিদ্যুৎ কৰ্মচাৰী সংঘ, নামৰূপ শাখা। তাৰ পৰিপ্ৰেক্ষিততে আজি সংগঠনটোৱে নামৰূপ তাপবিদ্যুৎ কেন্দ্ৰৰ ইউনিয়নৰ কাৰ্যালয়ৰ সন্মুখত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে অসম চৰকাৰ হায় হায়, অসম চৰকাৰ হুঁচিয়াৰ আদি শ্লোগান দি উত্তাল কৰি তোলে তাপবিদ্যুৎ কেন্দ্ৰৰ পৰিবেশ। এই সন্দৰ্ভত মহাপ্ৰবন্ধকলৈ এখন স্মাৰক-পত্ৰও প্ৰেৰণ কৰে। পূৰ্ণ গতিত চলি থকা টাৰবাইন সম্পূৰ্ণৰূপে বন্ধ কৰাৰ নিৰ্দেশনা দিয়া উদ্যোগটোৰ বাবে এক অশনি সংকেত। কাৰিকৰী দিশত এই কাৰ্য অত্যন্ত ক্ষতিকাৰক হোৱাৰ লগতে উদ্যোগটোৰ লগত জড়িত বিষয়া-কৰ্মচাৰীৰ ভৱিষ্যতৰ প্ৰতিও সন্দিহান হৈ পৰিছে। গ্ৰীষ্মৰ সময়ত সমগ্ৰ অসমত প্ৰায় দুহাজাৰ মেগাৱাট বিদ্যুতৰ প্ৰয়োজন হয়। ইয়াৰে অসম চৰকাৰৰ অধীনৰ তিনিটা গোটে ৩০০-৩৫০ মেগাৱাট বিদ্যুৎ উৎপাদন কৰে। এনে সময়ত অসম চৰকাৰৰ বিদ্যুৎ নিগমে এনেধৰণৰ বিদ্যুৎ উৎপাদন স্থবিৰ কৰাৰ কাৰণ অতিকৈ ৰহস্যঘন। এক সূত্ৰৰ খবৰ অনুসৰি অসম চৰকাৰে ব্যক্তিগত কোম্পানীৰ পৰা অধিক বিদ্যুৎ ক্ৰয় কৰি ৰাজ্যত বিদ্যুৎ যোগান অব্যাহত ৰখাৰ বাবেই ৰাজ্যৰ থলুৱা উৎপাদন বন্ধ কৰা হৈছে। এনেদৰে আগতীয়া কোনো প্ৰস্তুতি নোহোৱাকৈ হঠাৎ উৎপাদন গোটকেইটা বন্ধৰ নিৰ্দেশে কোম্পানীটোলৈ লোকচান অনাৰ লগতে অনাগত দিনত বিষয়া-কৰ্মচাৰীৰ জীৱনলৈ আশংকা আনিব বুলি আছাম ষ্টেট্ পাৱাৰ ৱাৰ্কাৰ্ছ ইউনিয়নৰ নামৰূপ শাখাই অভিযোগ কৰে। জানিব পৰা মতে নামৰূপ থাৰ্মেল পাৱাৰ ষ্টেচনৰ উৎপাদন বৰ্তমানলৈকে বন্ধ ৰখাৰ বিপৰীতে এনআৰপিপি (নামৰূপ ৰিপ্লেচমেণ্ট পাৱাৰ প্ৰজেক্ট )ৰ উৎপাদন দেওবাৰে ৭.১৮ ৰ পৰা চলাবলৈ নিৰ্দেশনা পায়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হাই ক'ৰ্টলৈ যোৱাৰ নিৰ্দেশ ছুপ্ৰিম ক'ৰ্টৰ

বেক পলিচি'ৰ বৈধতাক প্ৰত্যাহ্বান জনাই দাখিল কৰা এখন আবেদন আজি খাৰিজ কৰিছে দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে। একে সময়তে উচ্চতম ন্যায়ালয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চাপিবলৈ নিৰ্দেশ দিয়ে আবেদনকাৰীক। উল্লেখ্য যে সন্দেহযুক্ত বিদেশীক স্বেচ্ছাচাৰীভাৱে আটক কৰি বিতাড়িত কৰাৰ বাবে অসম চৰকাৰে ব্যাপক অভিযান চলাইছে বুলি অভিযোগ উত্থাপন কৰিছে সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সন্থাই দাখিল কৰিছিল আবেদন। তেওঁলোকৰ দাবী- বিদেশী ন্যায়াধিকৰণৰ ঘোষণা, নাগৰিকত্ব পৰীক্ষণ বা আইনী প্ৰতিকাৰ সম্পূৰ্ণ নোহোৱাৰ পিছতো এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। অধিবক্তা আদিল আহমেদে কয়, "অসম চৰকাৰে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ ভুল ব্যাখ্যা কৰিছে। উচ্চতম ন্যায়ালয়ে স্পষ্টভাৱে নিৰ্দেশ দিছিল যে যদি ডিটেনচন চেন্টাৰত থকা চিনাক্ত বাংলাদেশীক বাংলাদেশলৈ ঘূৰাই পঠিয়াব পৰা যায়, তেন্তে সেয়া কৰিব লাগে। অন্যথা বিচাৰাধীন গোচৰসমূহ নিষ্পত্তি কৰা হ'ব আৰু সেই অনুসৰি চিনাক্ত বাংলাদেশীক ঘূৰাই পঠিয়াব লাগে।" তেওঁ আৰু কয়, "অসম চৰকাৰে 'পুছ-বেক পলিচি'ৰ আনটো পথ গ্ৰহণ কৰিছে, য'ত তেওঁলোকে নিৰ্বিচাৰে মানুহক তুলি নি বলপূৰ্বকভাৱে 'ন' মেনছ লেণ্ড'ত এৰি দিছে।" উচ্চতম ন্যায়ালয়ে আজি কয় যে যিহেতু এইটো ব্যক্তিগত গোচৰৰ বিষয়, গতিকে উপযুক্ত নিৰ্দেশনা উচ্চ ন্যায়ালয়ত সঠিকভাৱে বিচাৰ কৰিব পৰা যাব। ইফালে, আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আইনী প্ৰক্ৰিয়াৰ প্ৰতি ৰাজ্যৰ দায়বদ্ধতাৰ কথা পুনৰ দোহাৰে। তেওঁ কয়, "আমি আইনী প্ৰক্ৰিয়াক সন্মান কৰোঁ। যদি কোনোবাই নিজৰ নাগৰিকত্ব প্ৰমাণ কৰিবলৈ যুঁজি আছে, তেন্তে আমি হস্তক্ষেপ নকৰোঁ।" তেওঁ স্পষ্ট কৰি দিয়ে যে যদি ন্যায়াধিকৰণৰ সিদ্ধান্তৰ বিৰুদ্ধে কোনো আইনী আবেদন দাখিল কৰা নহয়, তেন্তে ঘোষিত বিদেশীয়ে অসম এৰি যাব লাগিব। শৰ্মাই জোৰ দি কয় যে আমাৰ প্ৰক্ৰিয়াটো অতি সহজ, যদি আপুনি বিদেশী ঘোষণা কৰা হয় আৰু আপুনি ন্যায়াধিকৰণৰ নিৰ্দেশৰ বিৰুদ্ধে আপীল নকৰে তেন্তে আপোনাক ঘূৰাই পঠোৱাটো নিশ্চিত। অসম চৰকাৰে অবৈধ অনুপ্ৰৱেশকাৰী চিনাক্তকৰণৰ প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰি তুলিছে। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে নিশ্চিত বিদেশী নাগৰিকক ঘূৰাই পঠোৱাৰ বাবে ভাৰত চৰকাৰ আৰু বাংলাদেশৰ সৈতে সমন্বয় অব্যাহত আছে। মুখ্যমন্ত্ৰী শৰ্মাই প্ৰায় ৩০ হাজাৰ ঘোষিত বিদেশী নাগৰিক নিৰুদ্দেশ হোৱাৰ কথাও আলোকপাত কৰি অনুপ্ৰৱেশ বলবৎকৰণৰ জটিলতাক উজ্জ্বল কৰি তোলে। উল্লেখ্য যে, ফেব্ৰুৱাৰী মাহত উচ্চতম ন্যায়ালয়ে অসম চৰকাৰক ৬৩ জন চিনাক্ত বাংলাদেশী নাগৰিকক বিতাড়ন কৰিবলৈ নিৰ্দেশ দি দুসপ্তাহৰ ভিতৰত ষ্টেটাছ ৰিপৰ্ট দাখিল কৰিবলৈ কৈছিল। উচ্চতম ন্যায়ালয়ে লক্ষ্য কৰে যে ঘোষিত বিদেশী বা সন্দেহযুক্ত লোকক আইনী প্ৰতিকাৰ (আপিল বা পুনৰীক্ষণ) শেষ কৰাৰ সুযোগ নোপোৱাকৈ বিতাড়িত কৰিব নোৱাৰি। ইয়াৰ দ্বাৰা নিশ্চিত হয় যে ইচ্ছাকৃতভাৱে বা ন্যায়িক বহিৰ্ভূত সন্দেহৰ ভিত্তিত বহিষ্কাৰ কৰিব নোৱাৰি, যাৰ ফলত ব্যক্তিৰ আইনী অধিকাৰ সুৰক্ষিত হয়। মুখ্যমন্ত্ৰী শৰ্মাই আশ্বাস দিয়ে যে অসমে উচ্চতম ন্যায়ালয়ৰ নীতি-নিৰ্দেশনা অনুযায়ী কাম কৰি আছে, ঘোষিত বিদেশীক চিনাক্তকৰণ আৰু বিতাড়নৰ প্ৰক্ৰিয়া যাতে ন্যায়িক কাঠামোৰ ভিতৰতে চলোৱা হয় তাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উত্তৰ-পূবৰ বান সমস্যা সমাধানত

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গে। অবিৰত বৰষুণ, ভূমিস্খলন, নদীৰ জলপৃষ্ঠ বৃদ্ধিৰ ফলত হোৱা ব্যাপক ধ্বংসলীলাৰ মাজতে তেওঁ দ্ৰুত আৰ্থিক সাহায্য আৰু সাহায্য পুঁজিৰ স্বচ্ছতাৰ দাবী জনায়। বানাক্ৰান্ত অসম, মণিপুৰ, মেঘালয়, ছিকিম আৰু অৰুণাচল প্ৰদেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ ওপৰত আলোকপাত কৰি খাৰ্গেয়ে উল্লেখ কৰে যে প্ৰাকৃতিক দুৰ্যোগৰ ফলত লাখ লাখ লোক ক্ষতিগ্ৰস্ত হৈছে আৰু অগণন জনে প্ৰাণ হেৰুৱাইছে। তেওঁ এক্সত পোষ্ট কৰি কয়, "উত্তৰ-পূৰ্বাঞ্চল তীব্ৰ বানপানী, ভূমিস্খলন আৰু প্ৰচণ্ড বৰষুণত এতিয়া ককবকাই আছে। অসম, অৰুণাচল, মণিপুৰ, ছিকিম আৰু মেঘালয় আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত ৰাজ্যসমূহৰ ভিতৰত অন্যতম। জনসাধাৰণৰ দুখ-কষ্ট দেখি হৃদয় কঁপি উঠিছে।" বিজেপিৰ পূৰ্বৰ প্ৰতিশ্ৰুতিৰ কথা সোঁৱৰাই খাৰ্গেয়ে ২০১৬ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমক 'বানমুক্ত' ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে দিয়া প্ৰতিশ্ৰুতিৰ কথা উল্লেখ কৰে। লগতে তেওঁ কয় যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ২০২২ চনতো একেই প্ৰতিশ্ৰুতি দিছিল। খাৰ্গেয়ে আগ্ৰাসী সুৰত কয়, "তথাকথিত 'স্মাৰ্ট চিটি' গুৱাহাটীৰ দৃশ্য দেখিলেই মনত পৰে যে মোদীজী আৰু তেওঁৰ ডাবল ইঞ্জিন চৰকাৰে কেনেদৰে অসমক বিশ্বাসঘাতকতা কৰিছে।" কেন্দ্ৰৰ অগ্ৰাধিকাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি খাৰ্গেয়ে বিজেপি চৰকাৰে মূল উন্নয়নমূলক বিষয়সমূহৰ পৰা মনোযোগ আঁতৰাই আৱেগিক আৰু বিভাজনকাৰী বিষয়সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ অভিযোগ উত্থাপন কৰে। তেওঁ মন্তব্য কৰে, "বিজেপিৰ ৰাজনীতিৰ মূল বৈশিষ্ট্য হ'ল মৌলিক উন্নয়নমূলক বিষয়ৰ পৰা মনোযোগ আঁতৰোৱা, বিষয়টোক বিচলিত কৰা আৰু আৱেগিক আৰু বিভাজনকাৰী বিষয়লৈ সলনি কৰা।" অঞ্চলটোত সাহায্য আৰু প্ৰস্তুতিৰ প্ৰচেষ্টাৰ বাবে অধিক কেন্দ্ৰীয় পুঁজি শীঘ্ৰে মুকলি কৰাৰ দাবী জনায় কংগ্ৰেছ প্ৰধানগৰাকীয়ে। তেওঁ বিশেষভাৱে প্ৰধানমন্ত্ৰীক পি এম কেয়াৰছ ফাণ্ড ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়, য'ত তেওঁ দাবী কৰে যে কোটি কোটি টকা হিচাপহীনভাৱে পৰি আছে। খাৰ্গেয়ে কয় যে হয়তো মোদীজীয়ে পি এম কেয়াৰছ ফাণ্ডৰ দুৱাৰ খুলিব পাৰিব, যাৰ কোটি কোটি টকা অডিট অবিহনে ৰাজহুৱা ডমেইনত পৰি আছে। খাৰ্গেয়ে কংগ্ৰেছৰ নেতা-কৰ্মীসকলক সাহায্য প্ৰয়াসত অংশ ল'বলৈ আৰু ক্ষতিগ্ৰস্ত লোকসকলৰ কাষত থিয় দিবলৈও আহ্বান জনায়। ইফালে অঞ্চলটোৰ বান পৰিস্থিতি ভয়াবহ হৈ আছে। কেৱল অসমতে ১০ জনতকৈ অধিক লোকে প্ৰাণ হেৰুৱাইছে আৰু ২০ খন জিলাৰ ৪ লাখৰো অধিক বাসিন্দা বানৰ কবলত পৰিছে। ব্ৰহ্মপুত্ৰকে ধৰি সাতখন প্ৰধান নদী বিপদসীমাৰ ওপৰেৰে বৈ আছে। ৰাজ্য আৰু ইয়াৰ আশেপাশে থকা অঞ্চলত অবিৰত বৰষুণৰ ফলত নিম্নভূমি আৰু নদীৰ পাৰৰ পৰিস্থিতি অধিক বেয়া হ'ব পাৰে বুলি কৰ্তৃপক্ষই আশংকা কৰিছে। এই পৰিস্থিতিত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে, গুৰুতৰভাৱে ক্ষতিগ্ৰস্ত জিলাসমূহত এছডিআৰএফ, এনডিআৰএফ আৰু সেনা ইউনিট মোতায়েন কৰা হৈছে। কিন্তু যোগাযোগ ব্যৱস্থাৰ ক্ষতিসাধন হোৱাৰ লগতে অধিক বৰষুণৰ পূৰ্বাভাস পোৱাৰ বাবে দুৰ্গম অঞ্চলত উপনীত হোৱাটো প্ৰত্যাহ্বানজনক হৈ পৰিছে এই মুহূৰ্তত।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মহানগৰীত দুগুণলৈ বৃদ্ধি হ'ব

প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰৰ গৃহ বিভাগে আৰক্ষী ব্যৱস্থাৰ শক্তি বৃদ্ধিৰ বাবে বিশেষ নিৰ্দেশনা জাৰি কৰিছে। ইয়াৰ অধীনত গুৱাহাটী মহানগৰীত থানাৰ সংখ্যা বৰ্তমান ২৩ খনৰ পৰা ৪০ খনলৈ বৃদ্ধি কৰা হ'ব। মহানগৰীৰ জনবসতিপূৰ্ণ এলেকাসমূহত থকা বৰ্তমানৰ আৰক্ষী চকীসমূহ থানালৈ উন্নীত কৰা হ'ব। ইয়াৰ লগতে নতুনকৈ চিনাক্ত কৰা জনবহুল অঞ্চলসমূহত নতুন থানা স্থাপন কৰা হ'ব। এই ব্যৱস্থাই আৰক্ষীৰ উপস্থিতি আৰু জনসুৰক্ষা দুয়োটাকে সুনিশ্চিত কৰাত সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে। আনহাতে, আৰক্ষীৰ দায়িত্বৰ ক্ষেত্ৰতো বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এতিয়া এজন আৰক্ষী আয়ুক্তৰ বিপৰীতে দুজন যুটীয়া আয়ুক্ত নিযুক্ত থাকিব। এজনৰ দায়িত্বত থাকিব আইন-শৃংখলা ব্যৱস্থা আৰু আনজনৰ দায়িত্বত থাকিব প্ৰশাসনিক দিশৰ তদাৰকী। গৃহ বিভাগৰ এই নিৰ্দেশনা অনুসৰি গুৱাহাটী আৰক্ষী আয়ুক্তই ইতিমধ্যে পদক্ষেপ আৰম্ভ কৰিছে। ৰাইজৰ সুৰক্ষাৰ বাবে এই পদক্ষেপ ইতিবাচক বুলি মত প্ৰকাশ কৰিছে।

# অসমৰপৰা বিদেশী বিতাড়ন কৰাটো প্ৰতিজন অসমীয়াৰ দায়িত্ব-কৰ্তব্যঃ নেকিবুৰ জামান

**ই-সংবাদ, বৰমা, ২ জুনঃ** নলবাৰী জিলাৰ গোৰবাদলৰ সমীপৰ ষাঠিকুছি গাঁৱৰ ইছলাম চুবুৰিত আজি সম্পন্ন হয় এখন বাৰ্ষিক ধৰ্মীয় সভা। ষাঠিকুছি গাঁওখনৰ ইছলাম চুবুৰিৰ ইছলাম ধৰ্মীয় লোকসকলে নতুনকৈ নিৰ্মাণ কৰিব লগা স্থায়ী কবৰস্থানৰ পূৰ্ণাংগপ্ৰাপ্তিৰ বাবে আলোচনা কৰাৰ উদ্দেশ্যে আৰু প্ৰথমবাৰৰ বাবে অঞ্চলটোত অনুষ্ঠিত কৰা বাৰ্ষিক ধৰ্মীয় সভাৰ কাৰ্যসূচীৰ আজি পুৱা সামুহিক চাফাই অভিযানেৰে শুভাৰম্ভ হোৱাৰ পিছত ষাঠিকুছি জাম্মে মছজিদৰ পেছ ইমাম মৌলানা ক্বাৰী মইদুল তালুকদাৰ, কৃষক আজিৰ আলী আৰু উদ্যমী যুৱক আব্দুল আলীয়ে গছপুলি ৰোপণ কৰে। ইয়াৰ পিছত ষাঠিকুছি জাম্মে মছজিদ প্ৰাংগণত প্ৰথম বাৰ্ষিক ধৰ্মীয় সভা পৰিচালনা সমিতিৰ সভাপতি আলী আহমেদৰ সভাপতিত্বত অনুষ্ঠিত হয় ধৰ্মীয় সভা। প্ৰথম বাৰ্ষিক ধৰ্মীয় সভা পৰিচালনা সমিতিৰ সম্পাদক মতলেব আলীয়ে আঁত ধৰা সভাখনত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা তথা উত্তৰ-পূব হজযাত্ৰী সমিতিৰ অধ্যক্ষ নেকিবুৰ জামানে মুখ্য অতিথি হিচাপে উপস্থিত থাকি নিজৰ ভাষণ আগবঢ়াই কয়, "আমাৰ অসমীয়া জাতিটোৰ ল'ৰা-ছোৱালীসকলে এটা কথা মনত ৰখা ভাল যাতে কৃষিভূমি আমাৰ হাতৰ পৰা হেৰাই নাযায়। কিয়নো এতিয়া ডাঙৰ ডাঙৰ পুঁজিপতি গোষ্ঠী আমাৰ মাজত সোমাই পৰিছে। বিদেশী বিতাড়নৰ ক্ষেত্ৰত ভিত্তি বছৰ ১৯৭১ চনৰ পৰিবৰ্তে ১৯৫১ চন হোৱাটো আমি বিচাৰিছিলো। ১৯৭১ চনৰ পিছত অসম চুক্তি স্বাক্ষৰিত হোৱাৰ উপৰি অসম গণ পৰিষদ দলে দুবাৰকৈ চৰকাৰ গঠন কৰিলে কিন্তু ৰাজ্যৰ পৰা বিদেশী বিতাড়নৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। আনকি ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিদেশীসকলে টালি-টোপোলা লৈ অসম ত্যাগ কৰিব লাগিব বুলি কৈছিল যদিও চৰকাৰে ৰাজ্যখন বিদেশী মুক্ত কৰাৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। আনহাতে এচাম মুছলিম মৌলবাদী শক্তিয়ে বিদেশীৰ হকে মাত মাতি আহিছে যদিও আমি ইয়াক সমৰ্থন নকৰোঁ। অসমৰ পৰা বিদেশী বিতাড়ন কৰাটো প্ৰতিজন অসমীয়াৰ দায়িত্ব আৰু কৰ্তব্য হোৱা উচিত। বৃহত্তৰ অসমীয়া জাতিটোক লৈ এতিয়া আমি সকলো চিন্তিত। এচাম ৰাজনৈতিক কলুষিত ব্যক্তিৰ দ্বাৰা অসমীয়া জাতিৰ ঐতিহ্য-সমন্বয় কলুষিত হ'ব ধৰিছে, ই অসমীয়া জাতিৰ বাবে অতি ভয়াৱহ হ'ব পাৰে। এই কাৰণে অসমীয়া জাতি আজি সংখ্যালঘু হোৱাৰ তেওঁ শংকা ব্যক্ত কৰে। আমি যি ধৰ্মৰে নহওক কিয় সকলো খিলঞ্জীয়া লোকে একত্ৰিতভাৱে থাকি খিলঞ্জীয়া বড়ো, ডিমাচা, কাৰ্বি , মৰাণ, মটক, ৰাজবংশী আদিকে ধৰি সকলো জাতি-জনগোষ্ঠীক লৈ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত যাতে ব্যাঘাত নজন্মে তাৰ প্ৰতি আমি চকু দিব লাগে। এই ক্ষেত্ৰত সংবাদ মাধ্যমৰো যথেষ্ট দায়িত্ব আছে। আজিৰ নৱপ্ৰজন্মই শিক্ষা-দীক্ষাকে আদি কৰি সকলো দিশতে গুৰুত্ব দিব লাগে। কিয়নো ৰাজ্যৰ বাহিৰৰ মেধাসম্পন্ন বহুতো ব্যক্তি এতিয়া আমাৰ ৰাজ্যখনত চাকৰি কৰিব আহে। অসম ৰাজ্যিক জমিয়ত উলামাৰ উপ-সভাপতি আখতাৰ হুছেইনে আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰা সভাখনত দাৰুল উলুম মিলন বজাৰ মাদ্ৰাছাৰ অধ্যক্ষ আলহাজ হজৰত মৌলানা শ্বেখ জিয়াউৰ ৰহমান কাছিমীয়ে নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ভাষণত কয়, "মানুহে মানুহক সহায় কৰিব লাগে। আজিৰ সময়ত প্ৰতিঘৰ মানুহ শিক্ষিত হ'ব লাগে। প্ৰতিটো পৰিয়ালে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰে বসবাস কৰিব লাগে। প্ৰতিটো পৰিয়ালে নিজৰ সন্তানক সুনাগৰিক হিচাপে গঢ়ি তুলিব লাগে। সমাজৰ কাকোৰে হিংসা কৰিব নালাগে। সকলোৱে নিজৰ পিতৃ-মাতৃৰ প্ৰতি সুন্দৰ ব্যৱহাৰ কৰিব লাগে, পিতৃ-মাতৃৰ প্ৰতি দায়িত্বশীল হ'ব লাগে। পিতৃ-মাতৃক বেয়া ব্যৱহাৰ কৰা ব্যক্তিয়ে জীয়াই থাকোঁতেতো শান্তি নাপায়ে, মৰিলেও আত্মাই কেতিয়াও শান্তি নাপায়"। শ্ৰীমন্ত শংকৰদেৱ হাইস্কুল বকুৱাজীৰ প্ৰধান শিক্ষক খুৰচেদ আলম, বিশিষ্ট সমাজকৰ্মী চিৰাজ আলী, ষাঠিকুছি জাম্মে মছজিদৰ তত্বাৱধায়ক ৰহম আলী, সমাজকৰ্মী চন্দ্ৰধৰ দাস, সাংবাদিক শৈলেন বৰ্মন, সাংবাদিক ৰাজেশ বৈশ্য, সাংবাদিক আইদুল হুছেইন, ধৰ্মীয় সভা পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি মিৰ্জান আলীকে ধৰি বৃহত্তৰ গোৰবাদল-ষাঠিকুছি অঞ্চলৰ বহু কেইগৰাকী বিশিষ্ট ব্যক্তি আৰু স্থানীয় ৰাইজ উপস্থিত থকা সভাখনত বৰমা ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, শিক্ষাবিদ তথা সমাজকৰ্মী ৰমেশ চন্দ্ৰ শৰ্মা, প্ৰাক্তন ছাত্ৰ নেতা তথা অসমী হাইস্কুল বালিজাৰৰ শিক্ষক হোমেশ্বৰ তালুকদাৰ, নলবাৰী জিলা জমিয়ত উলামাৰ সভাপতি আলহাজ হজৰত মৌলানা শ্বেখ কুতুবুদ্দিন আহমেদ, সদৌ অসম গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদৰ সভাপতি নুৰুল হকে অতিথি হিচাপে উপস্থিত থাকি এক সুন্দৰ বক্তব্য আগবঢ়ায়। আনফালে ধৰ্মীয় সভা উপলক্ষে অনুষ্ঠিত কৰা কেৰাৎ পাঠ আৰু আজান প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত প্ৰতিযোগীসকলকো আজিৰ সভাতে বঁটা প্ৰদান কৰা হয়।

# বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় নিৰ্মাণত ব্যাপক বিসংগতি, মুখ্যমন্ত্ৰীক পৰিদৰ্শনৰ আহ্বান

**ই-সংবাদ, বাইহাটা চাৰিআলি, ৪ জুনঃ** চলিত বৰ্ষৰ জানুৱাৰী মাহৰ ১৫ তাৰিখে মুখ্যমন্ত্ৰীয়ে শুভ উদ্বোধন কৰা কামৰূপ জিলাৰ বেজেৰা উঃ মাঃ বিদ্যালয় নিৰ্মাণত আসোঁৱাহ থকাৰ অভিযোগ উত্থাপিত হৈছে। একাংশ সচেতন ৰাইজে অভিযোগ কৰা মতে প্ৰায় ১২ কোটি টকা ব্যয় কৰি আদৰ্শ বিদ্যালয় হিচাপে নিৰ্মাণ কৰা এই বিদ্যালয়খনত দায়িত্বৰত ঠিকাদাৰৰ হেমাহি আৰু পালমৰা কাৰ্যৰ ফলত এতিয়া তথৈবচ অৱস্থাৰ সৃষ্টি হৈছে । বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰিত পৰিণত বিদ্যালয়খনৰ কি শ্ৰেণীকোঠা, কি অধ্যক্ষৰ কোঠা, কি লাইব্ৰেৰী, কি লেবৰেটৰী সকলোতে এতিয়া পানী আৰু পানী। পানী পৰি কেইবা ঠাইতো উখহি উঠিছে




চিলিং। পাঠদান কাৰ্যৰ বাবে অনুপযোগী হৈ উঠিছে বিদ্যালয়খনৰ কোঠাবোৰ। যাৰবাবে মুকলি কৰাৰ চাৰিমাহ পিছতে ছাত্ৰ-ছাত্ৰীৰ পাঠদান কাৰ্যত ব্যাঘাত জন্মিছে। উপায়বিহীন হৈ বিদ্যালয় কৰ্তৃপক্ষই ৰুম তথা বাৰাণ্ডাৰ মজিয়াত জমা হোৱা পানী নিষ্কাষণৰ বাবে মিস্ত্ৰী লগাই ফুটাব লগা হৈছে ৰাল। দায়িত্বৰত ঠিকাদাৰৰ কাণ্ডজ্ঞানহীন এনে কাৰ্যই চকু কপালত তুলিছে সচেতন ৰাইজৰ। স্থানীয় হোৱাটছএপ গ্ৰুপসমূহতো ব্যাপক চৰ্চা চলিছে এই বিষয়টোৰ ওপৰত। ১৯৪৭ চনতে স্থাপন কৰা ঐতিহ্যমণ্ডিত বেজেৰা উঃ মাঃ বিদ্যালয়ৰ নিৰ্মাণকাৰ্যৰ এই আসোঁৱাহসমূহ দূৰ কৰাৰ ব্যৱস্থা কৰি শ্ৰেণীকোঠাসমূহ পাঠদান কাৰ্যৰ উপযোগী কৰি তুলিবলৈ স্থানীয় বিধায়ক তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাইছে বিদ্যালয়খনৰ একাংশ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে। তদুপৰি, তেওঁলোকে মুখ্যমন্ত্ৰীগৰাকীক এবাৰ আসোঁৱাহ সমূহ পৰিদৰ্শন কৰাৰ বাবেও অনুৰোধ জনাইছে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

## বিভাগীয় নিৰ্দেশনা নোহোৱাকৈ ঘৰ ভাঙি লৈ গ'ল সামগ্ৰীঃ তদন্তৰ দাবী ৰাইজৰ

# নলবাৰীৰ খখৰিশালত চৰকাৰী বয়ন শিল্প প্ৰকল্পৰ গৃহ ভঙাক কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিক্ৰিয়া

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২ জুনঃ** নলবাৰী জিলাৰ খখৰিশালত এটা চৰকাৰী গৃহ ভঙাক লৈ ৰাইজৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে অসম চৰকাৰৰ অৰ্থ সাহায্যত জিলাখনৰ খখৰিশাল গাঁৱত নিৰ্মিত উইভিং কমপ্লেক্সৰ গৃহ বিভাগীয় নিৰ্দেশ অবিহনে ভাঙি পেলোৱা কাৰ্যক কেন্দ্ৰ কৰি স্থানীয় ৰাইজ জাঙুৰ খাই উঠিছে। জানিব পৰা মতে পশ্চিম নলবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত খখৰিশাল গাঁৱত 'ভাগ্যপ্ৰিয়া উইভিং কমপ্লেক্স'ৰ নামৰ এটি প্ৰকল্প ১৯৮৭ চনতে স্থাপন কৰা হৈছিল। বৃহত্তৰ গ্ৰামাঞ্চলটোৰ দুখীয়া শিপিনীসকলৰ সহায়ক হোৱাকৈ সেই সময়ৰ অগপ দলৰ চৰকাৰৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীৰ বিধায়ক পুঁজিৰ ধনেৰে উক্ত উইভিং প্ৰকল্পটো' স্থাপন কৰা হৈছিল। কিন্তু চৰকাৰৰ সদিচ্ছাৰ অভাৱত প্ৰকল্পটো কাৰ্যক্ষম নোহোৱাৰ বহু টকা ব্যয় কৰি নিৰ্মাণ কৰা গৃহটো ব্যৱহাৰ নোহোৱাকৈ পৰি থাকে। প্ৰকল্পটো মুকলি হোৱাৰ ক্ষেত্ৰত অনিশ্চয়তাই দেখা দিয়াত প্ৰকল্প গৃহটোতে স্থানীয় ব্ৰজকান্ত হালৈ এম ই স্কুল আৰু জ্ঞানোদয় হাইস্কুল নামৰ স্কুল দুখনৰ শ্ৰেণীসমূহ প্ৰায় ১২ বছৰে চলাই পিছত শিক্ষানুষ্ঠান দুখন অন্য স্থানলৈ স্থানান্তৰ কৰা হয়। উল্লেখ্য, স্থানীয় অৱসৰী শিক্ষক অনন্ত কুমাৰ হালৈৰ পৰিয়ালে মাতৃ ভাগ্যপ্ৰিয়াৰ নামত অসম চৰকাৰৰ বয়ন বিভাগলৈ চাৰি কঠা ভূমি দান দিয়াত প্ৰকল্পটো ভাগ্যপ্ৰিয়াৰ নামেৰে নামকৰণ কৰা হয়। কিন্তু শেহতীয়াভাৱে ৮০ ফুট দৈৰ্ঘ্য, ১৮ ফুট প্ৰস্থৰ পৰিত্যক্ত প্ৰকল্পটোৰ বৃহৎ গৃহটোৰ প্ৰায় আধা অংশ বিভাগীয় কৰ্তৃপক্ষৰ কোনো অনুমতি নোলোৱাকৈ ভূমি দাতা পৰিয়ালৰ অনন্ত কুমাৰ হালৈ নামৰ লোকজনে ভাঙি নিয়া বুলি স্থানীয় এচাম সচেতন নাগৰিকে অভিযোগ কৰিছে। এনে কাৰ্যৰ বাবে উক্ত অৱসৰী শিক্ষক তথা বিজেপি দলৰ ২২২ নং খখৰিশাল বুথৰ সভাপতি অনন্ত কুমাৰ হালৈ ৰাইজৰ সমালোচনাৰ পাত্ৰ হৈ পৰিছে। ৰাইজৰ অভিযোগ অনুসৰি নিজ খেয়াল-খুচি মতে ভাঙি পেলোৱা গৃহটোৰ ইটা, টিনপাট, কাঠ আদি সামগ্ৰী পিছত হালৈয়ে ৰাইজক পিঠি দি একমাত্ৰ ৰাজনৈতিক ক্ষমতাৰে ঘৰলৈ নিয়ে আৰু ন-কৈ নিৰ্মাণ কৰি থকা নিজ



গৃহত ব্যৱহাৰ কৰে। ইয়াক লৈ ৰাইজৰ মাজত তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি হৈছে। উল্লেখ্য, চৰকাৰী ধনেৰে নিৰ্মিত কোনো অনুষ্ঠান-শিক্ষানুষ্ঠান, চৰকাৰী প্ৰতিষ্ঠানৰ গৃহ সংশ্লিষ্ট বিভাগীয় কৰ্তৃপক্ষৰ লিখিত আদেশ নোহোৱাকৈ অথবা চৰকাৰী নিবিদা নেহোৱাকৈ ভাঙিব নোৱাৰে। তেনেস্থলত কোনো অনুমতি অবিহনে উক্ত বয়ন শিল্প প্ৰকল্পৰ গৃহ ভঙা বিষয়টো ৰাইজৰ মাজত সৰৱ চৰ্চাৰ বিষয় হৈ পৰিছে। ৰাইজে উক্ত কাৰ্যৰ তদন্তৰ দাবী কৰিছে।

# খাৰুপেটীয়াত কৃত্ৰিম বানত সৰ্বস্বান্ত কৃষক বিনষ্ট হ'ল শ শ বিঘাৰ মাকৈ-পাচলিৰ খেতি, সাহায্যৰ আহ্বান

**ই-সংবাদ, খাৰুপেটীয়া, ২ জুনঃ** অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে কৃষিজাত সামগ্ৰী উৎপাদনত এক সুকীয়া স্থান দখল কৰি অহা দৰং জিলাৰ খাৰুপেটীয়া অঞ্চলৰ কৃষকসকলৰ মাজত বৰ্তমান হাহাকাৰৰ সৃষ্টি হৈছে। বিগত কিছুদিনৰ পৰা নেৰানেপেৰা বৰষুণৰ ফলত খেতি-পথাৰত কৃত্ৰিম বানৰ সৃষ্টি হোৱাত পানীৰ তলতেই জাহ গৈছে কৃষি শস্য আৰু পাচলি। উল্লেখ্য যে দেওবাৰে খাৰুপেটীয়াৰ নিকটৱৰ্তী বৃহত্তৰ আঁৰিমাৰী, বাইগৰমাৰী, মাগুৰমাৰী, খেতাশ্বৰ, শ্যামপুৰ আদি অঞ্চলত কৃত্ৰিম বানত কৃষিভূমি প্লাৱিত এলেকাত এটি সাংবাদিকৰ সঁজাতী দলে পৰিদৰ্শন কৰি ক্ষতিগ্ৰস্ত মাকৈ খেতি, জিকা, কোমোৰা, কেৰেলা, বেঙেনা ইত্যাদিৰ তথ্য সংগ্ৰহ কৰে। ক্ষতিগ্ৰস্ত কৃষকৰ অভিযোগ আৰু সাংবাদিকৰ সংগৃহীত তথ্য মতে অঞ্চলসমূহত যোৱা কেইদিনমানৰ পৰা নেৰানেপেৰা বৰষুণৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বানৰ মাজতেই কিছুসংখ্যক কৃষকে মাকৈ খেতি চপাই আনিছে যদিও মাকৈসমূহ ৰ'দত শুকুৱাব নোৱাৰাত গজালি মেলি নষ্ট হৈ গৈছে। শ শ



বিঘাৰ মাকৈ খেতিৰ পৰা কিছু হ'লেও খেতিৰ খৰচৰ টকা পোৱাৰ আশাত পানীৰ তলৰ পৰা মাকৈ উঠাই ট্ৰেক্টৰেৰে চপাই আনিছে কৃষকসকলে। তাৰ বিপৰীতে কৃষকসকলে পাচলিসমূহ খেতিতেই পচি যোৱাত খেতিৰ পৰা উঠাব পৰা নাই কোমৰা, জিকা, কেৰেলা, বেঙেনা, ভেণ্ডী আদি। ইফালে ভাল বতৰ হ'লেই আৰু অলপ ৰ'দ দিলেই ৰাজপথতে নষ্ট হ'বলৈ উপক্ৰম হোৱা মাকৈ শুকাবলগীয় হৈছে কৃষকে। কৃষকসকলে অতি কষ্টৰ মাজেৰে পানীৰ তলৰ পৰা উঠাই অনা মাকৈৰ উচিত মূল্য আৰু বিনষ্ট হোৱা মাকৈ, পাচলি খেতিৰ বিপৰীতে কিছু আৰ্থিক সাহায্য দিবলৈ মুখ্যমন্ত্ৰীৰ লগতে কৃষিমন্ত্ৰী অতুল বৰাক আহ্বান জনায়।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# মহিলাক অশ্লীল ইংগিত দি ৰাইজৰ ৰোষত ৰিক্সাচালক

**ই-সংবাদ, বাঁহজানী, ২ জুন :** নলবাৰীৰ জাপাৰকুছিত মুহূৰ্ততে হাহাকাৰময় অৱস্থাৰ সৃষ্টি হৈছে। এজন ই-ৰিক্সা চালকৰ কুকাৰ্যক লৈ হাহাকাৰ লাগি উঠে গাঁওখনত। অভিযোগ মতে কেইবাদিনো ধৰি জাপাৰকুছিৰ এটা পৰিয়ালৰ সন্মুখত ই-ৰিক্সাখন ৰখাই চালকজনে মহিলা-যুৱতী দেখিলেই অশ্লীল ইংগিত দিয়া আৰম্ভ কৰে। কেইবাদিনো ধৰি স্থানীয় একাংশ লোকে চালকজনৰ এনে কাৰ্য প্ৰত্যক্ষ কৰিছিল। তাৰ পিছত কোনো লোকে চালকজনৰ এনে কাৰ্য গোপনে ভিডিঅ' কৰি ৰাখিছিল। আজি পুনৰ চালকজনে গাঁওখনত উপস্থিত হৈ তেনে কাৰ্য কৰাত দুগৰাকী মহিলাই চিঞৰ-বাখৰ কৰাত স্থানীয় লোকসকল ওলাই আহি চালকজনক উত্তম-মধ্যম শোধাই আবদ্ধ কৰি ৰাখে। পিছত ঘটনাৰ খবৰ পোৱাৰ কিছু মুহূৰ্তৰ পিছতে নলবাৰী সদৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ই-ৰিক্সা চালকজনক আটক কৰি থানালৈ আনে।

# বিদ্যুৎ বিভাগে মৰণফান্দ পাতিছে দৰঙৰ দুনীত

**ই-সংবাদ, দুনী, ২ জুন :** স্মাৰ্ট মিটাৰ লগাই স্মাৰ্ট হোৱা বিদ্যুৎ বিভাগ কিন্তু গ্ৰামাঞ্চলত স্মাৰ্ট নহ'ল বিদ্যুৎ বিভাগ। ছিপাঝাৰ বিদ্যুৎ উপ-সংমণ্ডলৰ অধীনস্থ পশ্চিম দৰঙৰ দুনী স্নাতক মহাবিদ্যালয়ৰ ওচৰতে থকা শৰ্মা চুবুৰি সংযোগী এটা বিদ্যুতৰ খুঁটাই বিপদ মাতিছে। যিকোনো মুহূৰ্তত হ'ব পাৰে ভয়ংকৰ বিপদ। চুবুৰিটো সংযোগী বিদ্যুতৰ খুঁটা এটা বিপজ্জনকভাৱে হালি গৈছে। খুঁটাটো হালি যোৱাৰ ফলত দুয়োডাল তাঁৰ তামোল গছত লাগি ধৰাত কথমপি বাগৰি নপৰাকৈ আছে খুঁটাটো। বাৰম্বাৰ বিদ্যুৎ বিভাগৰ অভিযোগ কক্ষ আৰু ছিপাঝাৰ উপ-সংমণ্ডলৰ বিষয়াজনক অভিযোগ দিয়াৰ পিছতো গা লৰা নাই বিভাগটোৰ। এই ক্ষেত্ৰত শীঘ্ৰে বিদ্যুতৰ খুঁটাটো মেৰামতি নকৰিলে যিকোনো মুহূৰ্তত পাৰ্শ্বৱৰ্তী এলেকাটোত বিপদ ঘটাটো নিশ্চিত। অনাকাংক্ষিত বিপদৰ পৰা ধন-জন ৰক্ষা কৰিবলৈ বিভাগটোক স্থানীয় লোকে অনুৰোধ জনাইছে।

# বাংলাদেশলৈ প্ৰেৰণ কৰা হ'ল নেকি কন্যাক? অশীতিপৰ পিতৃৰ হাহাকাৰ

**ই-সংবাদ, তামাৰহাট, ২ জুনঃ** নিজ কন্যাৰ সন্ধান নাপাই ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত কুকিলাডাঙা গাঁৱৰ বাসিন্দা আশীৰ ঊৰ্ধ্ব আব্দুল হক আকন্দৰ লগতে পৰিয়ালটোৱে বৰ্তমান সময়ত শোক, দুশ্চিন্তা আৰু অনিশ্চয়তাত ভুগি আছে। তেওঁৰ কন্যা ফিৰোজা বিবি ২৬ মে'ৰ দিনা কোকৰাঝাৰ আৰক্ষীৰ দ্বাৰা আটক হোৱাৰ পৰাই সম্পূৰ্ণ পৰিয়ালটোৱে অজান আশংকাৰ মাজত দিন পাৰ কৰিব লগা হৈছে। জানিবলৈ দিয়া মতে ফিৰোজা বিবিৰ বিবাহ হৈছিল কোকৰাঝাৰ জিলাৰ শিমলটাপু আৰক্ষী চকীৰ অন্তৰ্গত শিমলটাপু দ্বিতীয় খণ্ড গাঁৱত। তিনি সন্তানৰ মাতৃ ফিৰোজা বিবিৰ নাম ২০১১ চনত সন্দেহযুক্ত নাগৰিকৰ তালিকাত অন্তৰ্ভুক্ত হোৱাত আদালতত এটা গোচৰ চলি আছে। ইয়াৰ মাজতে ২৬ মে'ৰ দিনা সেই গোচৰৰ পৰিপ্ৰেক্ষিতত তেওঁক কোকৰাঝাৰ আৰক্ষীয়ে আটক কৰে। আটক কৰাৰ দিনাই পিতৃ আব্দুল হক আকন্দ আৰু পৰিয়ালৰ সদস্যসকলে বৈধ নথি-পত্ৰ লৈ থানাত উপস্থিত হয় যদিও আৰক্ষীয়ে সেই নথি-পত্ৰ পৰীক্ষা নকৰাকৈয়ে ফিৰোজা বিবিক গোৱালপাৰাৰ ডিটেনচন কেম্পলৈ লৈ যোৱাৰ অভিযোগ কৰে। পৰিয়ালৰ লোকসকলে বহুবাৰ গোৱালপাৰা ডিটেনচন কেম্পত উপস্থিত হৈ যোগাযোগ কৰাৰ চেষ্টা কৰে কিন্তু কেম্প কৰ্তৃপক্ষই ফিৰোজা বিবিৰ উপস্থিতি নিশ্চিত নকৰাৰ ফলত তেওঁলোকৰ উদ্বেগ আৰু সন্দেহ অধিক ঘনীভূত হয়। ফিৰোজা বিবিক বাংলাদেশলৈ প্ৰেৰণ কৰা হ'ল নেকি - এই সন্দেহ এতিয়া পৰিয়ালৰ লগতে স্থানীয় ৰাইজৰ। কাৰণ এতিয়ালৈকে প্ৰশাসনে ফিৰোজা বিবিৰ সঠিক অৱস্থানৰ বিষয়ে কোনো তথ্য প্ৰকাশ কৰা নাই পৰিয়ালক। এই গোপনীয়তা আৰু আৰক্ষীৰ নীৰৱতাক অধিক সন্দেহজনক কৰি তুলিছে। ইপিনে কন্যাৰ সন্ধান নাপাই দুশ্চিন্তাত দিন কটাইছে আশীৰ ঊৰ্ধ্ব পিতৃ আব্দুল হক আকন্দে। কিয় পৰিয়ালটোক অন্ধকাৰত ৰাখি তথ্য গোপন কৰা হৈছে ফিৰোজা বিবিৰ। ঘটনাটোক লৈ সৰ্বসাধাৰণৰ মাজত গভীৰ ক্ষোভ আৰু উদ্বেগৰ সৃষ্টি হৈছে।

## উচ্চপৰ্যায়ৰ তদন্তৰ দাবীত আক্ৰাছুৰ স্মাৰক-পত্ৰ প্ৰদান

# আগমনিত কাৰ্যকাল সমাপ্তৰ পিছতো প্ৰধান শিক্ষকৰ দায়িত্ব প্ৰদান

**ই-সংবাদ, গোলকগঞ্জ, ২ জুন :** ধুবুৰী জিলাৰ আগমনি খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত ১৫৪৪ নং প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ চাকৰি কাৰ্যকাল সমাপ্ত হোৱাৰ পিছতো অৱসৰৰ নলৈ চৈধ্য মাহে চৰকাৰী দৰমহাসহ নিজ পদত অধিষ্ঠিত হৈ থকা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আজি ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্ত কৰি দোষীৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণৰ দাবী জনাই আগমনি আঞ্চলিক আক্ৰাছুৱে আগমনি খণ্ড প্ৰাথমিক শিক্ষা বিষয়া, জিলা আয়ুক্ত, অভিভাৱক মন্ত্ৰী আদিলৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। জানিব পৰা মতে, বিদ্যালয়খনৰ প্ৰধান শিক্ষক আজিজুৰ ৰহমানৰ চাকৰি কাল সমাপ্ত হৈছিল বিগত বছৰৰ ৩১ মাৰ্চত। অভিযোগ মতে, ৰহমানৰ মেট্ৰিকৰ প্ৰৱেশ-পত্ৰত থকা জন্ম তাৰিখ ইচ্ছাকৃতভাৱে কোনোবাই মচি পেলায়। তাৰ পিছত ভুৱা জন্ম তাৰিখেৰে আধাৰ কাৰ্ড প্ৰস্তুত কৰি অৱসৰ নলৈ প্ৰধান শিক্ষকৰ কাৰ্যকাল চলাই থাকে। এই ক্ষেত্ৰত ৰহস্যৰ গোন্ধ পাইছে আক্ৰাছুৱে। আক্ৰাছুৰ অভিযোগ মতে চাকৰিৰ কাৰ্যকাল শেষ হোৱাৰ পূৰ্বেই কৰ্তৃপক্ষই আগজাননী প্ৰেৰণ কৰিব লাগে। কিন্তু তাকে নকৰি ওলোটা নিজ তল্লী প্ৰাথমিক বিদ্যালয়ৰ লগতে পুৰস্কাৰ হিচাপে ১৮৮৭ নং কালডোৱা গাঁৱলীয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষককো দায়িত্ব প্ৰদান কৰে। এই ক্ষেত্ৰত আগমনি খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীৰ গোপন বুজাবুজি থকাৰ অভিযোগ উত্থাপন কৰিছে ছাত্ৰ সংগঠনটোৱে। কাৰণ প্ৰধান শিক্ষক আজিজুৰ ৰহমানৰ বিৰুদ্ধে মধ্যাহ্ন ভোজন, ইউনিফৰ্ম বিতৰণ, আন্তঃগাঁথনিৰ ধনকে ধৰি বিভিন্ন ধন আত্মসাতৰ অভিযোগ পূৰ্বৰে পৰা আছে। তৎসত্বেও তেওঁক অতিৰিক্ত এখন বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ দায়িত্ব প্ৰদান কৰা, অৱসৰৰ পিছতো আগজননী প্ৰেৰণ নকৰি তেওঁক অবৈধভাৱে ধন সংগ্ৰহ কৰাত সহায় কৰা আদি ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইয়াৰ লগত পূৰ্বৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ধৰ্ম প্ৰসাদ ৰায়ো জড়িত থকা বুলি সৰ্বত্ৰ চৰ্চা আৰম্ভ হৈছে। অতিশীঘ্ৰে তদন্ত কৰি দোষীৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ নকৰিলে আক্ৰাছুৱে গণতান্ত্ৰিকভাৱে তীব্ৰ আন্দোলন কৰাৰ সকীয়নি প্ৰদান কৰে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## উত্তৰ কোৰিয়াৰ ডিজিটেল চেঞ্চৰশ্বিপৰ নমুনা

# প্ৰতি ৫ মিনিটৰ মূৰে মূৰে চৰকাৰলৈ যায় নাগৰিকৰ ম'বাইলৰ স্ক্ৰীনশ্বট

**ই-সংবাদ, ২ জুন:** উত্তৰ কোৰিয়াৰ পৰা চোৰাংভাৱে উলিয়াই অনা এটা স্মাৰ্টফোনে দেশখনৰ চৰম ডিজিটেল নিয়ন্ত্ৰণ ব্যৱস্থা উন্মোচন কৰিছে। ডিভাইচটোৱে প্ৰকাশ কৰিছে যে উত্তৰ কোৰিয়াৰ স্মাৰ্টফোনসমূহ কন্টেন্ট চেঞ্চৰ কৰিবলৈ, ব্যৱহাৰকাৰীক নিৰীক্ষণ কৰিবলৈ আৰু ৰাষ্ট্ৰৰ মতাদৰ্শক বলপূৰ্বক জাপি দিবলৈ ব্যৱহাৰ কৰা হৈছে। এক অনুসন্ধানৰ অধীনত বিবিচিয়ে আহৰণ কৰা ফোনটোৰ অটোকাৰেক্ট ব্যৱস্থাত দক্ষিণ কোৰিয়াৰ শব্দসমূহক শাসন ব্যৱস্থাৰ অনুমোদিত ভাষালৈ সলনি কৰিবলৈ প্ৰগ্ৰেম কৰা হৈছে। উদাহৰণস্বৰূপে, "ছাউথ কোৰিয়া" (দক্ষিণ কোৰিয়া) টাইপ কৰিলে "পাপেট ষ্টেট" (পুতলা ৰাষ্ট্ৰ) হৈ পৰে, আনহাতে "অ'প্পা" শব্দটো হৈ পৰে "কমৰেড"। ইয়াতকৈও আচৰিত কথাটো হ'ল, ফোনটোৱে প্ৰতি পাঁচ মিনিটৰ মূৰে মূৰে স্বয়ংক্ৰিয়ভাৱে স্ক্ৰীনশ্বট লয়, কেৱল ৰাজ্যিক কৰ্তৃপক্ষইহে প্ৰৱেশ কৰিব পৰা সুপ্ত ফ'ল্ডাৰত স্ক্ৰীনশ্বটবোৰ সংৰক্ষণ কৰা হয়। ইয়াৰ ফলত বিষয়াসকলে ব্যৱহাৰকাৰীৰ এপ, বাৰ্তা আৰু আচৰণ নিৰবে অনুসৰণ কৰিব পাৰে। হাৰ্ডৱেৰ টেম্পাৰিং ৰোধ কৰিবলৈ সকলো ডিভাইচ ছীল কৰা হৈছে আৰু বিদেশী মাধ্যম বা বিশ্বৰ সকলো ইণ্টাৰনেটলৈ অভিগম কঠোৰভাৱে নিষিদ্ধ কৰা হৈছে । এই নিয়ন্ত্ৰণসমূহ অতিক্ৰম কৰাৰ চেষ্টা কৰাটো এটা গুৰুতৰ অপৰাধ বুলি গণ্য কৰা হয়। দেশখনৰপৰা পলায়ন কৰা সাক্ষ্যৰ ওপৰত ভিত্তি কৰি দক্ষিণ কোৰিয়া চৰকাৰৰ প্ৰতিবেদনত কিম জং উনৰ অধীনত ক্ৰমাৎ বৃদ্ধি পোৱা দমন কাৰ্য্যৰ কথা প্ৰকাশ পাইছে। শেহতীয়া এক ঘটনাত দক্ষিণ কোৰিয়াৰ সংগীত আৰু ভিডিঅ' শ্বেয়াৰ কৰাৰ অপৰাধত এজন ২২ বছৰীয়া যুৱকক ফাঁচী দিয়া হৈছিল। উত্তৰ কোৰিয়াৰ ডিজিটেল চেন্সৰশ্বিপ মডেল নিয়ন্ত্ৰণৰ বাহিৰত। ইয়াৰ লক্ষ্য হৈছে নাগৰিকৰ চিন্তা আৰু আচৰণক পুনৰ গঢ় দিয়া। এই কঠোৰ নিৰীক্ষণত থকা সমাজখনত গোপনীয়তাৰ অস্তিত্ব নাই আৰু স্মাৰ্টফোন যোগাযোগৰ আহিলাৰ ঠাইত ৰাষ্ট্ৰৰ চোৰাংচোৱাগিৰি আহিলাহে হৈ পৰা পৰিলক্ষিত হৈছে।



চিচিলিত ইউৰোপৰ অন্যতম সক্ৰিয় আগ্নেয়গিৰি মাউণ্ট এটনাৰ উদগীৰণৰ দৃশ্য, ফটো সোমবাৰৰ



# ছত্তীশগড়ত ১৬ মাওবাদীৰ আত্মসমৰ্পণ

**ৰায়পুৰ, ২ জুন:** ছত্তীশগড়ৰ সুকমা জিলাত সামূহিকভাৱে ২৫ লাখ টকাৰ বাউণ্টি থকা যোল্লজন মাওবাদীয়ে আত্মসমৰ্পণ কৰে বুলি আজি আৰক্ষীয়ে প্ৰকাশ কৰে। সুকমাৰ আৰক্ষী অধীক্ষক কিৰণ জি চাভানে কয় যে আত্মসমৰ্পণ কৰা ১৬ জন মাওবাদীৰ ভিতৰত ৯ জন চিন্তালান আৰক্ষী থানাৰ সীমাৰ অন্তৰ্গত কেৰলাপেণ্ডা গাঁও পঞ্চায়তৰ। তেওঁলোকৰ আত্মসমৰ্পণৰ লগে লগে গাঁওখন মাওবাদীৰ পৰা মুক্ত হৈছে আৰু ৰাজ্য চৰকাৰৰ নতুন আঁচনিৰ অধীনত উন্নয়নৰ পুঁজিৰ বাবে ১ কোটি টকা লাভ কৰিব বুলি চাভানে জানিবলৈ দিয়ে। ৰাজ্যৰ আৰক্ষী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীয়ে অঞ্চলটোত মাওবাদীৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তোলাৰ পাছতে এই দলটোৱে আত্মসমৰ্পণ কৰা বুলি জানিবলৈ দিয়ে জিলা আৰক্ষী অধীক্ষকগৰাকীয়ে।চুকমা আৰক্ষীয়ে জাৰি কৰা এক বিবৃতিত কোৱা হৈছে যে ১৬ জনৰ ভিতৰত আছে দুজন জ্যেষ্ঠ কেডাৰ - পিপলছ লিবাৰেচন গেৰিলা আৰ্মিৰ ২ নম্বৰ কোম্পানীৰ সক্ৰিয় সদস্য ৰীতা ওৰফে ড'ডি চুক্কি আৰু পিএলজিএ বেটেলিয়ন নং ৩ৰ সদস্য ৰাহুল পুনেম।

# উৰন্ত বিমানত শগুণৰ খুন্দা, ৰাঁচীত জৰুৰী অৱতৰণ

**ৰাঁচী, ২ জুন:** ৪ হাজাৰ ফুট উচ্চতাত চৰাইৰ আঘাতৰ পাছত এখন ইণ্ডিগ' বিমানত জৰুৰীভাৱে অৱতৰণ কৰবলগীয়া হয়। আজি দিনৰ ১.১৪ বজাত সংঘটিত হয় এই ঘটনা। জানিব পৰামতে বিমানখনত এটা শগুণে খুন্দা মাৰিছিল। ইয়াৰ পাছতে প্ৰায় ১৭৫ জন যাত্ৰী কঢ়িয়াই নিয়া বিমানখনে ৰাঁচীৰ বীৰছা মুণ্ডা বিমানবন্দৰত জৰুৰীভাৱে অৱতৰণ কৰে। আটাইকেইজন যাত্ৰী আৰু ক্ৰু মেম্বাৰ সুৰক্ষিত থকাৰ বিপৰীতে এয়াৰবাছ ৩২০ বিমানখনৰ ক্ষতি হৈছে বুলিও বিমান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। ৰাঞ্চিৰৰ পৰা প্ৰায় ১০ৰ পৰা ১২ নটিকেল মাইল দূৰত ৩,০০০ৰ পৰা ৪,০০০ ফুট উচ্চতাত এই কাণ্ড সংঘটিত হয়। ইণ্ডিগ' বিমানখন পাটনাৰ পৰা ৰাঞ্চিলৈ গৈ আছিল আৰু পাইলটে ইয়াত জৰুৰীকালীন অৱতৰণ কৰিবলগীয়া হৈছিল। সকলো যাত্ৰী নিৰাপদে অৱতৰণ কৰে যদিও শগুনে খুন্দা মৰাৰ ফলত বিমানখনত ডেণ্ট হয়। অভিযন্তাসকলে ক্ষয়-ক্ষতিৰ মূল্যায়ন কৰি আছে।

# এতিয়াও প্ৰচলিত ২,০০০ টকীয়া নোট!

**মুম্বাই ২ জুন:** ভাৰতীয় ৰিজাৰ্ভ বেংকে দুবছৰ পূৰ্বে বন্ধ কৰি দিয়া সত্বেও আজিও প্ৰচলিত হৈ আছে ৬,১৮১ কোটি টকা মূল্যৰ ২০০০ টকীয়া নোট। সোমবাৰে প্ৰকাশ পোৱা চৰকাৰী তথ্য অনুসৰি ২০০০ টকীয়া নোটসমূহ এতিয়াও বৈধ। ২০২৩ চনৰ ১৯ মে'ত ২০০০ টকীয়া বেংক নোট প্ৰচলন প্ৰত্যাহাৰ কৰাৰ কথা ঘোষণা কৰিছিল আৰবিআইয়ে। ইতিমধ্যে ২০০০ টকীয়া বেংক নোটৰ ৯৮.২৬ শতাংশ বেংকক ঘূৰাই দিয়া হৈছে। এই বেংক নোটসমূহ জমা বা বিনিময়ৰ সুবিধা ২০২৩ চনৰ ৭ অক্টোবৰলৈকে সকলো বেংক শাখাতে উপলব্ধ আছিল। এতিয়া এই সুবিধা ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ১৯টা জাৰি কৰা কাৰ্যালয়তহে উপলব্ধ। ইয়াৰ বাহিৰেও ৰাইজে ভাৰতীয় ডাকযোগে আৰবিআইৰ যিকোনো কাৰ্যালয়লৈ ২০০০ টকীয়া নোট পঠিয়াই বেংক একাউণ্টত জমা দিব পাৰিব।

## তৃতীয় লিংগৰ 'পিতৃ-মাতৃ'ক স্বীকৃতি

**তিৰুৱনন্তপুৰম, ২ জুন:** কেৰালা উচ্চ ন্যায়ালয়ে সোমবাৰে এক ঐতিহাসিক ৰায়দান কৰি পৰম্পৰাগত 'পিতৃ' আৰু 'মাতৃ' লেবেলৰ ঠাইত তৃতীয় লিংগৰ দম্পতী জিয়া পাভাল আৰু জাহাদক তেওঁলোকৰ সন্তানৰ জন্মৰ প্ৰমাণ পত্ৰত 'পিতৃ-মাতৃ' (পেৰেণ্ট) হিচাপে আনুষ্ঠানিকভাৱে স্বীকৃতি দিয়ে। ২০২৩ চনৰ ফেব্ৰুৱাৰী মাহত ট্ৰেন্স মেন জাহাদে এই সন্তানটো জন্ম দিছিল আৰু ভাৰতৰ প্ৰথম মুকলিকৈ ট্ৰেন্সজেণ্ডাৰ পিতৃ-মাতৃ হিচাপে বাতৰিৰ শিৰোনাম দখল কৰিছিল।

# চিচিলিত মাউণ্ট এটনা আগ্নেয়গিৰিৰ উদগীৰণ

**চিচিলি, ২ জুন:** ইউৰোপৰ আটাইতকৈ সক্ৰিয় আগ্নেয়গিৰি মাউণ্ট এটনাৰ উদগীৰণ ঘটাৰ ফলত চিচিলিৰ আকাশ আজি ডাঠ ধোঁৱাৰ ডৌৰে ছানি ধৰিছে। পৰ্যটকেৰে ভৰি থকা মাউণ্ট এটনাৰ নামনিৰ পৰা সংগ্ৰহ কৰা বিভিন্ন দৃশ্যত ঘন ছাইৰ ডাৱৰৰ মাজত আতংকিত পৰ্যটকসকলে নিজৰ জীৱন ৰক্ষাৰ বাবে দৌৰা দেখা গৈছে। এই পৰ্যন্ত কোনো লোক হতাহত হোৱাৰ খবৰ পোৱা নাই। ১ জুনৰ নিশাই আগ্নেয়গিৰিৰ বিস্ফোৰণ আৰম্ভ হৈছিল আৰু তীব্ৰতৰ হৈ ষ্ট্ৰম্বলিয়ান পৰিঘটনালৈ পৰিণত হৈছিল, যাৰ বৈশিষ্ট্য হৈছে উদগীৰণ আৰু মাজে মাজে লাভাৰ বিস্ফোৰণ। ইটালীৰ নেশ্যনেল ইনষ্টিটিউট অৱ জিঅ'ফিজিক্স এণ্ড ভলকেন'লজিয়ে প্ৰকাশ কৰা মতে, বিস্ফোৰণৰ পূৰ্বে নিশা ধাৰাবাহিক কম্পন সংঘটিত হৈছিল। মাউণ্ট এটনা হৈছে সক্ৰিয় আগ্নেয়গিৰি।

# জেঠমহীয়া সবাহঃ ডাঁহী অৰ্জুনতলত দেৱবসনৰ দৰ ১.৬৬ লাখ

## তিনিদিনীয়াকৈ জেঠমহীয়া সবাহত হাজাৰ হাজাৰ ভক্তৰ ভিৰ

**ই-সংবাদ, দুনী ২ জুন :** পশ্চিম মঙলদৈৰ ডাঁহী অৰ্জুনতল শ্ৰীশ্ৰী বিষ্ণু মন্দিৰত আয়োজিত তিনিদিনীয়া জেঠমহীয়া ৰাইজৰ সবাহত হাজাৰ হাজাৰ ভক্তৰ ভিৰে উৎসৱমুখৰ কৰি তুলিছে। একেদৰে মন্দিৰটোৰ মণিকূট নিৰ্মাণৰ বাবে বহু পূৰ্বৰে পৰা আৰম্ভ কৰা দেৱবসনৰ নিলামত ১ লাখ ৬৬ হাজাৰ টকালৈ দৰ উঠে। আপাতদৃষ্টিত এখন বিশেষ ফুলাম গামোচা ইমান বিশাল ৰাশিৰ ধনৰ বিনিময়ত বিক্ৰীৰ বিষয়টোৱে অঞ্চলজুৰি চৰ্চা লাভ কৰিছে। লক্ষণীয় যে বিষ্ণু সহস্ৰ নাম পাঠেৰে আৰম্ভ হোৱা শ্ৰীশ্ৰী বিষ্ণু পূজা তথা জেঠমহীয়া ৰাইজৰ সবাহত হঠাৎ বতৰ ফৰকাল হোৱাত জনসমাগম বৃদ্ধি পায়। নিশা পূজাৰ মন্ত্ৰোচ্চাৰণৰ মাজত বৰভট্ট প্ৰজ্বলন, কীৰ্তিমানলৈ সম্বৰ্ধনা আৰু নাগাৰা নাম প্ৰদৰ্শিত হয়। দ্বিতীয় দিনটোৰ পুৱা পানীতোলা আৰু হোম-যজ্ঞৰ মাজতে সম্পন্ন হয় দেৱবসন নিলাম। দৰঙৰ সাংবাদিক মুকুটৰাজ শৰ্মাই মুকলি কৰা নিলামত কুৰিৰোধিক ভক্তই ভাগ লয় যদিও সীমা সুৰক্ষা বলৰ অৱসৰী কৰ্মচাৰী তথা মন্দিৰৰ ভক্ত নৰপতি শৰ্মাই ১ লাখ ৬৬ হাজাৰ টকাত অৰ্জন কৰে। মন কৰিবলগীয়া যে বিগত বৰ্ষত দেৱবসন আঢ়ৈ লাখ টকাত আৰু তাৰ পূৰ্বৰ বছৰ ২ লাখৰো অধিক দৰত নিলাম হৈছিল। স্বাভাৱিকতে, এই নিলাম আকৰ্ষণীয় হৈ পৰে আৰু ৰাইজৰ অপূৰ্ব হৰ্ষধ্বনিত নিলামকাৰীয়ে আশীৰ্বাদ লয়। ইয়াৰ পূৰ্বে ঐতিহাসিক অৰ্জুনতল পুখুৰীৰ পানীতোলা উৎসৱৰ ৰঙীন আৱিৰ ঘঁহি কৰা পৰিভ্ৰমণ আকৰ্ষণীয় হৈ উঠে। আবেলিৰ ভাগত ৰাইজৰ সবাহত মঙলদৈৰ বিধায়ক বসন্ত দাস, মীন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসসহ কেইবাজনো বিশিষ্ট লোকে ভাগ লয়। ৰাইজৰ সবাহতে ৰঙামাটি জিলা পৰিষদৰ নৱনিৰ্বাচিত সদস্য বিতোপন ডেকাসহ নৱনিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিকো আদৰণি জনোৱা হয়। আবেলি ৰেৱন নাথৰ ওজাপালি প্ৰদৰ্শন, নিৰ্মালি গ্ৰহণেৰে কাৰ্যসূচীৰ মূল পৰ্বৰ সামৰণি পৰে যদিও নিশালৈ শীতলা পূজা আৰু কাইলৈ ভিন্ন কাৰ্যসূচী সম্পূৰ্ণ হ'ব।



# তুলসীবাৰীত বিকশিত কৃষি সংকল্প অভিযান অনুষ্ঠিত

**ই-সংবাদ, ৰঙিয়া, ২ জুন :** ৰাষ্ট্ৰজুৰি ২৯ মে'ৰ পৰা ১২ জুনলৈ অনুষ্ঠিত হ'বলগা বিকশিত কৃষি সংকল্প অভিযানৰ কাৰ্যসূচী আজি ৰঙিয়াৰ তুলসীবাৰীত অনুষ্ঠিত কৰা হয়। কামৰূপ জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত স্থানীয় তুলসীবাৰী গৰখীয়া গোপাল মাৰলী থান প্ৰাংগণত ৰূপায়ণ কৰা হয় কৃষি সজাগতামূলক কাৰ্যসূচী। অঞ্চলটোৰ শতাধিক কৃষিজীৱী ৰাইজৰ উপস্থিতিত ৰূপায়িত কাৰ্যসূচীত কামৰূপ কৃষি বিজ্ঞান কেন্দ্ৰৰ পৰিচালক ডঃ অৰূপ শৰ্মা, অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰধান বিজ্ঞানী ডঃ সমীৰণ পাঠকৰ লগতে ডঃ জুলী তালুকদাৰ, ডঃ প্ৰণিতা কোঁৱৰ প্ৰমুখ্যে কৃষি বিশেষজ্ঞসকল উপস্থিত থাকি সজাগতামূলক কাৰ্যসূচীটোৰ জৰিয়তে কৃষিক্ষেত্ৰৰ উন্নয়ন সন্দৰ্ভত ৰাইজক বিভিন্ন পৰামৰ্শ প্ৰদান কৰে। একেটা অনুষ্ঠানতে পাণ্ডুৰী জিলা পৰিষদৰ নৱনিৰ্বাচিত সদস্য নিপন ভুঞাই অংশগ্ৰহণ কৰি আগবঢ়োৱা ভাষণ প্ৰসংগত কৃষিক মানৱ সভ্যতাৰ চালিকাশক্তি ৰূপে অভিহিত কৰে। কৃষি ক্ষেত্ৰৰ উন্নয়নকল্পে প্ৰধানমন্ত্ৰীয়ে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে

# জলডোবাত কোঁচ-ৰাজবংশী সাহিত্য সভাৰ প্ৰতিনিধিমূলক সভা

**ই-সংবাদ, তামাৰহাট, ২ জুন :** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত জলডোবা এম ভি স্কুল প্ৰাংগণত কালি অনুষ্ঠিত হয় পৰ্বতঝোৰা জিলা কোঁচ-ৰাজবংশী সাহিত্য সভাৰ এখন বিশেষ প্ৰতিনিধিমূলক সভা। সভাখন অনুষ্ঠিত হয় সভাপতি ভৰত চন্দ্ৰ ৰায়ৰ সভাপতিত্বত। সভাত কোঁচ-ৰাজবংশী সাহিত্য সভাৰ কেন্দ্ৰীয় সভাপতি ড° দ্বিজেন্দ্ৰ নাথ ভকতে কোঁচ-ৰাজবংশী ভাষা-সাহিত্যৰ লগতে এই জনগোষ্ঠীৰ আৰ্থ-সামাজিক, ৰাজনৈতিক আৰু শৈক্ষিক ক্ষেত্ৰৰ ওপৰত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। সভাত কোঁচ-ৰাজবংশী সাহিত্য সভাৰ সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মনে ভাষণ দি কোঁচ-ৰাজবংশী সমাজৰ সামগ্ৰিক উন্নয়নৰ দিশত মত ব্যক্ত কৰে। তেওঁ কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ বিবাহ অনুষ্ঠানত যৌতুক হিচাপে সামগ্ৰীৰ পৰিবৰ্তে নগদ ধনৰ প্ৰচলন কৰিবলৈ আহ্বান জনায়। এই বিশেষ সভাত আগন্তুক বিটিচি পৰিষদীয় নিৰ্বাচনত কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ পৰা কমেও পাঁচগৰাকী প্ৰাৰ্থীক প্ৰাৰ্থিত্ব প্ৰদান কৰাৰ বাবে দাবী উত্থাপন কৰা হয়। বিশেষকৈ গুমা পৰিষদীয় সমষ্টিত যুৱ নেতা নীলেশ্বৰ ৰায়ক প্ৰাৰ্থী হিচাপে আগবঢ়াবলৈ মুখ্যমন্ত্ৰী আৰু বিজেপিৰ অসম ৰাজ্যিক সভাপতিক অনুৰোধ জনাই এক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত উপস্থিত আছিল কোঁচ-ৰাজবংশী সাহিত্য সভাৰ উপ-সভাপতি মনিন্দ্ৰ ৰায়, বিলাসীপাৰা জিলা কমিটীৰ সভাপতি দেৱানন্দ চৌধুৰী, লেখিকা সভাৰ উপ-সভানেত্ৰী ৰঞ্জু ৰায়, সাংগঠনিক সম্পাদিকা পূৰ্ণিমা সৰকাৰ, সদস্যা ব্ৰজবালা ৰায় আৰু কোঁচ-ৰাজবংশী সাহিত্য সভাৰ পৰ্বতঝৰা জিলা কমিটীৰ সাধাৰণ সম্পাদিকা দীপালী বৰ্মন। উল্লেখযোগ্য যে একেখন সভাত ভনিতা ৰায়ক সভানেত্ৰী আৰু সৰেজিনী ৰায়ক সাধাৰণ সম্পাদিকা হিচাপে মনোনয়ন আগবঢ়াই মুঠ ৩১ জনীয়া সদস্যৰে পৰ্বতঝোৰা জিলা কোঁচ-ৰাজবংশী লেখিকা সভাৰ সমিতিখন গঠন কৰা হয়। লগতে নৱগঠিত পৰ্বতঝৰা জিলা কোঁচ-ৰাজবংশী লেখিকা সভাখনৰ শপত গ্ৰহণো অনুষ্ঠিত কৰা হয়।

YAL
TRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMEN
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KA
CALL: +91 88 76 99 50 95, +91 99 57 41

# উত্তৰ শালমাৰাত পথ নিৰ্মাণৰ বাবে স্থানান্তৰিত হ'ব ছহিদ বেদী

**ই-সংবাদ, অভয়াপুৰী, ২ জুন :** অসমৰ বিদেশী বহিষ্কাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া বঙাইগাঁও জিলাৰ ছহিদ খৰ্গেশ্বৰ ৰায়ৰ স্মৃতিত উত্তৰ শালমাৰাৰ তিনিআলি চ'কত নিৰ্মিত ছহিদ বেদীটো চাৰিশৰীয়া পথ নিৰ্মাণৰ বাবে স্থানান্তৰিত কৰিলেও উপযুক্ত স্থানত যাতে পুনৰ নিৰ্মাণৰ ব্যৱস্থা লয় তাৰ প্ৰতি প্ৰশাসনৰ ওচৰত দাবী জনাইছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে। আজি অভয়াপুৰী সম-জিলা আয়ুক্তলৈ প্ৰেৰণ কৰা এক আবেদনত সংগঠনটোৰবঙাইগাঁও জিলা সমিতিৰ সভাপতি ছফিকুল আলম শ্বেইখ আৰু সাধাৰণ সম্পাদক মহন্ত বৰ্মনে উল্লেখ কৰা মতে অসমৰ বিদেশী বহিষ্কাৰ আন্দোলনৰ সময়ত ছহিদ হোৱা খৰ্গেশ্বৰ ৰায়ৰ স্মৃতিত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, উত্তৰ শালমাৰা আঞ্চলিক ছাত্ৰ সন্থা আৰু অঞ্চলটোৰ বিশিষ্ট ব্যক্তিৰ পৰামৰ্শমতে উত্তৰ শালমাৰা তিনিআলি চ'কত ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত ছহিদ বেদীটো নিৰ্মাণ কৰা হৈছিল। সম্প্ৰতি পথটো চাৰিশৰীয়া পথলৈ উন্নীত কৰাত ছহিদ বেদীটো উক্ত স্থানৰ পৰা স্থানান্তৰিত কৰিবলগীয়া হোৱা সময়তে জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে ছহিদ বেদীৰ কাষতে অৱস্থিত আছু আৰু যুৱ-ছাত্ৰ পৰিষদৰ পূৰ্বৰ কাৰ্যালয়ৰ সমীপতে থকা ভূমিতে ছহিদ বেদীটো পুনৰ নিৰ্মাণৰ ব্যৱস্থা ল'বলৈ সংগঠনটোৱে সম-জিলা আয়ুক্তক দাবী জনায়।

# নলবাৰীত অসমীয়া গীত 'তুমি সোধা মোক' মুকলি

**ই-সংবাদ, বাঁহজানী, ২ জুন :** সোমবাৰে নলবাৰীৰ বিশিষ্ট সংগীত শিল্পী দীপক দাসৰ ষ্টুডিঅ'ত কংকণা তালুকদাৰৰ "তুমি সোধা মোক" নামৰ এটি আটকধুনীয়া গীতৰ শুভ উদ্বোধন কৰা হয়। গীতটোৰ শুভ উদ্বোধন কৰে 'অসম টাইম'ৰ মুখ্য সম্পাদক এম মহিবৰ ৰহমানে। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি ৰহমানে কয়, গীতটোৰ এদিন মই অডিঅ' শুনিছিলো। তেতিয়াই এই গীতটিত মুগ্ধ হৈ পৰিছিলো। তাৰ লগে লগে বিশিষ্ট সংগীত শিল্পী দীপক দাসে কয় এই গীতটো এটা আটকধুনীয়া গীত হিচাপে ৰাইজৰ মাজত সমাদৰ লাভ কৰিব। মই কণ্ঠদান কৰা গীত "পুৰাই পুৰাই ফুল তুলবা" শীৰ্ষক গীতটো এটা সময়ত ৰাইজৰ মাজত যথেষ্ট চলিল যদিও এতিয়া সেই গীতটি নোহোৱা হৈ গ'ল। কিন্তু কংকণাৰ গীতটো দহ-বিশ বছৰেৰো অধিক সময় ৰাইজৰ মাজত চলিব বুলি মই আশাবাদী। আজিৰ এই শুভ মুক্তি অনুষ্ঠানত 'অসম টাইম'ৰ মুখ্য সম্পাদক এম মহিবৰ ৰহমান, জেষ্ঠ সাংবাদিক কমলেশ শৰ্মা, কামৰূপ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰবক্তা ড° সঞ্জীৱ কুমাৰ গোস্বামীকে আদি কৰি যথেষ্টসংখ্যক সংগীতপ্ৰেমী উপস্থিত থাকে।



জিলা আয়ুক্তৰ উপস্থিতিত বনগাঁও আৰু উদমাৰী মইনা পাৰিজাত উদ্বোধন

# জাগীৰোডৰ সীতাজখলা মইনা পাৰিজাতৰ ২টা শাখা মুকলি

**ই-সংবাদ, জাগীৰোড, ২ জুন :** এজাক কণমানিৰ সৈতে মৰিগাঁও জিলাৰ আয়ুক্ত দেৱাশিস শৰ্মা। মইনাহঁতৰ মাজত বহি আদান-প্ৰদান কৰিলে মনৰ ভাব। বিভিন্ন কথাৰে কণ কণ শিশুসকলক দিলে আমেজ। দেওবাৰে ব্যতিক্ৰমী ৰূপত এইদৰে দেখা গ'ল জিলা আয়ুক্তগৰাকীক। জাগীৰোডৰ উদমাৰী আৰু সিঙ্কিশৰত দুটাকৈ মইনা পাৰিজাত শাখা শুভ উদ্বোধন কৰি শিশুসকলৰ সৈতে মত বিনিময় কৰে জিলা আয়ুক্ত দেৱাশিস শৰ্মাই। সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিৰ পৃষ্ঠপোষকতাত আৰু সীতাজখলা মইনা পাৰিজাতৰ উদ্যোগত বনগাঁও মইনা পাৰিজাত শাখাটি শুভ উদ্বোধন কৰে আয়ুক্তগৰাকীয়ে। ইয়াৰ পিছতে মটৰচাইকেলৰে আয়ুক্তগৰাকী উপস্থিত হয় উদমাৰীত। সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিৰ পৃষ্ঠপোষকতাত, সীতাজখলা মইনা পাৰিজাতৰ উদ্যোগত আৰু উদমাৰী নৱোদয় শিল্পী সংঘৰ সহযোগত উদমাৰী মইনা পাৰিজাত শাখাটিৰ শুভ উদ্বোধন কৰে আয়ুক্তগৰাকীয়ে । দুয়োটা অনুষ্ঠানতে অঞ্চলটোৰ শিশু আৰু ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ বিভিন্ন দিশৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰে। আনহাতে সদৌ অসম মইনা পাৰিজাতৰ অন্তৰ্গত দুয়োটা শাখাই ভিতৰুৱা অঞ্চলটোৰ শিশুসকলৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধন কৰাত সহায় কৰিব বুলি আশা প্ৰকাশ কৰে জিলা আয়ুক্ত দেৱাশিস শৰ্মাই।

# শিলিখাঘটীয়া বংশৰ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**ই-সংবাদ, মাৰ্ঘেৰিটা, ২ জুন:** মৰাণ জনগোষ্ঠীৰ অন্যতম শিলিখাঘটীয়া বংশৰ একমাত্ৰ অনুষ্ঠান শিলিখাঘটীয়া বংশ উন্নয়ন সমিতিৰ উদ্যোগত বংশটোৰ পৰা ২০২৫ বৰ্ষত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী সকলক সম্বৰ্ধনা জনোৱা হয়। ধূলিজান গাঁৱৰ বাবা মৰাণৰ বাসগৃহত অনুষ্ঠিত সম্বৰ্ধনা সভাত বংশটোৰ বহুকেইগৰাকী কৃতী ছাত্ৰ-ছাত্ৰী আৰু সফল ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰে। শিলিখাঘটীয়া বংশৰ জ্যেষ্ঠ ব্যক্তি গুণেশ্বৰ মৰাণৰ পৌৰোহিত্যত অনুষ্ঠিত সভাৰ আঁত ধৰে সমিতিৰ সম্পাদক ৰাণা মৰাণে। সভাত ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকল উপকৃত হ'ব পৰাকৈ শৈক্ষিক উত্তৰণ সম্বন্ধীয়, প্ৰেৰণামূলক বক্তব্য ৰাখে সমিতিৰ প্ৰাক্তন সভাপতি সোমেন মৰাণ, প্ৰাক্তন সম্পাদক সুন্দ্ৰজিৎ মৰাণ আৰু সমিতিৰ বৰ্তমানৰ সভাপতি বাস্তৱ মৰাণে । ছাত্ৰ-ছাত্ৰী সকলৰ অভিনন্দন অনুষ্ঠানটিৰ আঁত ধৰে যুটীয়া শিক্ষা সম্পাদক বেদান্ত মৰাণে । কৃতী ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন সঁফুৰা অৰ্পণ কৰাৰ পিছতে তেওঁলোকে ভৱিষ্যৎ পৰিকল্পনা সন্দৰ্ভত বক্তব্য ৰাখে। সম্বৰ্ধনা সভাত বংশটোৰ বয়োজ্যেষ্ঠ ব্যক্তি চেকেত মৰাণ, লাদেশ্বৰ মৰাণ, সমিতিৰ বিষয়ববীয়াসকল, অসম-অৰুণাচলৰ বিভিন্ন গাঁৱৰ পৰা অহা অভিভাৱক তথা স্থানীয় বংশধৰসকল উপস্থিত থাকে। গৃহস্থ বাবা মৰাণ আৰু পৰিয়ালৰ আপ্যায়নত এটি প্ৰীতিভোজৰ জৰিয়তে অনুষ্ঠানটিৰ সফল সামৰণি পৰে।

# নগাঁৱত অসম সাহিত্য সভাৰ প্ৰথম লেখক শিবিৰৰ আয়োজন

**ই-সংবাদ, বেবেজীয়া, ২ জুন:** অসম সাহিত্য সভাৰ উদ্যোগত প্ৰথমবাৰৰ বাবে নগাঁও আঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত নগাঁও জিলা সাহিত্য সভা, হোজাই জিলা সাহিত্য সভা আৰু মৰিগাঁও জিলা সাহিত্য সভাৰ সহযোগত অহা ৬ জুনৰ পৰা তিনিদিনীয়াকৈ 'লেখক শিবিৰ'ৰ আয়োজন কৰা হৈছে। কবিতা, গল্প, উপন্যাস আৰু নাট্য সাহিত্যৰ মনোগ্ৰাহী অনুষ্ঠানৰ সমাহাৰ ঘটিবলগীয়া এই 'লেখক শিবিৰ' নগাঁও জিলা পুথিভঁৰাল, কমলাদেৱী তোদী স্মৃতি ভৱন আৰু নগাঁও সাংস্কৃতিক প্ৰকল্পত অনুষ্ঠিত হ'ব। এই মৰ্মে, বিধায়ক ৰূপক শৰ্মাক সভাপতি, মৃণাল হাজৰিকাক কাৰ্যকৰী সভাপতি আৰু ৰেৱত কুমাৰ হাজৰিকাক সম্পাদক হিচাপে লৈ এখন আদৰণী সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱা 'চিৰ চেনেহী মোৰ ভাষা জননী' শীৰ্ষক গীতেৰে শুভাৰম্ভ হ'বলগীয়া উদ্বোধনী অনুষ্ঠানটি সঞ্চালনা কৰিব অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে। অনুষ্ঠানটি শুভ উদ্বোধন কৰিব নাগালেণ্ডৰ কবি, সাংবাদিক মনালিছা ছাংকিজাই। সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই উদ্দেশ্য ব্যাখ্যা আৰু আদৰণি সমিতিৰ সভাপতি তথা বিধায়ক ৰূপক শৰ্মাই আদৰণি ভাষণ আগবঢ়াবলগীয়া অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সন্মানীয় অতিথি হিচাপে সভাৰ প্ৰাক্তন সভাপতি ড° সূৰ্যকান্ত হাজৰিকা আৰু বিশিষ্ট অতিথি হিচাপে সভাৰ উপ-সভাপতি পদুম ৰাজখোৱা উপস্থিত থাকিব। ইয়াৰ পিছতে দিনৰ ১১ বজাৰ পৰা হ'ব লগা কবিতা অধিৱেশনৰ প্ৰথম বৈঠকখনি সঞ্চালনা কৰিব ৰাজীৱ বৰাই। আলোচক হিচাপে ভাগ ল'ব ড° তপতী বৰুৱা কাশ্যপ, দিগন্ত শইকীয়া, বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই, অনিন্দিতা বাৎসায়ন আৰু জংকি শৰ্মাই। বিয়লি ২.৩০ বজাৰ হ'ব লগা কবিতা অধিৱেশনৰ দ্বিতীয় বৈঠকখনি উদ্বোধন কৰিব ড° মঞ্জু লস্কৰে। অনুভৱ তুলসীয়ে সঞ্চালনা কৰিবলগীয়া বৈঠকত আলোচক হিচাপে প্ৰদীপ শইকীয়া, জোনমণি দাস, দ্বিজেন কুমাৰ দাস আৰু লুইত কিৰণ দাস আৰু নীলম গগৈ উপস্থিত থাকিব। দ্বিতীয় দিনা নগাঁও জিলা সাহিত্য সভাৰ কমলাদেৱী তোদী স্মৃতি ভৱনত পুৱা ৯.৩০ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা চুটিগল্প বিষয়ৰ প্ৰথম বৈঠকখন উদ্বোধন কৰিব শিৱানন্দ কাকতিয়ে। ড° অৰবিন্দ ৰাজখোৱাই সঞ্চালনা কৰিবলগীয়া বৈঠকত মনালিছা শইকীয়া, মণিকা দেৱী, সঞ্জীৱ পল ডেকা, বিপাশা বৰা আৰু পঞ্চানন হাজৰিকাই আলোচক হিচাপে অংশগ্ৰহণ কৰিব। তদ্ৰূপ বিয়লি ১.৩০ বজাৰ পৰা হ'ব লগা চুটিগল্প বিষয়ৰ দ্বিতীয় বৈঠকখন সঞ্চালনা কৰিব ডাঃ অপূৰ্ব কুমাৰ শইকীয়াই। বৈঠকত আলোচক হিচাপে ধ্ৰুৱজ্যোতি শৰ্মা, ড° মৌচুমী কন্দলী, গায়ত্ৰী প্ৰান্তিক শৰ্মা, ড° জুৰি বৰুৱা আৰু জিন্তু গীতাৰ্থ উপস্থিত থাকিব। একেদিনাই নগাঁও জিলা পুথিভঁৰালত পুৱা ৯.৩০ বজাৰ পৰা আৰম্ভ হ'বলগীয়া উপন্যাস বিষয়ৰ প্ৰথম বৈঠকখন উদ্বোধন কৰিব মিলেশ্বৰ পাতৰে। অনুৰাধা শৰ্মা পূজাৰীয়ে সঞ্চালনা কৰিব লগা বৈঠকখনত আলোচক হিচাপে প্ৰমোদ কলিতা, শুভ্ৰকিংকৰ গোস্বামী, পুলিন কলিতা, জুৰি বৰা বৰগোহাঞি আৰু ড° কাব্যশ্ৰী মহন্তই অংশগ্ৰহণ কৰিব। সেইদৰে বিয়লি ১.৩০ বজাৰ ড° অৰিন্দম বৰকটকীৰ সঞ্চালনাত অনুষ্ঠিত হ'ব লগা উপন্যাস বিষয়ৰ দ্বিতীয়খন বৈঠকত আলোচক হিচাপে উপস্থিত থাকিব ড° মালিনী, ড° মৃণাল কলিতা, নয়নজ্যোতি ভট্টাচাৰ্য, পাৰিজাত বৰুৱা আৰু অনামিকা বৰা। ইফালে, তৃতীয় দিনা পুৱা ৯.৩০ বজাৰ পৰা নগাঁও সাংস্কৃতিক প্ৰকল্প প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া নাটক বিষয়ৰ বৈঠকখনি উদ্বোধন কৰিব সপোনটি বৰদলৈয়ে। ড° ৰঞ্জন ভট্টাচাৰ্যই সঞ্চালনা কৰিবলগীয়া বৈঠকত আলোচক হিচাপে প্ৰশান্ত কটকী, পংকজজ্যোতি ভূঞা, দেৱব্ৰত মহন্ত, হিল্লোল কুমাৰ পাঠক আৰু নিজৰা ৰাজকুমাৰীয়ে অংশগ্ৰহণ কৰিব। বিয়লি সামৰণি পৰিবলগীয়া লেখক শিবিৰৰ সমূহ কাৰ্যসূচীতে সাহিত্য আৰু নাট্যানুৰাগীৰ উপস্থিতি সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰা আৰু আদৰণি সমিতিৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকাৰ লগতে নগাঁও, হোজাই আৰু মৰিগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ক্ৰমে ৰাজীৱ কুমাৰ হাজৰিকা, অচ্যুত ঠাকুৰীয়া আৰু কুশল বৰাই আন্তৰিকতাৰে কামনা কৰিছে।

# আৰ্টিছান হাব চেণ্টাৰ মুকলি

**ই-সংবাদ, তামুলপুৰ, ২ জুন:** শিশুৰ সৃজনশীল প্ৰতিভাৰ উত্তৰণ, শিশুৰ উপযুক্ত বিকাশ, ব্যক্তিত্ব বিকাশ আদিৰ বাবে তামুলপুৰত আৰ্টিছান হাব নামৰ এটি অনুষ্ঠান দেওবাৰে মুকলি কৰা হয়। তামুলপুৰ জিলা সদৰৰ মাজমজিয়াৰ তামুলপুৰ বজাৰৰ নিকটৱৰ্তী বাৰেইগাঁৱত দেওবাৰে বিয়লি অনুষ্ঠানটো বন্তি প্ৰজ্বলন কৰি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী হৰকান্ত মেধিয়ে। উদীয়মান শিল্পী নিকুঞ্জ কলিতাৰ এটি প্ৰাৰ্থনাৰে উদ্বোধনী অনুষ্ঠানটো আৰম্ভ কৰা অনুষ্ঠানত প্ৰিয়ংকা শৰণীয়াৰ নৃত্য, সুমিত্ৰা ৰাভাৰ স্বৰচিত কবিতা আবৃতি আৰু জিজ্ঞাশ্ৰী দাস আৰু দীপাংকৰ বসুমতাৰীৰ আধুনিক গীতে অনুষ্ঠানটো অধিক জীপাল কৰি তুলিছিল। উদ্বোধনী অনুষ্ঠানত বহুসংখ্যক অভিভাৱক, শুভাকাংক্ষীৰ লগতে নীলকান্ত পাটগিৰি, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰকৃতিশ পাটগিৰি, তামুলপুৰ মহাবিদ্যালয় সহকাৰী অধ্যাপিকা বন্দনা দাস, কুমাৰীকাটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক গোবিন্দ দাস, কুমাৰীকাটা উচ্চতৰ মাধ্যমিক বিদ্যালয় সহকাৰী শিক্ষয়িত্ৰী দুলুমণি দাস, আদৰ্শ গুৰুকুল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ বিষয় শিক্ষয়িত্ৰী সুজাতা ৰামচিয়াৰী আদি উপস্থিত আছিল। উল্লেখ্য যে নিবেদিতা পাটগিৰিয়ে মুখ্য সমন্বয়ক হিচাপে দায়িত্ব লোৱা অনুষ্ঠানটোত নৃত্য-কলা (আধুনিক/ক্লাছিকেল ), ভোকেল ( আধুনিক/ক্লাছিকেল) ফাইন আৰ্টছ আৰু সৃজনীমূলক শিক্ষা প্ৰদান কৰা হ'ব বুলি জানিব পৰা গৈছে।



# নামনি মাজুলীৰ বৰমুকলি গাঁৱৰ সুধাকণ্ঠ গ্ৰন্থাগাৰৰ পৃষ্ঠপোষকতাত প্ৰজ্ঞা অধ্যয়ন কেন্দ্ৰ উদ্বোধন

**ই-সংবাদ বিশেষ, মাজুলী, ২ জুন:** মাজুলী জিলাৰ নামনি মাজুলীৰ বৰমুকলি গাঁৱৰ "সুধাকণ্ঠ গ্ৰন্থাগাৰ"ৰ পৃষ্ঠপোষকতাত আজি "প্ৰজ্ঞা অধ্যয়ন কেন্দ্ৰ" নামৰ এক অধ্যয়ন কেন্দ্ৰ মুকলি কৰা হয়। পঞ্চম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে উক্ত অধ্যয়ন কেন্দ্ৰত ক'চিং চেন্টাৰৰ দৰে গণিত, বিজ্ঞান আৰু ইংৰাজী বিষয়ৰ পাঠদান আগবঢ়োৱা হ'ব। আজি বিয়লি দুই বজাত উক্ত অধ্যয়ন কেন্দ্ৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে নামনি মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কুশল হাজৰিকাই। নিজৰ উদ্বোধনী ভাষণত তেওঁ বৰমুকলি সুধাকণ্ঠ গ্ৰন্থাগাৰে ভৱিষ্যৎ প্ৰজন্মৰ প্ৰতি গ্ৰহণ কৰা দায়বদ্ধতাক উচ্চ প্ৰশংসা কৰে আৰু অনুষ্ঠানটোৰ সফল কামনা কৰে। সুধাকণ্ঠ গ্ৰন্থাগাৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰশান্ত দাসৰ সঞ্চালনাত অনুষ্ঠিত হোৱা উক্ত "প্ৰজ্ঞা অধ্যয়ন কেন্দ্ৰ" উদ্বোধনী অনুষ্ঠানটোৰ আঁত ধৰে সম্পাদক পীতাম্বৰ দাসে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰবক্তা জয়ন্ত দত্ত, অসমীয়া বিভাগৰ প্ৰবক্তা দিগন্ত শইকীয়া, পীতাম্বৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ প্ৰবক্তা যদু কলিতা, মাজৰ চাপৰি মধ্য ইংৰাজী বিদ্যালয়ৰ ইংৰাজী বিষয়ৰ শিক্ষক পৰমানন্দ মেধি, বৰমুকলি প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক পংকজ বৰায়ো অংশগ্ৰহণ কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি অনুপ্ৰেৰণামূলক ভাষণ প্ৰদান কৰে। ছাত্ৰীসকলে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# অতুল চন্দ্ৰ শইকীয়ালৈ শ্ৰদ্ধাঞ্জলি পৰিবহণ নিগম কৰ্মচাৰীৰ

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২ জুন :** শ্ৰমিক নেতা অতুল চন্দ্ৰ শইকীয়ালৈ কালি অসম ৰাজ্যিক পৰিবহণ নিগমৰ কৰ্মচাৰী সন্থাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অসম ৰাজ্যিক পৰিবহণ নিগমৰ মুখ্য কাৰ্যালয় পল্টন বজাৰস্থিত পৰিবহণ ভৱনত ৰাজ্যিক পৰিবহণ কৰ্মচাৰী সন্থাৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক, প্ৰাক্তন বিধায়ক তথা সৰ্বভাৰতীয় শ্ৰমিক নেতা অতুল চন্দ্ৰ শইকীয়াৰ ৪৩ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটো অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে শ্ৰমিক নেতাগৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, বন্তি প্ৰজ্বলন আৰু ইয়াৰ পিছত ভাগৱত পাঠ কৰা হয়। অনুষ্ঠানত শ্ৰমিক নেতা অতুল চন্দ্ৰ শইকীয়াৰ সু-সন্তান অতনু শইকীয়া আৰু অসম ৰাজ্যিক পৰিবহণ নিগমৰ কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় কমিটীৰ সাধাৰণ সম্পাদক বিপ্লৱ বৰুৱা, সম্পাদক বুবুল কলিতা, সাংগঠনিক সম্পাদক খয়বৰ আলী, শাখা সম্পাদক আবনুৰ আহমেদ, শাখা সভাপতি বনজিৎ বায়ন, সদস্য মিন্টু আহমেদ, বাবুল আলী, মোস্তাক আলী, ৰফিক আলী, পৰশু বৰ্মন, সঞ্জীৱ গগৈ, নৱজ্যোতি দাস, ভৈৰৱ বৰ্মন আদি কৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি অতুল চন্দ্ৰ শইকীয়াৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰি স্মৃতি ৰোমন্থন কৰে।

# চামগুৰিত বৈদ্যুতিন সংবাদ মাধ্যমৰ নতুন কাৰ্যালয় উদ্বোধন

**ই-সংবাদ, পুৰণিগুদাম, ২ জুন :** নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত চামগুৰিৰ বৈদ্যুতিন সংবাদ মাধ্যমৰ দীৰ্ঘদিনীয়া এক অভাৱ দূৰ কৰি কালি প্ৰথমবাৰৰ বাবে মুকলি কৰা হ'ল চামগুৰিৰ বৈদ্যুতিন মাধ্যম সন্থাৰ এটি নতুন কাৰ্যালয়ৰ গৃহ। চামগুৰি তিনিআলিত চামগুৰি সংবাদ কৰ্মীসকলৰ উমৈহতীয়া এটি স্থায়ী কাৰ্যালয় হিচাপে আৰম্ভ কৰা কাৰ্যালয়ৰ উদ্বোধন সভাত বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিসকল উপস্থিত থাকে। কাৰ্যসূচী মৰ্মে পুৱা ১০ বজাত চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা শিক্ষাবিদ প্ৰদীপ দাসে ফিতা কাটি কাৰ্যালয় গৃহৰ শুভ উদ্বোধন কৰাৰ পিছতে চামগুৰিৰ প্ৰয়াত তিনিজন সাংবাদিক ক্ৰমে দিগন্ত ভূঞা, নীলাভজ্যোতি হাজৰিকা আৰু ধন্তী হীৰাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে শংকৰদেৱ বিদ্যা নিকেতন পৰিচালনা সভাপতি মৃদুল কলিতাই আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে চামগুৰি মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি দেৱানন্দ বৰা আৰু সমাজকৰ্মী গিৰীশ দাস তথা অন্যান্য সদস্যসকলে। ইয়াৰ পিছতে চামগুৰিৰ বৈদ্যুতিন মাধ্যম সন্থাৰ সভাপতি শ্যামেন্দ্ৰ বৈৰাগীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মত-বিনিময় অনুষ্ঠানৰ আঁত ধৰে সাধাৰণ সম্পাদক অভিজিত বৰাই। সভাত সমাজকৰ্মী তীৰ্থ দাস,



ভাৰত গেছ এজেঞ্চিৰ শাখা পৰিচালক পৱন বৰা, জ্যেষ্ঠ সাংবাদিক নীলৰঞ্জন শৰ্মা, প্ৰদীপ বৰা, নৱজ্যোতি বৰা, প্ৰমোদ কুমাৰ শৰ্মা, দুলাল শৰ্মা, গাঁওপ্ৰধান সত্যজ্যোতি শইকীয়া, ৰূপজ্যোতি মহন্ত, নগাঁও মহকুমা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি জ্যোতিষ্মান বৰুৱা, চামগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক আকাশ বৰকাকতি, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ পুৰণিগুদাম আঞ্চলিক সভাপতি প্ৰাণকৃষ্ণ ডেকা, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলাৰ উপ-সভাপতি চন্দন ফুকন, যুটীয়া সম্পাদক দিব্যজ্যোতি হাজৰিকা প্ৰমুখ্যে কেইবাগৰাকীও গণ্যমান্য লোক উপস্থিত থাকি মত-বিনিময় কৰে।

# লাংহিন পৌৰসভাৰ প্ৰশংসনীয় পদক্ষেপ

**ই-সংবাদ, ফুলনি, ২ জুনঃ** কাৰ্বি আংলং জিলাৰ লাংহিন নগৰস্থিত বজাৰ এলেকাত বিগত চাৰি-পাঁচ দিন ধৰি নেৰানেপেৰা বৰষুণৰ ফলত নগৰখনৰ মাজমজিয়াত অৱস্থিত মাছ-মাংস আৰু শাক-পাচলিৰ ব্যৱসায়ীসকল বহু কষ্টৰ সন্মুখীন হোৱা পৰিলক্ষিত হৈছিল। কাৰণ উক্ত নগৰখনৰ নলাসমূহ আৱৰ্জনাৰে ঢাক খাই কৃত্ৰিম বানৰ সৃষ্টি হৈছিল। সেয়েহে সোমবাৰে ২১ দিন পূৰ্বে দায়িত্বভাৰ গ্ৰহণ কৰা লাংহিন পৌৰসভাৰ অধ্যক্ষ এথেলীয়ান মোছাহাৰী, উপাধ্যক্ষ ঋতুৰাজ বৰুৱা, ৱাৰ্ড কমিছনাৰ কৃষ্ণমোহন বসুমতাৰী আৰু হেমেন বসুমতাৰীৰ নেতৃত্বত লাংহিন বজাৰ এলেকাৰ নলাসমূহ চাফা কৰি দিয়া হয়। উক্ত নলাসমূহ চফা কৰি দিয়াৰ বাবে লাংহিন পৌৰসভাৰ বিষয়ববীয়াসকলক ধন্যবাদ জ্ঞাপন কৰে লাংহিন বজাৰৰ ব্যৱসায়ীসকলে।

# আজাৰাত অসম ডন বস্ক' বিশ্ববিদ্যালয়ত আলোচনা চক্ৰ সম্পন্ন




**গুৱাহাটী, ২ জুন :** অসম ডন বস্ক' বিশ্ববিদ্যালয় স্কুল অৱ টেকন'লজীৰ মেকানিকেল ইঞ্জিনিয়াৰিং বিভাগৰ উদ্যোগত 'ইমাৰ্জিং ফিল্ডছ ইন মেকানিকেল ইঞ্জিনিয়াৰিং' শীৰ্ষক এখন আলোচনা-চক্ৰ ৩০ মে'ত আজাৰা চৌহদত অনুষ্ঠিত হয়। মেকানিকেল ইঞ্জিনিয়াৰিং বিভাগৰ মুৰব্বী ড° বুলজিৎ বুঢ়াগোহাঁয়ে সমল ব্যক্তি হিচাপে ড° ধ্ৰুৱজিৎ শৰ্মাৰ পৰিচয় দাঙি ধৰে। ড° শৰ্মা বিভাগটোত নতুনকৈ নিযুক্তি পোৱা এগৰাকী সহকাৰী অধ্যাপক। ড° শৰ্মাই এক জ্ঞানবৰ্ধক আৰু আকৰ্ষণীয় বক্তব্য আগবঢ়ায়, য'ত তেওঁ মেকানিকেল ইঞ্জিনিয়াৰিং ক্ষেত্ৰখনত পৰিবৰ্তন হৈ থকা আধুনিক প্ৰযুক্তিৰ বিষয়ে আলোচনা কৰে। তেওঁ প্ৰথমে উদীয়মান প্ৰযুক্তিসমূহে কেনেকৈ মেকানিকেল ইঞ্জিনিয়াৰিঙৰ ৰূপান্তৰ ঘটাইছে, তাৰ ওপৰত আলোকপাত কৰে। তেওঁ এডিটিভ মেনুফেকচাৰিং, মেকাট্ৰনিক্স এণ্ড স্মাৰ্ট ছিষ্টেম, নেন'টেকন'লজি এণ্ড স্মাৰ্ট ইঞ্জিনিয়াৰিং, বায়'মেকানিক্স, আই এণ্ড মেচিন লাৰ্নিং ইন মেকেনিকেল ছিষ্টেমছ আদি বিষয়ৰ আলোচনা কৰে। এই আলোচনা-চক্ৰত ড° ধ্ৰুৱজিৎ শৰ্মাই অংশগ্ৰহণকাৰীসকলক শেহতীয়া প্ৰযুক্তিগত উন্নতি আৰু ইয়াৰ বাস্তৱ জগতৰ প্ৰয়োগৰ বিষয়ে পৰিচয় কৰাই দিয়ে। আলোচনা-চক্ৰখনত ড° বুলজিৎ বুঢ়াগোহাঁয়ে শলাগৰ শৰাই আগবঢ়ায়।




# পৰ্বতঝোৰাত বন বিষয়াৰ জ্ঞাতসাৰে অবৈধ কাঠফলা মিল চলি থকাৰ অভিযোগ

**ই-সংবাদ, পৰ্বতঝোৰা, ২ জুন :** যি সময়ত অসম চৰকাৰে দুৰ্নীতিক কঠোৰ হাতেৰে নিৰ্মূল কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে ঠিক তেনে সময়তে বিটিআৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰাৰ সুপাৰীঘাটস্থিত বন সংমণ্ডল বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত চাৰিটাকৈ বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অধীনস্থ বিভিন্ন ঠাইত গঢ়ি উঠিছে অবৈধ কাঠ ফলা মিলৰ মালিক পক্ষৰ ৰমৰমীয়া বেহাৰ অভিযোগ। উল্লেখ্য যে ৰহস্যজনকভাৱে চাৰিজনকৈ বনাঞ্চলিক বিষয়াক প্ৰতি মাহে বৃহৎ অংকৰ বিনিময়ত মেনেজ কৰি মিলসমূহ চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে স্বয়ং এবিএমছুৰ নেতৃবৃন্দই। ইপিনে বন বিষয়াক কাঠফলা মিলৰ মালিক পক্ষই মেনেজ কৰাত বনকৰ্মীসকলে কুলিৰ ভাও ধৰাৰ পৰিপ্ৰেক্ষিতত বন মাফিয়াৰ দলে দিনৰ পোহৰতে উক্ত অবৈধ কাঠফলা মিলসমূহত পৰ্বতঝোৰাৰ বিভিন্ন গভীৰ বনাঞ্চলৰ পৰা মূল্যবান গছ-গছনি বিশেষকৈ অপৈণত শাল, চেগুন, গমাৰি, তিতাচাপ গছ আদি কাটি তহলিং কৰি চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় চলাই থকাৰ পিছতো পৰ্বতঝোৰা বন সংমণ্ডল বিষয়াৰ লগতে ৰূপসী, গুমাকে আদি কৰি চাৰিজনকৈ বনাঞ্চলিক বিষয়াই নীৰৱ ভূমিকা পালন কৰা ঘটনাই সচেতন মহলক হতভম্ব কৰি তুলিছে। ইপিনে পৰ্বতঝোৰা বন সংমণ্ডল বিষয়াই যোগদান কৰাৰ পিছতে প্ৰথমে সষ্টম ভূমিকা পালন কৰা পৰিলক্ষিত হৈছিল যদিও বৰ্তমান বন সংমণ্ডল বিষয়াজনে ঠিকাদাৰৰ ভূমিকা পালন কৰাৰ ভয়াৱহ অভিযোগ উত্থাপিত হৈছে। বৰ্তমান পৰ্বতঝোৰা বন সংমণ্ডল বিষয়া কাৰ্যালয়টো দালালৰ ঘাটিত পৰিণত হৈছে বুলি জানিব পৰা গৈছে। ইপিনে আকৌ দুই-এজন কাঠ ফলা মিলৰ মালিক পক্ষই ১০ ইঞ্চিৰ অনুজ্ঞা-পত্ৰ লাভ কৰিছে যদিওঁ ডেৰ কুৰিতকৈ অধিক কাঠ ফলা মিলৰ মালিক পক্ষই বন বিভাগক বুঢ়া আঙুলি দেখুৱাই অবৈধভাৱে ২৪ ইঞ্চি ব্যৱহাৰ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে এবিএমছুৱে। সেয়ে অসম চৰকাৰ, বন মন্ত্ৰী, বিটিআৰ চীফ প্ৰমোদ বড়োৰ লগতে ভূমি ৰাজহ আৰু বন বিভাগৰ কাৰ্যবাহী সদস্য বি ফেৰেঙা ওৰফে ৰঞ্জিত বসুমতাৰীয়ে বন ধ্বংস, ৰঙামাটি খনন তথা ডেৰকুৰিতকৈ অধিক অবৈধ কাঠ ফলা মিলৰ মালিকৰ লগতে পৰ্বতঝোৰা বন সংমণ্ডল বিষয়া, চাৰিজনকৈ আঞ্চলিক বন বিষয়াৰ মিতিৰালিত জড়িত থকা দুষ্ট চক্ৰৰ বিৰুদ্ধে এইবাৰ কেনেধৰণৰ পদক্ষেপ হাতত লয় সেয়া সময়তহে লক্ষণীয় হ'ব। লগতে পৰ্বতঝোৰা বন সংমণ্ডলৰ বিষয়াজন পৰোক্ষভাৱে জড়িত থকা বুলি আঙুলি টোঁৱাইছে এবিএমছুৱে। এই ক্ষেত্ৰত বিভিন্ন দল-সংগঠনে বিভিন্ন সময়ত বন বিভাগক অভিযোগ দিয়া সত্বেও কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ কৰে দল-সংগঠনে। তাৎপৰ্যপূৰ্ণ কথাটো হৈছে মাজে-সময়ে যদিও দুই-এটা মিল জব্দ কৰে কিন্তু তাৰ পিছতেই আকৌ মাহ মাহ ধৰি বন্ধ হৈ পৰে বন বিভাগৰ অভিযান। দল-সংগঠনৰ মতে এয়া বন বিভাগৰ একপ্ৰকাৰ ভেঁকো-ভাওনাহে। এইক্ষেত্ৰত অসম চৰকাৰক এক উচ্চপৰ্যায়ৰ তদন্ত কৰি বিহিত ব্যৱস্থাগ্ৰহণৰ দাবী উত্থাপন কৰিছে বিভিন্ন দল-সংগঠনে।

## বাক্সাৰ ডুমুনীত বনৰীয়া হাতীৰ আক্ৰমণত গুৰুতৰভাৱে আহত এজন

**ই-সংবাদ, মুছলপুৰ, ২ জুন :** বাক্সাৰ ডুমুনীৰ অৰ্ণিবিলত কালি নিশা বনৰীয়া হাতীয়ে তাণ্ডৱ চলায়। বনৰীয়া হাতীৰ আক্ৰমণত এজন লোক গুৰুতৰভাৱে আহত হয়। গুৰুতৰভাৱে আহত গৱেল এক্কা (৪২) ক চিকিৎসাৰ বাবে সংকটজনক অৱস্থাত মুছলপুৰস্থিত ডাঃ ৰবি বড়ো অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে যদিও উন্নত চিকিৎসাৰ বাবে পিছত গুৱাহাটীলৈ প্ৰেৰণ কৰা হয়। বনৰীয়া হাতীয়ে লোকজনক আক্ৰমণ কৰাৰ লগতে তেওঁৰ বাসগৃহ ভাঙি চুড়মাৰ কৰে। পাহাৰৰ পৰা খাদ্যৰ সন্ধানত জনাঞ্চললৈ ওলাই অহা বনৰীয়া হাতীৰ জাকটোৱে গৱেল এক্কাৰ ভঁৰালৰ ধান, পাকঘৰৰ চাউল আৰু তামোল-কলগছৰ বাগান খাই তহিলং কৰে। বনৰীয়া হাতীৰ ভয়ত অঞ্চলটোৰ ৰাইজে বহুদিন ধৰি উজাগৰে নিশা কটাবলগীয়া হৈছে। উল্লেখ্য যে ডুমুনী-অৰ্ণিবিল অঞ্চলত বনৰীয়া হাতীৰ তাণ্ডৱ ৰোধ কৰাৰ বাবে বন বিভাগে কোনো ব্যৱস্থা গ্ৰহণ নকৰে বুলিও স্থানীয় ৰাইজে অভিযোগ কৰি আহিছে। যাৰ পৰিণতিত দীৰ্ঘদিন ধৰি বনৰীয়া হাতীয়ে সমগ্ৰ অঞ্চলটোত ত্ৰাসৰ সৃষ্টি কৰি আহিছে।

## উত্তৰ-পূব প্ৰাদেশিক মাৰোৱাৰী সন্মিলনৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সম্পন্ন




**ই-সংবাদ, খাৰুপেটীয়া, ২ জুন :** খাৰুপেটীয়াৰ শ্ৰীহনুমান মাৰোৱাৰী ধৰ্মশালাত দেওবাৰে উত্তৰ-পূব প্ৰাদেশিক মাৰোৱাৰী সন্মিলনৰ ২০২৫-২৭ সত্ৰৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। মাৰোৱাৰী সন্মিলনৰ খাৰুপেটীয়া শাখাৰ আতিথ্যত আয়োজন কৰা হৈছিল উক্ত সন্মিলন। উত্তৰ-পূব প্ৰাদেশিক মাৰোৱাৰী সন্মিলনৰ সভাপতি কৈলাস কাব্ৰাৰ অধ্যক্ষতাত প্ৰথমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। এই বৈঠকত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন শাখাৰ প্ৰায় ৯০ জন প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। বন্তি প্ৰজ্বলন আৰু অসমীয়া জাতীয় সংগীতৰ সামূহিক গায়নৰ পিছত বৈঠক আৰম্ভ কৰা হয়। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কৈলাস কাব্ৰা আৰু সাধাৰণ সম্পাদক ৰমেশ চন্দকে কয় যে যিয়ে অসমৰ হকে কাম কৰে তেওঁ এজন অসমীয়া। তেওঁ লগতে মাৰোৱাৰী সমাজৰ সকলো গঠনমূলক জনগোষ্ঠীৰ লগতে হিন্দুসকলৰ মাজত বৈবাহিক সম্পৰ্কক স্বীকৃতি দিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিবাহৰ পূৰ্বে ফটো শ্যুট আৰু সুৰাপানৰ বিৰোধিতা কৰি দিনত বিবাহ অনুষ্ঠানৰ পোষকতা কৰে। ভাষণত তেওঁ সমাজ সংস্কাৰৰ ক্ষেত্ৰত বাকী থকা খাদ্য অপচয় প্ৰথা বন্ধ কৰাৰ দৰে আন বহুতো কামৰ কথাও উল্লেখ কৰে। লগতে শোক সভা, সভা বা শ্ৰদ্ধাঞ্জলি সভাত সৰলতা আৰু মৰ্যাদাপূৰ্ণ পৰিৱেশৰ পোষকতা কৰে। ইয়াৰ পিছত ধন্যবাদ জ্ঞাপনৰ পিছত সামূহিক জাতীয় সংগীত গোৱা হয় আৰু তাৰ পিছত অনুষ্ঠান শেষ হোৱা বুলি ঘোষণা কৰা হয়। মাৰোৱাৰীসকলে আটাইতকৈ বেছি সমাজ সেৱাৰ লগত জড়িত কাম কৰাৰ কথা উনুকিয়াই কয়, আমি অনা-অসমীয়া, কিন্তু বহিৰাগত নহয়। অসমক ভাল পোৱা প্ৰতিজন লোকেই অসমীয়া। বানৰ সময়তেই হওক বা আন দুৰ্যোগেই হওক, মাৰোৱাৰী মানুহ সদায় আগত থাকে। এয়া সমাজৰ প্ৰতি আমাৰ দায়বদ্ধতা। এনে কাম সদায় কৰি যাব বুলি অংগীকাৰ কৰে মাৰোৱাৰী সমাজে।

# ছিপাঝাৰত বাঢ়নী পানীয়ে ছিঙিলে নিৰ্মাণৰত মথাউৰি



**ই-সংবাদ, ছিপাঝাৰ, ২ জুন :** বিগত সপ্তাহজুৰি হোৱা প্ৰবল বৰষুণৰ বাবে ৰাজ্যখনৰ নৈ, উপনৈসমূহ ওফন্দি উঠাৰ সমান্তৰালভাৱে ব্ৰহ্মপুত্ৰৰ বৃদ্ধি হোৱা জলস্তৰৰ আজি পুৱা ইয়াৰ ধানবাৰী অংশত গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্পৰ সুৰক্ষাৰ বাবে নিৰ্মীয়মাণ মথাউৰি এটা ছিঙি লৈ যায়। উল্লেখ্য যে কৃষি প্ৰকল্পৰ মাজেৰে বৈ যোৱা এটি সুঁতি ধলপুৰ শিৱ মন্দিৰৰ ওচৰত ভেটা দিয়া হৈছে। ফলত ৪০ কোটি টকা ব্যয় সাপেক্ষ মথাউৰিটোৰ এই অংশ কিছু দ হোৱাৰ বাবে ব্ৰহ্মপুত্ৰৰ সুঁতি ভেটি যাতায়াতৰ সুবিধাৰ্থে নিৰ্মাণ কৰা মথাউৰিটো প্ৰবল বানে খহাই নিয়ে। মথাউৰি ভাঙি সোমোৱা পানীয়ে কৃষি প্ৰকল্পটোৰ শস্যৰ ক্ষতি হোৱাৰ আশংকাই দেখা দিছে।

# চেলেংহাটত আটছাৰ গণ বিক্ষোভ কাৰ্যসূচী

**ই-সংবাদ, মৰিয়নি, ২ জুন :** আজি যোৰহাট জিলাৰ চেলেংহাটত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ টীয়ক শাখাৰ উদ্যোগত আৰু চেলেংহাটৰ বিভিন্ন দল-সংগঠনৰ সহযোগত ঐতিহাসিক ধোদৰ আলিৰ পুনৰ নিৰ্মাণৰ গতি ক্ষিপ্ৰ কৰাৰ দাবীত গণ বিক্ষোভ কাৰ্যসূচী পালন কৰে। মৰিয়নিৰ চেলেং কলিয়াপানীত বিধ্বস্ত ধোদৰ আলিৰ নিৰ্মাণৰ দাবীত আটছাই ৰূপায়িত কৰিছে প্ৰতিবাদী কাৰ্যসূচী। উল্লেখ্য যে ন-কছাৰীৰ পৰা আমগুৰি-জাঁজী দলংলৈকে ধোদৰ আলি সম্পূৰ্ণৰূপে যাতায়াতৰ অনুপযোগী হৈ পৰাত ৰাইজে যমৰ যাতনা ভোগ কৰিবলগীয়া হৈছে। বিক্ষোভস্থলীত বিজেপি চৰকাৰ গ' বেক, জিলা প্ৰশাসন হায় হায়, লোক নিৰ্মাণ বিভাগ হায় হায় আদি শ্লোগানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে ৰাজহ চক্ৰ বিষয়াৰ যোগেদি মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰে আৰু সোনকালে ৰাজ্য চৰকাৰে ইয়াৰ সমাধান নকৰিলে পৰৱৰ্তী সময়ত জংগী আন্দোলনৰ হুংকাৰ প্ৰদান কৰে।

# জৰাজীৰ্ণ পথ নিৰ্মাণৰ দাবীত গেলেকীত আছু আৰু যুৱ-ছাত্ৰ পৰিষদৰ প্ৰতিবাদী কাৰ্যসূচী

**ই-সংবাদ, গেলেকী, ২ জুন :** বিগত সময়ছোৱাত লোক নিৰ্মাণ বিভাগ আৰু অ' এন জি চি কৰ্তৃপক্ষই পথছোৱা নিৰ্মাণত হেমাহি কৰাৰ অভিযোগ আনি পুৱাৰে পৰা অ' এন জি চিৰ সমূহ যান-বাহন চলাচল বন্ধ কৰি অৱৰোধ কৰে সংগঠন দুটাই। উল্লেখযোগ্য যে নাজিৰা সমজিলাৰ অন্তৰ্গত গেলেকীৰ এটা অতি ব্যস্ত পথ বছৰ বছৰ ধৰি জৰাজীৰ্ণ হৈ পৰি আছে। বাৰিষাৰ সময়ছোৱাত পথছোৱায়েদি খোজকাঢ়ি বা দুচকীয়া বাহন লৈ যাতায়াত কৰাটো একেবাৰে অসম্ভৱ হৈ পৰে। কিছু কিছু ঠাইত পথৰ মাজতে সৃষ্টি হৈছে প্ৰকাণ্ড গাঁতৰ। পথটো হৈছে গেলেকী চাৰিআলিৰ পৰা নপাম-বাৰুৱতী সংযোগী পথ। এই পথছোৱায়েদি গেলেকীৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, গেলেকী পশু চিকিৎসালয়, গেলেকী হাইস্কুল, গেলেকী বদ্ৰীদাস মুদি বালিকা উচ্চ-মাধ্যমিক বিদ্যালয়, গেলেকী আৰক্ষী থানা, নপাম-বাৰুৱতী গাঁও পঞ্চায়তৰ কাৰ্যালয়, কেইবাখনো প্ৰাথমিক বিদ্যালয়ৰ, দুটাকৈ ব্যক্তিগত চাহ ফেক্টৰী, মহাৰত্ন কোম্পানী অ' এন জি চিৰ খনন আৰু উৎপাদন ৰিগৰ লগতে অ' এন জি চিৰ স্থায়ী কেইবাটাও বৃহৎ প্ৰকল্পৰ লোকৰ লগতে বাহন অহা-যোৱা কৰে। বিগত সময়ছোৱাত গেলেকী আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে কেইবাটাও দল-সংগঠনে এই পথছোৱা নিৰ্মাণৰ বাবে দাবী জনাই আহিছে যদিও গা লৰাব পৰা নাই বিভাগৰ লগতে অ' এন জি চিৰ কৰ্তৃপক্ষৰ। পথছোৱায়েদি নিতৌ অ' এন জি চিৰ গধুৰ বাহনৰ চলাচলে অধিক বিধ্বস্ত কৰি তুলিছে। যাৰ বাবে এতিয়া স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ লগতে সাধাৰণ পথচাৰী, চিকিৎসালয়লৈ অহা ৰোগীৰ বাবে পথছোৱা যাতায়াতৰ অনুপযোগী হৈ পৰিছে। যিকোনো সময়ত পথছোৱাত হ'ব পাৰে ভয়ংকৰ দুৰ্ঘটনা। বিগত বৰ্ষত সদৌ অসম ছাত্ৰ সন্থাৰ লগতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে এই পথছোৱা নিৰ্মাণৰ বাবে প্ৰতিবাদী কাৰ্যসূচী হাতত লৈছিল। লগতে পৰৱৰ্তী সময়ত পথছোৱায়েদি অ' এন জি চিৰ বাহন চলাচল বন্ধ কৰি দিয়াৰ দাবীৰে স্মাৰক-পত্ৰ প্ৰদান কৰা হৈছিল নাজিৰা মহকুমা প্ৰশাসনক। স্মাৰক-পত্ৰ লাভ কৰি প্ৰশাসনে দুয়োটা জাতীয় সংগঠনৰ প্ৰতিনিধি, লোক নিৰ্মাণ বিভাগৰ বিষয়ববীয়া আৰু তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ বিষয়ববীয়াৰ সৈতে এক ত্ৰিপাক্ষিক আলোচনাৰ ব্যৱস্থা কৰি দিছিল। বিগত বৰ্ষৰ মে'ত অনুষ্ঠিত সেই আলোচনাতে দণ্ডাধীশৰ সন্মুখত মহাৰত্ন কোম্পানী অ' এন জি চিৰ উচ্চপদস্থ বিষয়া, লোক নিৰ্মাণ বিভাগৰ বিষয়াই সংগঠন দুটাৰ প্ৰতিনিধিৰ আগত চাৰিমাহৰ ভিতৰত পথছোৱা নিৰ্মাণ কৰাৰ বাবে কথা দিছিল। কিন্তু আজি বছৰ দিন পাৰ হৈ যোৱাৰ পিছতো প্ৰতিশ্ৰুতি কেৱল প্ৰতিশ্ৰুতিতে সীমাবদ্ধ হৈ ৰ'ল। মাত্ৰ সামান্য মেৰামতি কৰি কাম সামৰিলে মহাৰত্ন কোম্পানীটোৱে। যাৰ বাবে পুনৰ এতিয়া এজাক বৰষুণতে পথছোৱা পুনৰ যাতায়াতৰ বাবে অনুপযোগী হৈ পৰিছে। বিদ্যালয়লৈ অহা কণ কণ ছাত্ৰ-ছাত্ৰীৰ লগতে চিকিৎসালয়লৈ অহা ৰোগী আৰু সাধাৰণ পথচাৰীয়ে বৰ্তমান জীয়াতু ভুগিবলগীয়া হৈছে। যাৰ বাবে আজি দুয়োটা সংগঠনে উক্ত পথছোৱা পুৱাৰে পৰা অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। পৰৱৰ্তী সময়ত জিলা প্ৰশাসনৰ অনুৰোধ ৰক্ষা কৰি এক সুস্থিৰ আলোচনাৰ মাজেৰে বিষয়টো সমাধানৰ প্ৰতিশ্ৰুতি দিয়াত অৱৰোধ কাৰ্যসূচী সাময়িকভাৱে প্ৰত্যাহাৰ কৰা হয়।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# ডিব্ৰুগড়ৰ বান পৰিস্থিতি সন্দৰ্ভত দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সভা

**ই-সংবাদ, ডিব্ৰুগড়, ২ জুন:** ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ উপ-সচিব শান্তনু গগৈ আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰকল্প বিষয়া মৃণালজ্যোতি বৰাৰ উপস্থিতিত আজি ডিব্ৰুগড় জিলাৰ সাম্প্ৰতিক বান পৰিস্থিতি সন্দৰ্ভত এখন সভা জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্ত ডাঃ মণিকা বৰাই ডিব্ৰুগড় জিলাৰ বান পৰিস্থিতিৰ ওপৰত আলোকপাত কৰাৰ লগতে ডিব্ৰুগড় জিলা দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰাধিকৰণৰ জিলা প্ৰকল্প বিষয়া দীপজ্যোতি হাতীকাকতীয়ে জিলাখনৰ বানাক্ৰান্ত এলেকাৰ সবিশেষ তথ্য, এছডিআৰএফ-এনডিআৰএফ তথা অগ্নি আৰু জৰুৰীকালীন সেৱা বিভাগৰ দ্বাৰা চলাই থকা উদ্ধাৰ অভিযান, বানাক্ৰান্তসকলৰ বাবে ইতিমধ্যে সাজু কৰি ৰখা আশ্ৰয় শিবিৰৰ লগতে বানাক্ৰান্ত ৰাইজৰ বাবে পৰ্যাপ্ত সাহায্য সামগ্ৰী ইত্যাদি সন্দৰ্ভত বিতং তথ্যসম্বলিত পাৱাৰ পইন্ট প্ৰেজেন্টেচন আগবঢ়ায়। সভাত ডিব্ৰুগড়ৰ নগৰাঞ্চলৰ বান সমস্যা সন্দৰ্ভতো বিতংভাৱে আলোচনা কৰা হয়। ডিব্ৰুগড় পৌৰ নিগমৰ কাৰ্যবাহী বিষয়া ন'ভাচ কুমাৰ দাসে বিগত বৰ্ষত ডিব্ৰুগড়ৰ নগৰাঞ্চলত হোৱা বান পৰিস্থিতিৰ যাতে পুনৰাবৃত্তি নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি সংশ্লিষ্ট বিভাগৰ দ্বাৰা গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। ডিব্ৰুগড় জিলাত বিগত বৰ্ষৰ বানত ক্ষতিগ্ৰস্ত হোৱা মথাউৰিসমূহৰ বৰ্তমানৰ অৱস্থাৰ বিষয়েও সভাত আলোচনা কৰা হয়। আনহাতে, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ বিভাগৰ উপ-সচিব শান্তনু গগৈয়ে সভাত উপস্থিত জনস্বাস্থ্য কাৰিকৰী, স্বাস্থ্য, জলসম্পদ, লোকনিৰ্মাণ (পথ), বিদ্যুৎ, হস্ততাঁত-বস্ত্ৰশিল্প, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা আদি বিভাগৰ বিষয়ববীয়াৰে সৈতে বান পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ যাৱতীয় প্ৰস্তুতি সন্দৰ্ভতো আলোচনা কৰে। সভাত সহকাৰী আয়ুক্ত সুৰভী শ্ৰীবাস্তৱা, মৰাণ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া কুইন গগৈ, টিংখাং ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ড০ উপাসনা দুৱৰা প্ৰমুখ্যে অন্যান্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। ইয়াৰ পিছতে দুয়োগৰাকী বিষয়াই ২ নং বগীবিল নিম্ন প্ৰাথমিক বিদ্যালয় বান সাহায্য শিবিৰ পৰিদৰ্শন কৰি আবাসীসকলৰ সৈতে মতবিনিময় কৰি পৰিস্থিতিৰ সবিশেষ বুজ লয়। তেওঁলোকে লেজাই হাৱাৰ ছেকেণ্ডেৰী বিদ্যালয় আদৰ্শ বান সাহায্য শিবিৰ পৰিদৰ্শন কৰি শিবিৰত উপলব্ধ বিভিন্ন সা-সুবিধা যেনে বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা, পুৰুষ আৰু মহিলাৰ বাবে পৃথক কোঠাৰ ব্যৱস্থা, অনাময় ব্যৱস্থা, প্ৰয়োজনীয় চিকিৎসাৰ সুবিধা, শিশুৰ উপযোগী স্থানৰ ব্যৱস্থা আদিৰ বিষয়ে বুজ লয়।

# তামাৰহাটৰ হাতীধুৰা মহাবিদ্যালয়ত ৯ টাকৈ বেটাৰী চুৰি

## এমাহৰ ভিতৰতে তিনিবাৰকৈ চুৰি

**ই-সংবাদ, তামাৰহাট, ২ জুন :** ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত হাতীধুৰা মহাবিদ্যালয়ত যোৱানিশা চোৰে গ্ৰীল ভাঙি চাফাই অভিযান চলায়। জানিব পৰা মতে, যোৱানিশা চোৰে মহাবিদ্যালয়খনৰ খিৰিকীৰ গ্ৰীল ভাঙি ভিতৰত প্ৰৱেশ কৰি চিচি টিভিৰ কেমেৰা ভাঙি ৯ টা বেটাৰী চুৰি কৰি লৈ যায়। ঘটনা সন্দৰ্ভত মহাবিদ্যালয় কৰ্তৃপক্ষই আজি তামাৰহাট থানাত এখন এজাহাৰ দাখিল কৰে। উক্ত এজাহাৰৰ ভিত্তিত তামাৰহাট থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্তক্ৰমে চুৰি সামগ্ৰী উদ্ধাৰৰ লগতে চোৰক আটক কৰাৰ বাবে অভিযান আৰম্ভ কৰিছে। মন কৰিবলগীয়া যে এটা মাহৰ ভিতৰতে তিনিবাৰকৈ চুৰিকাণ্ড সংঘটিত হয় মহাবিদ্যালয়খনত। আৰক্ষীয়ে তদন্ত কৰি চুৰি সামগ্ৰীসমূহ উদ্ধাৰ কৰাৰ লগতে চোৰক আটক কৰি উপযুক্ত শাস্তি দিয়াৰ বাবে মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাই আৰক্ষীৰ ওচৰত দাবী জনাইছে।

# নগাঁৱত বন্যাৰ্তক সহায়ৰ বাবে 'সুৰীয়া সাংস্কৃতিক অভিযান'ৰ ব্যতিক্ৰমী পদক্ষেপ

**ই-সংবাদ, বেবেজীয়া, ২ জুন:** ৰাজ্যৰ বিভিন্ন প্ৰান্তত এতিয়া অব্যাহত আছে বছৰৰ প্ৰথমটো প্ৰলয়ংকৰী বানৰ বিভীষিকা। ঢাহি-মুহি অহা বলিয়া বানে দিশহাৰা কৰিছে বহুতকে । প্ৰাণৰ মমতাত বহু বানাক্ৰান্তই ঘৰ-বাৰী এৰি আশ্ৰয় ল'বলগীয়া হৈছে নিৰাপদ স্থানত। এনে পৰিস্থিতিত বানাক্ৰান্তই অতি প্ৰয়োজনীয় এটুপি পানী বা এসাঁজ অন্ন-বস্ত্ৰৰ বাবে হামৰাও কাঢ়িবলগীয়াত পৰিছে। পিছে বন্যাৰ্তৰ এনে দুৰ্যোগৰ সময়ত তেওঁলোকৰ কাষত থিয় দি সহায়ৰ হাত আগবঢ়াবলৈ নগাঁও জিলাৰ উচ্চ শিক্ষাৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান নৈনে মহাবিদ্যালয়ে গ্ৰহণ কৰিছে বিশেষ পদক্ষেপ। জানিব পৰা মতে, মহাবিদ্যালয়খনৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ ব্যৱস্থাপনাত বানাক্ৰান্ত লোকসকলক সহায়ৰ বাবে ভ্ৰাম্যমাণ সাংস্কৃতিক অনুষ্ঠানৰ যোগেদি বিভিন্ন খাদ্য-সামগ্ৰী আৰু নিত্য প্ৰয়োজনীয় সামগ্ৰী বিচাৰি 'সুৰীয়া সাংস্কৃতিক অভিযান-২০২৫' নামেৰে এক ব্যতিক্ৰমী কাৰ্যসূচী হাতত লৈছে। কাইলৈ দিনৰ ১২ বজাত নৈনে মহাবিদ্যালয়ৰ প্ৰাংগণত শুভাৰম্ভ হ'ব লগা এই বিশেষ কাৰ্যসূচী জিলাখনৰ নৈনে চাৰিআলি, ৰাঙলু, কঠীয়াতলী, তুলসীমুখ, দেওধৰ চাৰিআলি, বৰঘাট বাইপাছ, পাথৰি, পোটনী, অৰ্জুনতল, বিহৰী গাঁও, পানীখাইতী আদি অঞ্চললৈ সুবিধা অনুসৰি প্ৰসাৰিত হ'ব বুলি নৈনে মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ অনুষ্ঠান বিষয়া তথা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° বসন্ত বৰাই জানিবলৈ দিছে। আচলতে, বানত আক্ৰান্ত লোকসকলক কিদৰে সহায় কৰিবৰ বাবে আগবাঢ়ি আহিব লগা হয় সেই বিষয়ে ছাত্ৰ-ছাত্ৰীক প্ৰত্যক্ষভাৱে বুজাই দিয়াৰ দৰে উদ্দেশ্যও জড়িত হৈ থকা এই বিশেষ ভ্ৰাম্যমাণ যাত্ৰাত স্বেচ্ছাসেৱকসকলৰ দ্বাৰা সজাগতামূলক বাটৰ নাটক, গীত, কবিতা আবৃত্তি আৰু নৃত্য পৰিৱেশনৰ যোগেদি আৰ্তজনৰ সহায়ৰ বাবে ব্যতিক্ৰমী পদক্ষেপ মহাবিদ্যালয়খনে গ্ৰহণ কৰিছে। ইফালে, মহাবিদ্যালয়খনৰ এনে মহৎ প্ৰচেষ্টাৰ প্ৰতি ইতিমধ্যে অসমৰ ভিন্ন প্ৰান্তৰ ভালেসংখ্যক হৃদয়ৱান লোকে সঁহাৰি জনাই মুক্তহস্তে অনুদান আৰু সামগ্ৰী আগবঢ়াইছে বুলি জানিব পৰা গৈছে। সম্প্ৰতি অত্যাধুনিক তথ্য-প্ৰযুক্তিৰ যুগত সামাজিক মাধ্যম বা কিছুসংখ্যক প্ৰচাৰ মাধ্যমত প্ৰচাৰ চলাই মানুহৰ বাঃ বাঃ লৈ অহা এচাম সুবিধাবাদী অনুষ্ঠানৰ বিপৰীতে নৈনে মহাবিদ্যালয়ে গ্ৰহণ কৰা এনে ব্যতিক্ৰমী আৰু মানৱ দৰদী প্ৰচেষ্টাৰ সকলোৰে শলাগ লৈছে।

# ডিব্ৰুগড়ত দুই সংগঠনৰ বিশ্ব পৰিৱেশ দিৱসৰ ব্যাপক আয়োজন

**ই-সংবাদ, ডিব্ৰুগড়, ২ জুন:** ডিব্ৰুগড়ৰ পৰিৱেশ শিক্ষণ কেন্দ্ৰ ইৰাব কিৰাব ,লেঙেৰীৰ "নেচাৰ্ছ কেয়াৰ এণ্ড ফ্ৰেণ্ডচ"ৰ উদ্যোগত আৰু অৱনী সংঘৰ সহযোগত ৫ জুনত অৱনী যুৱক সংঘ প্ৰাংগণত বিশ্ব পৰিৱেশ দিৱস অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। এই উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, কুইজ আৰু বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। প্ৰতিযোগিতাত স্থান পোৱা প্ৰতিযোগীসকলক মানপত্ৰৰ উপৰি পুৰস্কাৰ হিচাপে গ্ৰন্থ প্ৰদান কৰা হ'ব। উক্ত দিনা প্লাষ্টিক আৰু পলিথিনৰ প্ৰদূষণ সম্পৰ্কত, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰায়োগিক ভূ-তত্ত্ব বিভাগৰ প্ৰাক্তন অধ্যাপিকা ড° কল্পনা ডেকা কলিতাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি বক্তব্য ৰাখিব। লগতে এই সম্পৰ্কত তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হ'ব। আন এজন সমল ব্যক্তি প্ৰাক্তন বন পালক সৌমেন্দ্ৰ শইকীয়াই পৰিৱেশ সম্পৰ্কে বক্তব্য ৰাখিব। সকলোৰে সহযোগিতা কামনা কৰিছে ইৰাব কিৰাবৰ সমন্বয়ৰক্ষী নকুল খাউণ্ডে।

Nucleomed-পেটসিটি স্কেন / PETCT Scan- 970701223

# বিটিআৰত ফুটবলৰ মেগা ইভেণ্টৰ বিশাল আয়োজন

**ই-সংবাদ, কোকৰাঝাৰ, ২ জুনঃ** বড়োলেণ্ডৰ পাঁচখন জিলাত অহা ১৫ জুনৰ পৰা আৰম্ভ হ'ব বড়োলেণ্ড চিএম কাপ ১.০ নামেৰে ফুটবলৰ মেগা ইভেণ্ট। ভিচিডিচিৰ পৰা কাউঞ্চিল পৰ্যায়লৈ অনুষ্ঠিত হ'বলগীয়া উক্ত ফুটবল মেগা ইভেণ্টৰ বাবে সৰ্বমুঠ বাজেট ধাৰ্য কৰা হৈছে ৬ কোটি ৪৪ লাখ টকা, আৰু ইয়াৰে প্ৰাইজমানি হ'ল ৭২ লাখ ২৫ হাজাৰ টকা। প্ৰতিযোগিতাখন অনুষ্ঠিত কৰাৰ বাবে বিটিআৰৰ কাৰ্যনিৰ্বাহক পৰিষদে আজি সিদ্ধান্ত গ্ৰহণ কৰে। আজি বড়োলেণ্ড সচিবালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত হোৱা এক সংবাদমেলত ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ কাৰ্যবাহী সদস্য দাওবৈছা বড়োৱে উক্ত তথ্য সদৰি কৰি কয় যে বড়োলেণ্ডত ফুটবল হ'ল প্ৰধান খেল। বড়োলেণ্ডত ফুটবলৰ জনপ্ৰিয়তা পূৰ্বৰে পৰা আছে আৰু বড়োলেণ্ড অঞ্চলৰ পৰা বহু খেলুৱৈ ৰাজ্য, দেশক প্ৰতিনিধিত্ব কৰিছে। নতুন প্ৰজন্মক খেলৰ প্ৰতি আকৰ্ষিত কৰা, যুৱচামক খেলৰ যোগেদি সুস্থ-সবল কৰি ৰখা আৰু ফুটবলৰ যোগেদি শান্তি আৰু ঐক্যৰ বাৰ্তা দিবলৈ অহা ১৫ জুনৰ পৰা সমগ্ৰ বড়োলেণ্ড এলেকাত বড়োলেণ্ড চিএম কাপ ১.০ নামেৰে ফুটবলৰ মেগা ইভেণ্ট আৰম্ভ হ'ব যত বড়োলেণ্ড এলেকাৰ ৪২০টা ভিচিডিচিক সাঙুৰি লোৱা হ'ব। উক্ত মেগা ইভেণ্টৰ বাবে আজিৰে পৰা পঞ্জীয়ন আৰম্ভ হৈছে আৰু অহা ১০ জুনলৈ খেলুৱৈ বা দলে পঞ্জীয়ন কৰিব পাৰিব। সৰ্বমুঠ ৪টা পৰ্যায়ত খেলসমূহ অনুষ্ঠিত কৰা হ'ব আৰু প্ৰথম পৰ্যায়ত ভিচিডিচি, দ্বিতীয় পৰ্যায়ত পৰিষদীয় সমষ্টি, তৃতীয় জিলা পৰ্যায় আৰু অন্তিম কাউন্সিল পৰ্যায়ত খেলসমূহ অনুষ্ঠিত কৰা হ'ব। অহা ১৫ জুনৰ পৰা ভিচিডিচিসমূহত প্ৰথম পৰ্যায়ৰ খেল আৰম্ভ হ'ব। ভিচিডিচিত চেম্পিয়ন হোৱা দলে পৰিষদীয় সমষ্টিত, পৰিষদীয় সমষ্টিত চেম্পিয়ন হোৱা দলে জিলা পৰ্যায়ত আৰু জিলা পৰ্যায়ত চেম্পিয়ন হোৱা দলে কাউন্সিল পৰ্যায়ত খেলিব লাগিব।

বড়োলেণ্ড চিএম কাপ ১.০ নামৰ ফুটবলৰ মেগা ইভেণ্টত সৰ্বমুঠ প্ৰাইজমানি হ'ল ৭২ লাখ ২৫ হাজাৰ টকা। ৪২০টা ভিচিডিচিৰ বিজয়ী দলসমূহে লাভ কৰিব ৭০০০ টকা, বিজিত দলে লাভ কৰিব ৫০০০ টকা আৰু শ্ৰেষ্ঠ খেলুৱৈয়ে লাভ কৰিব ২০০০ টকা। ইপিনে সমগ্ৰ টুৰ্ণামেণ্টটোৰ ফাইনেলত বিজয়ী হোৱা দলে লাভ কৰিব ১৫০০০০ টকা। প্ৰতিযোগিতাখনি সফল কৰি তোলাৰ বাবে সকলোৰে সহায়-সহযোগিতা কামনা কৰিছে দাওবৈছা বড়োৱে।




কাৰ কপালত জয়ৰ মুকুট! আইপিএলৰ ফাইনেলৰ দুই প্ৰতিদ্বন্দ্বী দলৰ অধিনায়ক একেলগে একেখন মঞ্চত

## ২০২৩ৰ এদিনীয়া বিশ্বকাপ ক্ৰিকেটৰ মহানায়কৰ খেলপথাৰ ত্যাগ

# এদিনীয়া ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা অলৰাউণ্ডাৰ গ্লেন মেক্সৱেলৰ

**মেলবৰ্'ণ, ২ জুনঃ** ২০২৩ চনৰ এদিনীয়া ক্ৰিকেট বিশ্বকাপত অষ্ট্ৰেলিয়াৰ জয়ৰ আঁৰৰ নায়ক গ্লেন মেক্সৱেলে ৫০ অভাৰ ক্ৰিকেটৰ পৰা অৱসৰ লোৱাৰ কথা ঘোষণা কৰিছে। চেম্পিয়নছ ট্ৰফীৰ পিছত ষ্টিভ স্মিথ আৰু মাৰ্কাছ ষ্ট'ইনিছৰ পিছতে এই তালিকাত যোগদান কৰে 'মেড মেক্স'য়ে। তেওঁৰ এই ঘোষণাৰ লগে লগে মহানায়কগৰাকীৰ ১৩ বছৰীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় কেৰিয়াৰৰ অন্ত পৰে। অষ্ট্ৰেলিয়াৰ দুটা এদিনীয়া বিশ্বকাপ বিজয়ী দল (২০১৫ আৰু ২০২৩)ৰ দুয়োটাৰে মূল সদস্য আছিল মেক্সৱেল। এই বছৰ চেম্পিয়নছ ট্ৰফীৰ সময়ত তেওঁ অৱসৰৰ ইংগিত দিছিল। অষ্ট্ৰেলিয়াৰ মুখ্য নিৰ্বাচক জৰ্জ বেইলীক মেক্সৱেলে কয় যে ২০২৭ চনৰ এদিনীয়া বিশ্বকাপলৈকে তেওঁ খেলিব নোৱাৰিব। ২০২২ চনত দুৰ্ঘটনাত ভৰি ভাঙিছিল, যাৰ বাবে তেওঁ মাজে মাজে সমস্যাত ভুগিবলগীয়া হৈছিল। এই শাৰীৰিক সমস্যাৰ কথা তেওঁ বেইলীক অৱগত কৰিছিল। ২০১২ চনত অষ্ট্ৰেলিয়াৰ এদিনীয়া দলৰ হৈ অভিষেক ঘটোৱা মেক্সৱেলে ১৪৯খন এদিনীয়া মেচ খেলিছে, য'ত তেওঁ ৩৯৯০ ৰান সংগ্ৰহ কৰিছে। এই বিস্ফোৰক বেটছমেনজনে গড়ে ৩৩.৮১ ৰানত চাৰিটা শতক আৰু ২৩টা অৰ্ধশতক অৰ্জন কৰিছে। এই অল ৰাউণ্ডাৰজনে বলৰ সৈতেও ৭৭টা উইকেট দখল কৰিছে। মেক্সৱেলৰ কেৰিয়াৰৰ আটাইতকৈ স্মৰণীয় ইনিংছ আছিল ২০২৩ চনৰ এদিনীয়া বিশ্বকাপত আফগানিস্তানৰ বিৰুদ্ধে। যেতিয়া এনে লাগিছিল যে অষ্ট্ৰেলিয়া বিশ্বকাপৰ পৰা বাহিৰ হ'ব, তেতিয়া তেওঁ ভৰিৰ ক্ৰেম্পত ভুগি থকাৰ পিছতো ২০১ ৰানৰ নট আউটৰ মহাকাব্যিক ইনিংছ খেলি দলটোক এককভাৱে নেতৃত্ব দিছিল। ইয়াৰ পিছতে অষ্ট্ৰেলিয়াই ফাইনেলত ভাৰতক পৰাস্ত কৰি চেম্পিয়ন হয়, মেক্সৱেলে বিজয়ী ৰান সংগ্ৰহ কৰে। বৰ্তমানৰ আই পি এলত পঞ্জাব কিংছৰ হৈ খেলি আছিল মেক্সৱেল। ছিজনৰ আৰম্ভণিতে কেইখনমান মেচ খেলিলেও বেট আৰু বলৰ সৈতে তেওঁৰ প্ৰদৰ্শন ইমান ভাল নাছিল। আঙুলিৰ আঘাতৰ বাবে ছিজনৰ মাজভাগত আই পি এলৰ পৰা বাহিৰ হৈছিল। তাৰ পাছতে তেওঁৰ এদিনীয়া ক্ৰিকেটৰ পৰা অৱসৰ লোৱাৰ খবৰ প্ৰকাশ পায়। যদিও তেওঁ এদিনীয়া ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰিছে, অৱশ্যে আন্তঃৰাষ্ট্ৰীয় টি-২০ আৰু ঘৰুৱা বিগ বেছ লীগত খেলি থাকিব বুলি জানিবলৈ দিয়ে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি